# GOALPARA COLLEGE MAGAZINE

# গোৱালপাৰা মহাবিদ্যালয় আলোচনী




সম্পাদক ঃ

শিৱদাস ৰাভা

# GOALPARA COLLEGE MAGAZINE

# গোৱালপাৰা মহাবিদ্যালয় আলোচনী




সম্পাদক ঃ
শিৱদাস ৰাভা

# গোৱালপাৰা মহাবিদ্যালয় আলোচনী

৩৪ তম সংখ্যা

২০০২-২০০৩ শিক্ষাবৰ্ষ

**GOALPARA COLLEGE MAGAZINE**

34th Issue

2002 - 2003 Session

GOALPARA COLLEGE

CROSS IS THE CROWN

সম্পাদক : শিৱদাস ৰাভা

## সম্পাদনা সমিতি

সভাপতি - ড° আবুল মাছুম

তত্বাৱধায়ক - ৰতন চন্দ্ৰ ভট্টাচাৰ্য্য

সম্পাদক - শিৱদাস ৰাভা

সদস্য/সদস্যা -

সিদ্ধিনাথ শৰ্মা

ৰঞ্জিত চৌধুৰী

ধৰ্মেন্দ্ৰ নাথ

লনি বৰুৱা

ভানু বেজবৰা কলিতা

বেটুপাতৰ শিল্পী

**প্ৰণৱজ্যোতি ৰাভা**

অলংকৰণ

**প্ৰণৱজ্যোতি ৰাভা আৰু ধীমান চক্ৰৱৰ্ত্তী**

অংগ সজ্জা

**শিৱদাস ৰাভা**

মুদ্ৰণ

**জ্যোতি কম্পিউটাৰ প্ৰিন্টাৰ্চ**

বলদমাৰী, (বি.ও.চি.)

গোৱালপাৰা

দুৰভাষ - ২৪৩৬১৪

৯৪৩৫০-২৩৭০৩ (M)



# সূচীপত্ৰ

সম্পাদকীয়

A Few words from principal

চিন্তা প্ৰৱাহ

- পৰিৱৰ্তনৰ পেক্ষাপটত যুৱ মানসিকতা আৰু সমাজ ঃ হেমন্ত কলিতা - ১
- অসমৰ চিত্ৰ কলা ঃ এটি সংক্ষিপ্ত বিৱৰণ ঃ জানমনি দাস - ৪
- মহাকাশ যাত্ৰাৰ ৰোমাঞ্চকৰ কথা ঃ গুনোজিৎ দাস - ৬
- প্ৰৰোচিত প্ৰজনন যোগে মৎস্য পোনা উৎপাদন ঃ মাহমুদৰ ৰহমান - ৭
- এক্স ৰশ্মি ঃ মহাকাশ অধ্যয়নৰ অন্যতম আহিলা ঃ হিৰণ্য কুমাৰ দাস - ৯
- চন্দ্ৰ কুমাৰৰ কবিতাত মানৱ প্ৰীতি আৰু মানৱ জীৱন ঃ নিতুল নাথ - ১০
- অসমীয়া গদ্য সাহিত্যৰ জন্ম আৰু ক্ৰমবিকাশ - এটি আলোচনা ঃ খৰ্গেশ্বৰ নায়ক - ১২

গল্পৰ মজলিছ

- নিঃসংগতা ঃ বিপুল চন্দ্ৰ ৰাভা - ১৫
- এ চচিয়েল ইচ্যু ঃ জিন্টু বেজবৰুৱা - ১৭
- জোনাকী বাটৰ যাত্ৰী ঃ প্ৰবীন ৰাভা - ১৯
- প্ৰেমৰ বেদনা ঃ ছানোৱাৰ হুছাইন - ২২
- নিশ্চলতা ঃ মৃদুল শৰ্মা - ২৪
- প্ৰেম ভৰা চকুলো ঃ সফিকুল ভূঞা - ২৬
- সঙ্কট ঃ ঋষৱ নাথ - ২৮
- এজাক ধুমুহাৰ অন্তত ঃ মেঘনা চৌধুৰী - ৩১

কাব্য বীথিকা

- স্মৃতি ঃ নিতুল নাথ - ৩৩
- নিৰ্জানতা ঃ বিপুল চন্দ্ৰ ৰাভা - ৩৩
- শুদ্ধ অনুভূতি ঃ ডিম্পল নাথ - ৩৪
- শেৱালিৰ সুৱাস ঃ মুকুন্দ ৰাভা - ৩৫
- যন্ত্ৰণা ঃ আলী মহম্মদ আজীজ - ৩৫
- হঠাৎ সেইদিনা তেওঁ আহিছিল ঃ উপমা কলিতা - ৩৬
- আশা ঃ পুষ্কৰ দেৱনাথ - ৩৬
- সপোন অনুভৱ ঃ জানমনি দাস - ৩৭
- স্বপ্নভংগ বেদনা ঃ নাজমিন চুলতানা আহমেদ - ৩৭
- নৱপ্ৰজন্মলৈ ঃ ছালমা চুলতানা - ৩৮
- প্ৰতাৰণা ঃ মইদুল ইছলাম - ৩৮
- বৰষুণৰ দুটামান স্তবক ঃ ঋষভ নাথ - ৩৯
- সপোন পাখি ঃ মহঃ মোস্তাফিজুৰ ৰহমান - ৩৯
- মৃত্যু ঃ যদুমনি বৈশ্য - ৪০

### অন্য ভাষাৰ মানিক বুটলি

#### ৰাভা কবিতা


- ৰাভা চায় ঃ ড° উপেন ৰাভা হাকাচাম - ৪১
- বায়খো ঃ জ্যোতিষ চন্দ্ৰ ৰাভা - ৪১
- খুৰাং ঃ বলোৰাম হাকাচাম - ৪২
- ছ্যুত্ৰাং ঃ অহিন্দ্ৰ ৰাভা - ৪২
- কু'ৰ ঃ মুবিন ৰাভা - ৪৩


#### বড়ো কবিতা


- সমনি জাবিমিন ঃ অমিয় কুমাৰ বড়ো - ৪৩


#### বাংলা কবিতা


- তুমি আসিবে বলে ঃ অনীমা ৰাণী শীল - ৪৪
- শুধু এক বাৰ ঃ মৌসুমী পাল - ৪৪


#### ENGLISH SECTION


- Origin of the elements : Prasad kumar Saha - 45
- Development of computer science : Dipam Saha - 46
- A Room of one's own : Mozbul Haque choudhury - 47
- Indian against it self : Subhash Barman - 49
- Advantage of early rising : Ali Mohammed Aziz - 51
- Physiological role of exercise : Rupchan Ali - 53
- One Race one Humanity : Atabur Islam sheikh - 54
- Time Management: Why and How : Chintamayee Sarangi - 55
- Vanity what art thou? : Sanjoy kr. Seal - 56
- You address me love : Karna kanta Mazumdar - 56
- Success in college life : Mritunjoy ch. Das - 57
- Time is precious : Honeymoon Hazarika - 57
- I will wait for you : Bapan Rabha - 58
- Just for you : Shafiqul Bhuyan - 58
- Death : Mokibur Rahman - 59
- My lonely journey : Mrinal A. Sangma - 59
- The Fear of death : Sankar jan Kalita - 60
- My song : Bishnu Das - 60
- Think like a man : Fozlul wahid Mondal - 61
- Love : Rupchan Ali - 61
- My Desire : Manab Das - 62


#### বিচিত্ৰা


- প্ৰতিবেদন - ৬৩
- গোৱালপাৰা মহাবিদ্যালয়ৰ শৈক্ষিক প্ৰতিফলন - ৭৫
- Report of Goalpara College NCC - ৭৭
- আলোচনী সম্পাদকৰ তালিকা - ৭৮


গোৱালপাৰা মহাবিদ্যালয় আলোচনী

# সম্পাদকীয়



বৰ্ত্তমান যুগত শিক্ষাৰ গুৰুত্ব অপৰিসীম। আমাৰ দেশৰ শিক্ষাৰ এক গৌৰৱোজ্জ্বল ঐতিহ্য আছে। তক্ষশীলা, বিক্ৰমশীলা, নালন্দাৰ দৰে উচ্চ শিক্ষানুষ্ঠান, ভাস্কৰাচাৰ্য, আৰ্যভট্টৰ দৰে বৈজ্ঞানিকে বিশ্বৰ দৰবাৰত ভাৰতৰ নাম ৰাখি থৈ গৈছে। কিন্তু স্বাধীন ভাৰতবৰ্ষত শিক্ষাক্ষেত্ৰই শাসককৰ্ত্তা পৰা প্ৰয়োজনীয় গুৰুত্ব নাপালে। স্বাধীনতাৰ ৫৬ বছৰৰ পিছত শিক্ষাৰ সংকট ঘনীভূত হোৱাহে লক্ষ্য কৰা যায়। অৱশ্যে শিক্ষাৰ উন্নয়নৰ নামত চৰকাৰে প্ৰায় ৭০ টা শিক্ষা আয়োগ গঠন কৰিলে, পাঠ্যক্ৰমৰ সাল-সলনি ঘটায়েই আছে, স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ পিঠিত কিতাপৰ বোজা বাঢ়িছে কিন্তু তৎস্বত্বেও ফলাফল যোগাত্মক হোৱা নাই। শিক্ষাৰ এই সংকটক লৈ চিন্তাশীল মহল স্বাভাৱিকতে উদ্বিগ্ন। অধিকাংশই ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুসৃত নীতিকেই দায়ী কৰিছে।

পৰিসংখ্যাৰ পৰা ওলাই পৰিছে যে প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত মুঠ ব্যয়ৰ কেৱল ৭.২ শতাংশ শিক্ষা শিতানত ধাৰ্য্যৰ বিপৰীতে দশম পঞ্চবাৰ্ষিক পৰিকল্পনাত ইয়াৰ পৰিমাণ ২.৯ শতাংশলৈ হ্ৰাস পাইছে। ৰাজীৱ গান্ধীৰ দিনতে প্ৰনয়ণ কৰা নতুন শিক্ষানীতিৰ জৰিয়তে বেচৰকাৰীকৰণৰ পথ প্ৰশস্ত হয়। শেহতীয়াকৈ শিক্ষাৰ বাণিজ্যিকীকৰণৰ সৈতে যুক্ত হৈছে সাম্প্ৰদায়িকীকৰণৰ চেষ্টা। জ্যোতিষ বিদ্যা, পুৰোহিততন্ত্ৰৰ দৰে অবৈজ্ঞানিক আৰু মধ্যযুগীয়া চিন্তাৰ পাঠ্যক্ৰমৰ প্ৰতি চৰকাৰী পৃষ্ঠাপোষকতা প্ৰকাশ পাইছে।

সাম্প্ৰতিক চিন্তাৰ বিষয় ইয়ো যে এপিনে স্কুলৰ পৰা বিশ্ববিদ্যালয়লৈ সকলো স্তৰতে ছাত্ৰ-ছাত্ৰীৰ মাচুল বহুগুণে বৃদ্ধি কৰা হৈছে, শিক্ষা অনুষ্ঠানলৈ অনুদান কৰ্ত্তন কৰি ৰাষ্ট্ৰই দায়িত্বৰ পৰা আঁতৰি থকাৰ পৰিণতিত শিক্ষানুষ্ঠানসমূহ গভীৰ আৰ্থিক সংকটৰ গৰাহত পৰিছে। ৰাজনৈতিক হস্তক্ষেপেও অসমৰ দৰে ৰাজ্যৰ শিক্ষানুষ্ঠানবোৰৰ পৰিচালনাত বিৰূপ প্ৰভাৱ পেলাইছে। তদুপৰি আমাৰ ৰাজ্যৰ কলেজবোৰৰ নতুন পদ সৃষ্টিৰ ক্ষেত্ৰত নিষেধাজ্ঞা যোৱা দহটা বছৰে অব্যাহত থকাৰ লগতে অৱসৰৰ ফলত খালী হোৱা পদ পূৰণৰ বেলিকাও চৰকাৰৰ অনীহা পৰিলক্ষিত হৈছে। আনহাতে আত্মনিৰ্ভৰশীল কলেজৰ নামত বিগত বছৰকেইটাত শই শই এনেবোৰ শিক্ষানুষ্ঠানে আত্মপ্ৰকাশ কৰিলে যিবোৰে শিক্ষাক এক পণ্যত পৰিণত কৰিছে। এনেবোৰ শিক্ষানুষ্ঠানত বিশেষকৈ অগতানুগতিক অথচ কৰ্মমুখী পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰা হৈছে সঁচা, কিন্তু এইবোৰত পঢ়িবলৈ বছৰি লক্ষাধিক টকাৰ প্ৰয়োজন হোৱাৰ ফলত কাৰ্য্যতঃ এইবোৰ ধনী মানুহৰ বাবেহে সংৰক্ষিত হৈছে।

এনে পৰিস্থিতিত চৰকাৰী পৃষ্ঠপোষকতাত গুণগতভাবে উচ্চ মানৰ আৰু বৃত্তিমুখী শিক্ষাৰ বাবে অসম চৰকাৰক বাধ্য কৰাবলৈ সংঘবদ্ধ প্ৰচেষ্টা এতিয়াও অসমত প্ৰতীয়মান হোৱা নাই। অসমৰ ক্ষেত্ৰত আন এটা উদ্বেগজনক বিষয় হৈছে প্ৰতি বছৰে উচ্চ শিক্ষাৰ বাবে ৰাজ্যৰ বাহিৰলৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ ক্ৰমবৰ্দ্ধমান প্ৰৱণতা। ইয়াৰ কাৰণসমূহ বিশ্লেষণ কৰি এই প্ৰৱণতা ৰোধ কৰিবলৈ আমাৰ চৰকাৰ সচেষ্ট হ'বৰ হ'ল। কোৱা বাহুল্য যে ওপৰত বৰ্ণিত সামগ্ৰিক পৰিস্থিতিৰ প্ৰভাৱৰ পৰা আমাৰ গোৱালপাৰা মহাবিদ্যালয়ো মুক্ত নহয়।

**এই সংখ্যা আলোচনী প্ৰসঙ্গতঃ**

শিক্ষানুষ্ঠান এখনত যিমান বৌদ্ধিক চিন্তা-চৰ্চাৰ উন্মেষ ঘটিব লাগে, এই সংখ্যা আলোচনী প্ৰকাশৰ বিভিন্ন স্তৰত তাৰ অভাৱ মই বাৰুকৈয়ে উপলব্ধি কৰিছো। অৱশ্যে তেনে ধাৰণা মোৰ নিজস্ব সীমাবদ্ধতাৰ বাবেও হ'ব পাৰে। প্ৰায় দুহেজাৰ ছাত্ৰ-ছাত্ৰীৰ কলেজ এখনত আলোচনীৰ বাবে লিখনি বিচাৰি কেইবাবাৰো আবেদন জনালো, বহুতকে ব্যক্তিগতভাবেও অনুৰোধ জনালো, দুই-এজনৰ ঘৰলৈও একাধিকবাৰ গলো। কিন্তু ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি হতাশজনক বুলি কলেও বঢ়াই কোৱা নহ'ব। হাতত পৰা লিখনিবোৰৰ একাংশৰ মান অতি নিম্ন, মৌলিক চিন্তাৰ অভাৱ, প্ৰকাশভঙ্গীত আকৰ্ষণ নাই, কেতবোৰ আকৌ আলোচনীৰ হিচাবত দীঘল, ইত্যাদি। এনেবোৰ কাৰণত আলোচনীখনৰ মান সম্পৰ্কত আমাৰ নিজৰ মনতেই সন্দেহ আছে। প্ৰকাশৰ ক্ষেত্ৰত আহি পৰা অবাঞ্চিত কিছুমান ঘটনা, মোৰ নিজস্ব অসুবিধা আৰু কাৰিকৰী আন কিছুমান অসুবিধাৰ বাবে আলোচনীখন পলমকৈ প্ৰকাশিত হ'ল-তাৰ বাবে ছাত্ৰ সমাজৰ ওচৰত মাৰ্জনা বিচাৰিছো। আলোচনীখন প্ৰকাশৰ বিভিন্ন স্তৰত সহায় কৰা পূজনীয় শিক্ষাগুৰু ৰতন চন্দ্ৰ ভট্টাচাৰ্য, লনি বৰুৱা, ভানু বেজবৰা কলিতা, ধৰ্মেন্দ্ৰ নাথ, সিদ্ধিনাথ শৰ্মা, ৰণজিৎ চৌধুৰী, অধ্যক্ষ ড° আবুল মাছুম, উপাধ্যক্ষ এ এচ আৰ আহমেদ, সুহৃদ নিতাই ৰাভা আৰু মোৰ বন্ধু ৰূপচান, মুবীন, মৃদুল, মস্তাক, শান্ত, অশোক, উজ্বল, ইন্দ্ৰ, বিপুল, দীপক, বিষ্ণু, স্বৰূপ, অমিয় সহ মোৰ সহপাঠীসকল, বেটুপাত আৰু অঙ্গসজ্জাৰ শিল্পী প্ৰণৱজ্যোতি, ধীমান আৰু ছপাশালৰ কৰ্মীবৃন্দক এই সুযোগতে কৃতজ্ঞতা জনাইছো।

**শিৱদাস ৰাভা**



## A FEW WORDS FROM PRINCIPAL

It is a very happy moment for me in stating a few words about my institution from where I have been earning my bread and butter for the last 32 years. The college is now serving as many as 117 families darectly by extending means of earning their bread and educating nearly 2000 young men and women during the year 2003-04. This college has been the foundation of a good number of doctors, engineers, academicians, artists, lawyers, politicians and other persons in different walks of life of the society who are now working throughout India and abroad. The college has not only its glorious history of imparting education but also an incredible history related to eminent personalities of Assam viz,. Dr. Mahendra Bora, Dr. Birendra Nath Dutta, Dr. R. K. Baruah and Dr. Prabin Chandra Sarma, all of whom were the Principals of this premier institution of the district.

I had the opporunity to take over the charge and responsibility of this college as principal i/c on 1.08.03 at the time when there were various strong demands of the students and the public of Goalpara on different issues. As such I had to handle the situation with strong determination for which my collegaue, employees and well - wishers of the college had extended their full support in dealing with the situation. I extend my heartfelt gratitude to all of them.

The college authority had also taken few bold steps in introducing three new subjects - Introductory Computer Scince, Arabic and Sanskrit in H.S. 1st year class from the session 2003-04. The President of G.B. Mr. S. Mazumdar, MLA of Goalpara East Constituency, has taken interest in fund generating drives from different sources for which the construction of a building could be started and this will be foiiowed by extension of the facility of running water in the Arts Block of the college.

Moreover, I had to take the challenge of preparing Self Study Report (SSR) for inviting National Assessment and Accreditation Council (NAAC), Bangalore within December 2003. It is also an important task to the college authority to repair and renovate the entire structure of the college building within a very short period i.e. before the visit of NAAC team. The college building is very old, maintenance of buildings were not satisfactory due to fund crisis. Moreover, there are many deficiencies and shortage in different sides of the college. As such, all of us have to stand by the college authority for the developmental

works of the college. I hopefully expect that my experienced colleagues, employees, beloved students and the honourable members of the governing body of the college will not leave me alone and the concerted efforts will enable us to reach the desired goal in time.

I am also very much impressed by the enthusiastic attitude of some colleagues who wholeheartedly devoted in preparing (SSR) in true sense and spirit. Their devotion has encouraged me to do someting for the development of the college. On the other hand, some members of our college fraternity made me more sincere, energetic and forward looking for their vigilant eyes on my workings. So they deserve my gratefulness.

In the concluding line, I would like to make an appeal to all the people who are directly or indirectly associated with the college to uphold it as solemn place of academic aspiration and request for personal or collective contribution from their hard earnings. I believe that every person is rich in one or the other field and can contribute to beloved one if he desires. A person can contribute not only in cash or kind but also with his physical labour, One can contribute his valuable experiences through sharing. Doing constructive criticism and extending helpful suggestions also tantamount to contribution.. One can also contribute his/her precious personal time for the needfull works of the others. So, I am confident that our generous people of Goalpara will gladly come forward with their contributions to their college which is on the way to celebrate its Golden Jubilee during 2004-05.

Long live Goalpara College, Goalpara.

**Dr. A. Masum**
*Principal i/c*
Goalpara College, Goalpara.

# চিন্তা প্ৰৱাহ



যুক্তি-বিজ্ঞান-বিবেক আৰু উদাৰ মানৱতাবোধ প্ৰগতিশীল চিন্তাৰ প্ৰধান উপজীব্য । কলা শিল্পত এনে চিন্তাই মূৰ্ত্তিমান হৈ আধুনিক উন্নত প্ৰচাৰ মাধ্যমৰ যোগেদি সমাজৰ চেতনা, বৌদ্ধিকতা আৰু সৌন্দৰ্য্য বৃদ্ধিত সহায় কৰে। এনে কলাৰ বৌদ্ধিক ক্ষেত্ৰ বিশাল আৰু বিশ্বজনীন । ই মানুহৰ নান্দনিক চিন্তাক জগতৰ সকলো বৈচিত্ৰময় ক্ষেত্ৰৰ লগতেই জড়িত কৰে। এনে উন্নত শিল্প সাহিত্যাই মানুহৰ সৌন্দৰ্য্য জ্ঞান আৰু ৰুচীবোধ বৃদ্ধি কৰি তাক বহল সমাজ জীৱনলৈ গতিশীল কৰে। ফলত ই মানুহৰ সামাজিক চেতনা, প্ৰগতিশীল ধ্যান-ধাৰণা, দায়বদ্ধ অনুভূতি, সুস্থ দৃষ্টিভঙ্গী, সবল মতামত আৰু বুদ্ধিমান বিশ্ববীক্ষা গ্ৰহণ কৰিবলৈ মানসিক প্ৰেৰণা যোগায়।

- তোষেশ্বৰ চেতিয়া

# পৰিৱৰ্তনৰ প্ৰেক্ষাপটত যুৱ মানসিকতা আৰু সমাজ

হেমন্ত কলিতা
মুৰব্বী প্ৰৱক্তা, দৰ্শন বিভাগ

পৰিৱৰ্তন হৈছে চিৰন্তন সত্য ধাৰণা, ই অৱশ্যম্বীকৃত, ই অৱশ্যম্ভাৱী আৰু নিতান্ত প্ৰয়োজনীয়। বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ পৰা বৰ্তমানলৈকে এক বিশেষ পদ্ধতিৰে হোৱা পৰিৱৰ্তনক আমি আদৰি আহিছো। বুদ্ধদেৱে কৈছিল 'Change is eternal'আৰু এই পৰিৱৰ্তনেই হৈছে সত্য, সভ্যতাৰ পথপদৰ্শক ও মাপকাঠি। ডেভিড হিউমে কৈছিল "You can't catch yourself but only experiences." এই বিশ্বপৰিক্ৰমাত সমাজৰ পৰিৱৰ্তনৰ লগতে সমাজৰ ন্যুনতম অস্তিত্ব ব্যক্তিৰ ব্যক্তিত্বৰ পৰিৱৰ্তনো অৱশ্যম্ভাৱী।

সমাজ হৈছে এক সামগ্ৰিক সত্বা। সমাজৰ অৱভাষীক ৰূপটো হৈছে ব্যক্তি। ব্যক্তিৰ দ্বাৰাহে সমাজৰ অৱধাৰণা, সামাজিক অৱস্থা, সামাজিক নীতি-নিয়ম, উন্নত / অনুন্নত সমাজ ইত্যাদি বিষয়বোৰ অনুধাৱন কৰা হয়। এটা নিৰ্দ্দিষ্ট পৰিধিত কিছুসংখ্যক লোকে সংঘবদ্ধ হৈ সামূহিক ভাৱে কোনো উদ্দেশ্য আৰু মূল্যৰ বাবে বসবাস কৰিলে তাকেই সমাজ বুলি জনা যায়।সমাজ সম্পৰ্কে বিভিন্নজনে বিভিন্ন ধৰণে ব্যাখ্যা আগবঢ়াইছে যদিও আমাৰ মূল উদ্দেশ্য সমাজৰ ধাৰণা বা গঠন বিশ্লেষণ কৰা নহয়। আপাততঃ "A.K.C. Ottaway"য়ে সমাজ সম্পৰ্কে দিয়া সংজ্ঞাটো উল্লেখনীয় যেন বোধ হয় "A society is a kind of community (or a part of community) whose members become socially conscious of there mode of life and united by a common set of aims and values." এই সংজ্ঞাটোৰ পৰা আমাৰ মনত কেইটামান ধাৰণা স্পষ্ট হৈ পৰে। যেনে ঃ- ১। মানুহৰ লগত সমাজৰ সম্পৰ্ক অনস্বীকাৰ্য। ২। মানুহেই হৈছে সমাজৰ ন্যুনতম অংশীদাৰ। ৩। মানুহ অবিহনে সমাজৰ ধাৰণা অপ্ৰাসঙ্গিক। ৪। ব্যক্তিত্বৰ পৰিচয় আৰু স্বীকৃতি সমাজতেই প্ৰতিফলিত হয়। ৫। সমাজৰ দ্বিতীয় অন্যতম অংশীদাৰ হৈছে পৰিয়াল।

'পৰিৱৰ্তনৰ প্ৰেক্ষাপটত যুৱ মানসিকতা' গঢ় লোৱাৰ অঙ্গাঙ্গী ধাৰণাটোৱে হৈছে 'পৰিয়াল'।সমাজৰ পৰিৱৰ্তনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে পৰিয়াল ভিত্তিক সমাজ ব্যৱস্থা। বস্তুতঃ যুৱ মানসিকতা গঢ় লোৱা পৰিৱৰ্তন হোৱাৰ প্ৰথম পৰ্য্যায়ৰ মঞ্চখনেই 'পৰিয়াল' । আনহাতে ব্যক্তিৰ আচৰণ, ব্যৱহাৰৰ প্ৰাথমিক শিক্ষাৰ পৰ্য্যায়টো হয় পৰিয়ালৰ গণ্ডিতেই। আকৌ পৰিয়ালৰ প্ৰাথমিক উদ্দেশ্য হৈছে সমাজত মায়া ভৰা প্ৰত্যেকজন শিশুৰ, প্ৰত্যেকজন ব্যক্তিৰ স্ত্ৰী/ পুৰুষ নিৰ্বিশেষে ব্যক্তিত্বৰ উন্নতি সাধন কৰা । প্ৰত্যেকজন ব্যক্তিয়ে সেয়েহে নিজৰ অস্তিত্ব বজাই ৰাখিব লাগে (ক) ব্যক্তিহিচাপে আৰু (খ) সমাজ বা পৰিয়ালৰ সদস্য হিচাপে।

পাৰিপাৰ্শ্বিক সামাজিক অৱস্থাৰ লগত নিজকে খাপ খুৱাই ৰাখিবলৈ ব্যক্তিয়ে গোটেই জীৱন জুৰি সংগ্ৰামত অৱতীৰ্ণ হয় আৰু এই সংগ্ৰামক অধিক মৰ্মস্পৰ্শী আৰু উজ্বলময় কৰিবলৈ ব্যক্তিয়ে শিক্ষা আহৰণ কৰে। ফলশ্ৰুতিত সমাজ জীৱনৰ গতি ধাৰা সলনি হবলৈ বাধ্য হৈ পৰে আৰু ব্যক্তি হৈ পৰে তাত অনন্য শক্তি যিয়ে নিজকে এক ব্যতিক্ৰম ধৰ্মটসত্তা হিচাপে গঢ় দিবলৈ প্ৰয়াস কৰে । মানুহ যিমানে সভ্য নহওঁক কিয় মানুহৰ আদি চৰিত্ৰক পৰিত্যাগ কৰা যথেষ্ট কষ্টসাধ্য। যদিও এক অৰ্ন্তনিহিত শক্তিয়ে সামাজিক পৰম্পৰাক ভাঙিব বিচাৰে আৰু নতুনত্বক, সংগ্ৰামী সত্বাক আনয়ন কৰে, তথাপিও কিছুমান সময়ত আত্ম বিস্মৃত হওঁ যেন আদিম মানৱৰ পৰা আমি কোনো গুণে আঁতৰত নহয়। এই আপাহতে উল্লেখনীয় যে সমাজ জীৱনৰ পৰিৱৰ্তন যিহেতু এটা নিৰন্তৰ ঘটনা তাৰ আঁচলত ধৰিয়ে একপ্ৰকাৰ জৈৱিক তাড়নাই মানুহৰ মনৰ শিকলি ছিঙি ওলাই আহিব বিচাৰে আৰু যিকোনো অপকৰ্মত আত্মনিয়োগ কৰিব খোজে। অৱশ্যে ইয়াৰ অন্তৰালত নৈতিক অনুশাসনহীনতা আৰু মনস্তাত্বি ক উপাদানবোৰৰ প্ৰভাৱ নপৰা নহয়।

কোনো পৰিৱৰ্তনেই স্বতন্ত্ৰ নহয়। এটা অৱস্থাৰ পৰিৱৰ্তনে আন এটা অৱস্থা ঘটায়। জনছে সমাজ পৰিৱৰ্তনৰ ব্যাখ্যা এইদৰে দিছেঃ "Social change is a term used to describe variation in our movement of social progress, social interaction or social organisation." আনহাতে বিখ্যাত সমাজ দৰ্শনিক Gillin য়ে কয় যে সামাজিক পৰিৱৰ্তনে ব্যক্তি মানসিকতাত প্ৰভাৱ বিস্তাৰ দুই দিশত কৰিব পাৰে। (১) ভৌগোলিক আৰু (২)সাংস্কৃতিক দিশত। যি কি নহওঁক সকলো প্ৰকাৰ পৰিৱৰ্তনেই ব্যক্তিৰ ব্যক্তিত্বৰ ওপৰত প্ৰতিফলিত হয়। দেখা গৈছে যে পশ্চিমীয়া উন্নত দেশবোৰৰ দ্ৰুত উদ্যোগীকৰণে ভাৰতবৰ্ষৰ লগতে সমগ্ৰ উন্নয়নশীল দেশবোৰকো চানি ধৰিছে আৰু তাৰ কবলৰ পৰা ওলাই অহাৰ সময় কেতিয়াবাই উকলি গৈছে। বিশ্ব উদাৰীকৰণ নীতিৰ লগে লগে মানুহৰ মনৰ ওপৰত পশ্চিমীয়া সমাজৰ প্ৰচলিত ৰঙে সম্প্ৰতি গোটেই ভাৰতবৰ্ষকে ৰঘুমলাৰ দৰে আবৰি ধৰিছে। ইয়াৰ লগে লগে তথ্য প্ৰযুক্তিৰ প্ৰসাৰে উঠি অহা ডেকাঁচামৰ লগতে পৌঢ় অৱস্থাৰ ব্যক্তিকো যে Cyber Crime ৰ প্ৰতি আকৰ্ষিত কৰি তুলিছে তাক নিসন্দেহে উল্লেখ কৰিব পাৰি। সমাজত যি হাৰত ধৰ্ষণ , হত্যাকাণ্ডবোৰ সংঘটিত হব লাগিছে তাক চাই ধাৰণা হয় যেন সমাজত শিক্ষিত অশিক্ষিতৰ মাজত কোনো পাৰ্থক্য নাই। সমাজৰ ন্যুনতম জ্ঞান নথকা ব্যক্তিজনে কৰা কুকাৰ্য্য যিমান দোষনীয় তাতকৈ শিক্ষিত লোক এজনে কৰা একে কাৰ্য্য মানৱীয় দৃষ্টিভঙ্গিত অধিক দোষনীয়। সমাজত ব্যাপক হাৰত সংঘটিত হোৱা এই কু-কাৰ্য্যবোৰ অনুধাৱন কৰিলে তলত উল্লেখ কৰা কাৰণ কেইটা আমাৰ মনত প্ৰতিভাত হয়।

**কিয় এই কাৰ্য্যবোৰ সংঘটিত হয়ঃ**

বিভিন্ন কাৰণৰ দ্বাৰা প্ৰভাৱিত হৈ এই কাৰ্য্যবোৰ সংঘটিত হ'ব পাৰে। অৱশ্যে এইবোৰ কাৰণেই যে মুখ্য কাৰণ হ'ব এনে নহয়- এইবোৰ হয়তো উপকৰণো হব পাৰে।

**হতাশা (Frustration) ঃ**

প্ৰাপ্য বস্তুৰ পৰা বঞ্চিত হলে আমাৰ মনত হতাশা জন্মে৷ মনত হতাশা সৃষ্টি হলে যিকোনো কুপ্ৰবৃত্তিয়ে ঠাই পাব পাৰে।

**ন্যায় বিচাৰ (Justice)ঃ**

ন্যায় বিচাৰৰ বাবে ব্যক্তিয়ে সমাজত বিভিন্ন ধৰণে আবেদন জনায়। যেনে- প্ৰজাই ৰজাৰ ওচৰত, নাগৰিকে চৰকাৰৰ ওচৰত, ব্যক্তিয়ে আদালতত, ল'ৰা-ছোৱালীয়ে মাক-দেউতাকৰ ওচৰত । যেতিয়াই কোনোবাই ন্যায় বিচাৰৰ পৰা বঞ্চিত হয় তেতিয়াই তেওঁৰ মনত ক্ষোভ বৃদ্ধি পায় আৰু অ-সামাজিক কাৰ্য্য সংঘটিত কৰাত কুণ্ঠাবোধ নকৰে। হতাশাৰ অন্যতম উপাদান হ'ল ন্যায়ৰ দ্বাৰা অপদস্থ হোৱা।

**বস্তুবাদী ভাৱধাৰা (Materialistic urge)ঃ**

প্ৰতিযোগিতামূলক বজাৰখনত আমাৰ মনবোৰো বস্তুবাদী হৈ পৰিছে তাত অকণো সন্দেহ নাই। যান্ত্ৰীকতাৰ যুগত সামগ্ৰীয়ে জীৱনৰূপে স্বীকৃতি লভিছে বা কবলৈ গলে জীৱনতকৈ যন্ত্ৰৰহে বা বস্তুৰহে যেন প্ৰয়োজন অধিক। তাৰেই প্ৰভাৱ পৰিছে যৌতুকৰ বলি হোৱা দুৰ্ভগীয়া বোৱাৰী সকলৰ ওপৰত । মানবীয় প্ৰমূল্যৰ বলি আৰু প্ৰত্যাখ্যানে মানৱ সমাজখনকেই পংগু কৰি পেলাইছে মানুহে সাধাৰণ সহানুভূতিকণো হেৰুৱাই পেলাইছে। দিন দুপৰতে কেইটামান উদণ্ড লৰাই কোনো এজনক প্ৰহাৰ কৰিছে, কোনোবাই মটৰৰ খুন্দাত ছটফটাই আছে কিন্তু ওচৰে-পাজৰে উদাসীন হৈ মানুহবোৰে ভেবা লাগি চাই আছে; বাধা দিবলৈ কাৰো শক্তি নাই বা প্ৰাথমিক শুশ্ৰূষা কৰিবলৈ মানবীয়তাৰ অভাৱ।

**পৰিৱৰ্তিত মূল্যবোধ (Concept of Value is Changed)ঃ**

ভোগবাদী সমাজ ব্যৱস্থাই মানুহৰ জৈৱিক তাড়ণা সমূহক অধিক পৰিমাণে প্ৰশ্ৰয় দিয়া বুলি কলেও অত্যোক্তি কৰা নহয়। নাৰী জাতিটো পুৰুষৰ ভোগৰ সামগ্ৰী মাত্ৰই নহয়- এটা মানৱ সত্তাও। আজি একবিংশ শতিকাত আমি এইটো ধাৰণাতেই অধিক জোৰ দিয়া উচিত। পূৰ্বতে এই কাৰ্য্য সংঘটিত হোৱা নাছিল বুলি কব নোৱাৰি। দৰাচলতে সচেতনতাৰ অভাৱত বহুলভাৱে প্ৰচাৰ হোৱা নাছিল। কিন্তু বৰ্তমান সমাজত ধৰ্ষণ আৰু হত্যাকাণ্ড যথেষ্ট পৰিমাণে সংঘটিত হোৱাৰ লগে লগে ইয়াৰ বিৰোধ তীব্ৰ হৈ পৰিছে। আমাৰ মানসিকতাৰো পৰিৱৰ্তন হৈছে।

**আইনৰ সুৰুঙা (Loopholes of Laws)ঃ**

Justice is the first virtue of social institution. ন্যায় পালিকাৰ হাত যথেষ্ট ক্ষমতাসম্পন্ন যদিও ইয়াৰ খামোচ মাৰি ধৰাৰ শক্তি যথেষ্ট কম। উপযুক্ত সাক্ষ্য আৰু তথ্যভিত্তিক প্ৰমাণৰ দ্বাৰাহে ন্যায় বিচাৰ কৰা হয় অৰ্থাৎ বাহ্যিক ভাৱে মিছা সাক্ষী প্ৰদান বা ভুৱা তথ্যপাতিৰ দ্বাৰা দুৰ্দ্ধৰ্ষ অপৰাধীবোৰে বিচাৰৰ কাঠগড়াৰ পৰা নিৰ্বিঘ্নে ওলাই আহিব পাৰে। তাৰোপৰি দোষী সাব্যস্ত হোৱা সকলৰো লঘু শাস্তি প্ৰদান কৰাৰ বাবেও অপৰাধী বোৰে নানা দুষ্কাৰ্য্য কৰাৰ বাবে উদ্গ পায়।

**দৃষ্টান্তমূলক শাস্তি ( Examplary Punishment)**

**Capital Punishment** : ভাৰতীয় দণ্ডবিধিত নায়েই বুলি কব পাৰি অৱশ্যে এইখিনিতে আমি পুনৰ অতিৰিক্ত ন্যায়িক দণ্ডাধীশ এ এছ. পাভজেক ধন্যবাদ জনাওঁ যে অলপতে ৫২ বছৰীয়া শিক্ষ এজনক তেখেতে Capital Punishment দি এক সচেতনতাৰ সৃ কৰিছে (২৮ জুন ২০০৩ সংখ্যা আসাম ট্ৰিবিউনৰ)

**যুৱকৰ দ্বিধাগ্ৰস্ত মানসিকতা (Juvenile disorder):**

ভাৰতবৰ্ষ দুৰ্নীতিৰ তালিকাত দুই নম্বৰত আৰু অসমদেশ ভাৰ বৰ্ষৰ ভিতৰত তৃতীয় স্থানত। দুৰ্নীতিৰ মেটমৰা বোজাই সমাজ ৰাজহাড় ভাঙি পেলাইছে। সৰ্বত্ৰ দেখা দিয়া অবাধ দুৰ্নীতিয়ে যুৱ সমাজখনতো পৰোক্ষ ভাবে প্ৰভাৱ পেলায়। অফিচ-কাছাৰিত পিয়ন পৰা আৰম্ভ কৰি বিষয়াবৰ্গৰ সকলো পৰ্য্যায়তে চলা নীতিহীন কাৰ্য আমাৰ সুস্থ মানসিকতাক পঙ্গু কৰি তুলিছে। যিকোনো প্ৰকাৰে ধ আহৰণ কৰা আৰু ভোগ কৰা নীতিয়ে মানুহৰ নৈতিকতাত কুঠাৰাঘা কৰিছে। ফলস্বৰূপে ধনৰ বলত বলীয়ান হৈ অথবা নৈতি অনুশাসনহীনতাৰ ফলত যুৱক সমাজ উদ্দেশ্যবিহীন হৈ পৰিছে।Sensuous self আৰু rational self ৰ মাজত সংঘাত সৃ হ'বলৈ ধৰিছে আৰু Sensuous self ৰ আগ্ৰাসনে সমাজখনক খৰ্ব কৰক কৰি তুলিছে। আমি ন-দি ক'ব নিবিচাৰিলেও এটা ধাৰণা আমাক বৰকৈ পীড়ণ কৰি তুলিছে যে যি বিষয়াই দুৰ্নীতিৰ দ্বাৰ বাতৰি কাকতৰ শিৰোণামা দখল কৰা নাই তেওঁ কোনো বিষয়া নহয় যেন ধাৰণাই গা কৰি উঠিছে। কথা হৈছে এই ধাৰণাটো যাতে পৰম্পৰা হিচাপে স্থিতি নলয়। শিশু সকল সৰুৰে পৰা অনুকৰ প্ৰিয়-প্ৰথমে মাক-দেউতাকক, দ্বিতীয়তে শিক্ষক-শিক্ষয়িত্ৰীক তৃতীয়তে ওচৰ চুবুৰীয়াক। সেয়েহে মাক দেউতাকৰ যি কোনো দুষ্কাৰ্যই ল'ৰা ছোৱালীক শাসন কৰাৰ ক্ষমতাৰ পৰা আঁতৰাই ৰাখে অথব তেওঁলোককো দুষ্কাৰ্যই কৰিবলৈ পৰোক্ষ ভাৱে উদ্গনি যোগায়।

**যৌন অপকৰ্ম (Sexual deviation)**

সকলোতকৈ অধিক গুৰুত্বপূৰ্ণ বিষয়টো হৈছে যৌন অপক বা আতিশয্য। মনস্তাত্বিক সকলে এই কাৰ্যক কিছুক্ষেত্ৰত মানসিক ব্যাধি বুলি ক'ব খোজে। আনহাতে যৌনক্ষুধা উদ্দেশ্যমূলক আৰু অপৰিহায্য বুলিও কোৱা হৈছে। কিন্তু এই ক্ষুধা নিবাৰণৰ উপায় হিচাপে পশ্চিমীয়া সমাজত থকা দস্তুৰে আমাৰ সমাজত ঠাই পা নোৱাৰে । আমাৰ সমাজত ছোৱালী এজনীক ৰাস্তাত বা ৰাজহুৱা ঠাইত চুমা খোৱাটো গৰ্হিত বুলি বিবেচনা কৰা হয়, কিন্তু পশ্চিমীয়া সংস্কৃতিত বা মানসিকতাত সি কোনো গৰ্হিত কাৰ্য হ'ব নোৱাৰে অৱশ্যে যৌন আতিশয্য বা অপকৰ্ম বুলিলে আমি যি ধৰণে বুজিম বা গ্ৰহণ কৰিম পশ্চিমীয়া বা যৌন শিক্ষাত শিক্ষিত লোক এজনে সেই ধৰনে নুবুজিব। গতিকে এজন পশ্চিমীয়া ডেকাই যদি এজনী অসমৰ ছোৱালীক পল্টন বজাৰৰ বাছ ষ্টেচনত সাৰটি ধৰি চুমা খাবলৈ বিচাৰে (চিনাকী ছোৱালী) সেইটোক সকলোৱে তেওঁ নাজানে বুলিয়ে হয়তো ক্ষমা কৰিব বা ছোৱালীজনীয়েও তাক-পুতৌৰ চকুৰে





চাব। কিন্তু অসমীয়া ডেকা এজনে সেইটো কৰিবলৈ গ'লেই চেণ্ডেলৰ কোব খাব, নহলে ৰাইজৰ মাৰত চিকিৎসালৈ হ'ব লাগিব। কিন্তু মন কৰিব লগীয়া বিষয় যে সেই পশ্চিমীয়া ডেকাজনৰ যৌনক্ষুধা আৰু অসমীয়া ডেকাজনৰ যৌন ক্ষুধাৰ মাজত কোনো পাৰ্থক্য নাই; পাৰ্থক্য মাথোন ভৌগোলিক অৱস্থানৰ আৰু আমাৰ সংস্কাৰৰ তথা সামাজিক দস্তৰৰ। Sexual deviation ঘটাৰ কাৰণ একমাত্ৰ যৌন ক্ষুধাই নহয় ইয়াৰ লগত জড়িত হৈ আছে উপযুক্ত যৌন শিক্ষা, বিচাৰ বিশ্লেষণ আৰু এখন আদৰ্শ সমাজ। এই প্ৰসংগত George W. Kisher য়ে দিয়া সংজ্ঞাটো প্ৰনিধানযোগ্য "Sexual behaviour is more likely to be considered abnomal or deviant only if it interfers with personal and social adjustment when it is self defeating or damaging to others.

সমাজ দাৰ্শনিক সকলে আৰু মনস্তত্ববিদসকলে যৌন আতিশয্য আৰু ধৰ্ষণক একে শাৰীতে পেলোৱা নাই। ধৰ্ষণ হৈছে কোনো পুৰুষে নাৰীক বা ছোৱালীক তেওঁৰ সন্মতি অবিহনে কৰা সংগম কাৰ্য্য । কিন্তু নাবালিকাৰ ক্ষেত্ৰত যিকোনো যৌন আতিশয্যকে ধৰ্ষণৰ শাৰীত পেলাব পাৰি। যেনে- পুৰুষাংগ দেখুৱা , সাৱটি ধৰি চুমা খোৱা, বুকুত হাত দিয়া ইত্যাদি। ভাৰতীয় দণ্ডবিধিৰ ৩৭৪ ধাৰাটোত স্পষ্টভাৱে কোৱা আছে যে ১৬ বছৰৰ অনুৰ্দ্ধ ছোৱালীৰ ক্ষেত্ৰত যৌন অতিশয্যকে ধৰ্ষণৰ সমপৰ্য্যায়ৰ বুলি কোৱা হয়। এই যৌন অতিশয্য বা ধৰ্ষণ যদি এজন প্ৰাপ্তবয়স্ক অসুস্থ ব্যক্তিৰ দ্বাৰা যধেমধে সংঘটিত হয় তেতিয়া হলে ইয়াক মানসিক ব্যধিগ্ৰস্ত বুলি মনস্তাত্বিক চিকিৎসা আগবঢ়োৱা উচিত । দেখা যায় যে সমাজত যিবোৰ ধৰ্ষণ ও হত্যাকাণ্ড অথবা আইন ধৰনৰ যৌন অপকৰ্ম সংঘটিত হৈছে সেইবোৰৰ ৮০ শতাংশই কিন্তু সুস্থ মগজুৰ দ্বাৰা কৰা কাৰ্য্য । এওঁলোকৰ আইনৰ দ্বাৰাহে বিচাৰ হোৱা উচিত।

**যৌন ব্যভিচাৰৰ কাৰণঃ**

১) পৰিয়ালৰ অশান্তিৰ মাজত ডাঙৰ দীঘল হোৱা শিশুৱে শৈশৱৰ পৰাই এক বিকৃত মানসিকতা অৰ্জন কৰে। মাক-দেউতাকৰ অশালীন আচৰণে ল'ৰা-ছোৱালীৰ মনত সেই কাৰ্য্য চৰিতাৰ্থ কৰাৰ তীব্ৰ বাসনা জন্মায়।

২) কিছুমান প্ৰাপ্তবয়স্ক লোকৰ বিকৃত মানসিকতাৰ বাবেও অশালীন কাৰ্য্য চৰিতাৰ্থ কৰাৰ প্ৰবৃত্তি জাগি উঠে।

৩) যদি যৌনক্ষুধা অৱদমন কৰি ৰখা হয়, তেতিয়া হ'লেও এই জৈৱিক ক্ষুধাই সময়ত যিকোনো নাবালিকা, বিকলাঙ্গ বা পৌঢ়া অৱস্থা পোৱা তিৰোতাকো গ্ৰাস কৰিব পাৰে।

৪) সুস্থভাৱে যৌনক্ষুধা নিবাৰণৰ প্ৰতি থকা ভয়েই বহুক্ষেত্ৰত অসামাজিক ভাৱে যৌনক্ষুধা নিবাৰণৰ প্ৰবৃত্তি জগাই তুলিব পাৰে।

৫) অস্বাভাৱিকভাৱে যৌন আচৰণ কৰাৰ আগ্ৰহে বা কাৰ্য্যই বহু ক্ষেত্ৰত হত্যাৰ নিচিনা চৰম পৰ্য্যায়লৈ লৈ যাব পাৰে।

গতিকে এই উৎস কেইটা নিৰ্বাপিত কৰাৰ দায়িত্ব কেৱল মানসিক চিকিৎসকৰ নহয় ; আমাৰ সমাজৰ, শীৰ্ষস্থানীয় পৌঢ় নাগৰিকৰো দায়িত্ব। ভাৰতৰ নিচিনা অনগ্ৰসৰ দেশত যেনেকৈ কেৱল টি, ভিৰ দ্বাৰা নগ্ন ছিনেমা বা Video Casset ৰ দ্বাৰা নীলা ছবিৰ পয়োভৰ হৈছে তাৰ প্ৰত্যক্ষ প্ৰভাৱ আমি ভুগি আহিছো। সমাজত দুষ্কাৰ্য্য একপক্ষীয়ভাৱে হ'ব নোৱাৰে যেনেকৈ লো থাকিলেহে মামৰে ধৰিব তেনেকৈ উদ্দীপক আৰু আনুষঙ্গিক অনুকুল পৰিবেশে কাৰ্য্য সংঘটিত হোৱাত সহায় কৰিব পাৰে। যেনে-

(ক) নাৰীৰ শৰীৰ প্ৰদৰ্শন অথবা গ্লেমাৰৰ বাবে থকা তীব্ৰ আকৰ্ষণ।

(খ) দৃষ্টিকটু সাজ-পোছাকৰ ব্যাপক প্ৰচলন।

(গ) ধৰ্ষণকাৰীৰ পৰা উপযুক্ত পৰিমাণৰ উৎকোচ লৈ অনুসন্ধানকাৰী বিষয়াই উপযুক্ত সাক্ষী তথা নথি-পত্ৰ প্ৰদান নকৰা।

(ঘ) শাৰীৰিক/মানসিকভাৱে নাৰীৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰা।

(ঙ) আইনৰ সুৰুঙাৰ প্ৰতি থকা পুষ্ট অভিজ্ঞতা।

পুৰণিক বিসৰ্জন দি নতুনক আদৰি লোৱাৰ পক্ষেই পৰিবৰ্তন।কিন্তু সেই পৰিবৰ্তনত বৌদ্ধিক সত্তাৰ উত্থান নিশ্চয় সৰ্বজনস্বীকৃত। পুৰণিত হোৱা ভুলবোৰ শুধৰাই এখন নতুন সমাজৰ স্বপ্নক সাৰ্থকৰূপ দিব পৰাৰ ক্ষমতা আজিৰ যুৱকৰ নোহোৱা নহয়- লাগে মাথোন সৎসাহস আৰু উদ্যম। দুৰ্নীতি, ধৰ্ষণ আদি জগতৰ সৃষ্টিৰ লগতে সৃষ্টি হৈছে ; মহাপুৰুষ শ্ৰীকৃষ্ণৰ যুগতো দ্ৰোপদীক হস্তিনাপুৰৰ ৰাজসভাত অপদস্থ কৰা হৈছিল, সীতাক ৰাৱণে হৰণ কৰিছিল, দুষ্মন্তই শকুন্তলাক অকলে পাই নিজৰ কামনা চৰিতাৰ্থ কৰিছিল। অৱশ্যে সেইবোৰ কাহিনীত আধ্যাত্মিক ৰহন সনা হৈছিল। কিন্তু সম্প্ৰতি প্ৰতিযোগীতামূলক বজাৰত আজিৰ যুৱকে নিজে নিজৰ সমস্যা অনুধাৱন কৰক, মাক-দেউতাকৰ বোজা নহৈ স্বনিৰ্ভৰশীল হবলৈ যত্ন কৰক। মাক-দেউতাকে ল'ৰা -ছোৱালীৰ ভৱিষ্যতৰ কাৰণে দুৰ্নীতি কৰি হলেও Bank Balance বৃদ্ধি কৰাৰ মানসিকতা ত্যাগ কৰক । আমাৰ ভাৱ হয় এনে কৰিলে নিশ্চয় সমাজৰ পৰা যুৱ মানসিকতাৰ দৌৰাত্ম কিছু হলেও হ্ৰাস পাব। বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে মনৰ সকলো অজ্ঞানতা, পংকিলতা, কুসংস্কাৰ, অন্ধবিশ্বাস আঁতৰ কৰি সমাজত মানৱীয় প্ৰমূল্য সমূহক যথাযোগ্য সন্মান দিয়াৰ মানসিকতা আনয়ন নিতান্তই প্ৰয়োজনীয়। আনহাতে যৌন শিক্ষাৰ প্ৰচলন- লগতে নৈতিক শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিলেও নিশ্চিতভাৱে সুস্থ সামাজিক বাতাৱৰণ সৃষ্টি হোৱাত সহায়ক হ'ব। চৰকাৰ, জনসাধাৰণৰ ঐক্যবদ্ধ প্ৰচেষ্টাৰ দ্বাৰাই এই সকলো কাৰ্যসূচী ৰূপায়ণ কৰিব পৰা যায় আৰু এখন সুন্দৰ, প্ৰগতিশীল, শান্তিৰ সমাজ গঠন কৰিব পৰা যায়।

❖❖❖

# অসমৰ চিত্ৰ কলা ঃ এটি সংক্ষিপ্ত বিৱৰণ

জানমনি দাস
স্নাতক ২য় বৰ্ষ (কলা)

মানৱ মনৰ সুকুমাৰ অনুভূতিৰ অন্যতম প্ৰকাশ চিত্ৰাংকণ। সুদুৰ অতীজৰে পৰা মানুহৰ মনৰ সুকুমাৰ কলাৰ অনুভূতিৰ মুৰ্ত প্ৰকাশ ঘটিছিল। সেই সময়ত চিত্ৰকলাৰ পদ্ধতিগত অনুশীলন তথা চৰ্চা নাছিল যদিওঁ বিভিন্ন সময়ত শিলৰ বুকুত কাটি উলিওঁৱা চিন সমূহ নিশ্চিত ভাৱে মানুহৰ সুকুমাৰ অনুভূতিৰ প্ৰকাশৰেই উৎকৃষ্ট নিদৰ্শন। খৃষ্টজন্মৰ আঢ়ৈ হেজাৰ বছৰ পূৰ্বৰ ভাৰতীয় চিত্ৰৰ প্ৰথম আভাষ পোৱা গ'ল হৰপ্পা আৰু মহেন-জো-দাৰোত। অজন্তা, ইলোৰা আৰু খাজুৰাহোৰ শিলত কটা সুষমামণ্ডিত চিত্ৰাৱলীয়ে প্ৰাচীন ভাৰতীয় চিত্ৰকলাৰ গৌৰৱোজ্বল ইতিহাসৰ সাক্ষী বহন কৰে। এইদৰে পটত অকাঁ চিত্ৰশৈলীৰ ভিতৰত ৰাজস্থানী চিত্ৰশৈলী, কাংগ্ৰা শৈলী নাইবা বাৰানসী শৈলী আদি ভাৰতীয় চিত্ৰ শৈলীৰ একো একোটা মাইলৰ খুঁটি। পৰৱৰ্তী কালত বিভিন্ন পৰিৱৰ্ত্তন আৰু পৰিবৰ্দ্ধনৰ মাজেদি আগবাঢ়ি আহি ভাৰতীয় চিত্ৰকলাই বিশ্ব দৰবাৰত এক সুকীয়া মৰ্য্যদা লাভ কৰিবলৈ সক্ষম হৈছে।

ভাৰতীয় চিত্ৰকলাৰ গৌৰৱোজ্বল ইতিহাসৰ অংশীদাৰ অসমৰ চিত্ৰকলাৰ ইতিহাস অতি প্ৰাচীন। ঐতিহাসিক দৃষ্টিৰে চালে প্ৰাক-শঙ্কৰী যুগৰ পৰাই অসমত চিত্ৰকলাৰ অনুশীলন আৰম্ভ হোৱাৰ উল্লেখ পোৱা যায়। সপ্তম শতিকাৰ বানভট্টৰ "হৰ্ষচৰিত", হিউৱেন চাঙৰ "অসম ভ্ৰমণৰ টোকা," বনমালি বৰ্মাৰ 'তামৰ ফলি", একাদশ-দ্বাদশ শতিকাৰ "কালিকা পুৰাণ," "যোগিনী তন্ত্ৰ," ত্ৰয়োদশ শতিকাৰ বেদাচাৰ্য্যৰ "স্মৃতি ৰত্নাকৰ", আদি পুথিতে। অসমৰ চিত্ৰকলাৰ ইতিহাসৰ উল্লেখ পোৱা যায়। পঞ্চদশ শতিকাৰ নৱ বৈষ্ণৱ ধৰ্মৰ গুৰি ধৰোতা মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ বিভিন্ন মূল্যবান চিত্ৰ অসমৰ চিত্ৰ কলাৰ ইতিহাসৰ আপুৰুগীয়া সম্পদ।

অসমৰ প্ৰাচীন চিত্ৰকলা সম্পৰ্কত আলোকপাত কৰিলে দেখা যায় যে সপ্তম শতিকাৰ কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাই হৰ্ষবৰ্দ্ধনলৈ উপঢৌকন হিচাপে পঠিওঁৱা সামগ্ৰী সমূহৰ ভিতৰত সন্নিবিষ্ট বহুবিধ ৰঙেৰে ৰংচঙীয়াকৈ বোলোৱা বেতৰ পেটাৰীৰ ভিতৰত ভৰাই নিয়া- অসমৰ পাট আৰু মুগাৰ কাপোৰ, প্ৰিয়ঙ্গু ফুলৰ দৰে ৰঙচুৰা বৰনেৰে বোলোৱা বিচিত্ৰ বেতৰ আসন, 'সমূৰুক' মৃগৰ আকাৰৰ বহু বৰনীয়া চিত্ৰ, বিচিত্ৰ কোমল গাৰু, অগৰু গছৰ বাকলিত লেখা



শুৱলা কথাৰ পুস্তক, অৰ্থাৎ সাঁচিপতীয়া পুথি, শুকান জাতিলাওঁৰ খোলাত ভৰাই নিয়া কেঁইডালমান ছবি অকাঁ তুলিকা আৰু ছবি অকাঁ ফালি আদিয়ে নিশ্চিত ভাবে তাহানিতে আত্ম প্ৰকাশ কৰা অসমীয়া চিত্ৰকলাৰ সুন্দৰ নিদৰ্শন। এই প্ৰসঙ্গত অসমৰ এগৰাকী অনন্য চিত্ৰশিল্পী শ্ৰীযুত প্ৰদীপ চলিহাদেৱে লিখিছে- "আমি জনাত পুথি লেখা অথবা ছবি আঁকাৰ বাবে সাঁচিপাতৰ ব্যৱহাৰ পৃথিৱীৰ কোনো ঠাইতেই নাই। ই অসমৰ নিজস্ব প্ৰথা। ভাৰতৰ অন্য ঠাইত ডাল-পাতৰহে ব্যৱহাৰ আছিল। পিচত অৱশ্যে প্ৰায় সকলো ঠাইতেই তুলাপাতৰ প্ৰচলন হয়।"

আজিৰ পৰা বহু যুগৰ পূৰ্বেই প্ৰাচীন কামৰূপৰ বানৰজাৰ জীয়ৰী উষাৰ সখী চিত্ৰলেখাই অনিৰুদ্ধৰ ছবি আঁকি অসমীয়া চিত্ৰকলাৰ ইতিহাস সৃষ্টি কৰি থৈ গৈছে। এই বিষয়ে অসমৰ আন এগৰাকী প্ৰখ্যাত চিত্ৰশিল্পী শ্ৰীযুত যুগল দাসে লিখিছে -"উষাৰ বান্ধৱী কলা বিশাৰদা চিত্ৰলেখাৰ কুমাৰ অনিৰুদ্ধৰ বিষয়ে কল্পনা বা ধ্যান আৰু তেওঁৰ ব্যক্তি চিত্ৰ প্ৰস্তুতি, ভাৰতীয় চিত্ৰ ভাস্কৰ্য্যৰ ধ্যান-ধাৰণাৰ সৈতে মিল পোৱা যায়।"

সপ্তম শতিকাৰ মধ্যভাগত চীনা পৰিব্ৰাজক হিউৱেন চাঙে অসম ভ্ৰমণ কৰোতে কামৰূপ ৰজাৰ ৰাজপ্ৰাসাদৰ বিভিন্ন ৰং-চঙীয়া





সুন্দৰ সুন্দৰ চিত্ৰৰ বৰ্ণনা তেওঁৰ টোকাত লিখি থৈ গৈছে। আকৌ নৱম শতিকাৰ বনমালি তামৰ ফলিত যুদ্ধৰ বিভিন্ন ফুলকটা হেঙুলীয়া বোল সনা চিত্ৰৰ আভাষ পোৱা যায়। ঠিক একেদৰে বলবৰ্মা দেৱৰ তামৰ ফলিত ৰাজ প্ৰাসাদৰ চিত্ৰ, ৰজা ইন্দ্ৰপালৰ তাম্ৰ ফলিত চিত্ৰ শিল্পৰ নিদৰ্শন অসমীয়া চিত্ৰ কলাৰ গৌৰৱ বুলিব পাৰি। একাদশ শতিকাৰ কালিকা পুৰাণ আৰু যোগিনী তন্ত্ৰ, এয়োদশ শতিকাৰ স্মৃতি ৰত্নাকৰ আদি পুথিয়ে অসমৰ চিত্ৰকলাৰ গৌৰৱোজ্বল ইতিহাসৰ স্বাক্ষৰ বহন কৰি আহিছে।

পঞ্চদশ শতিকাৰ অসমীয়া চিত্ৰকলাৰ এক নতুন ইতিহাস ৰচনা কৰে নৱবৈষ্ণৱ আন্দোলনৰ গুৰিধৰোতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে। মহাপুৰুষ জনাই তেখেতৰ সংলাপবিহীন স্যংগিক অভিনয় চিহ্নযাত্ৰা ভাওঁনাৰ সময়ত সাত বৈকুণ্ঠৰ চিত্ৰ তুলাপাতত হেঙুল হাইতাল বোলাই সাত বৈকুণ্ঠৰ পট আঁকি চিত্ৰকলা নৈপুন্যতাৰ যি পৰিচয় দিছিল সেয়া নিশ্চয় অসমীয়া চিত্ৰ কলাৰ গৌৰৱ। গুৰুজনাই ভাওঁনাৰ বাবে প্ৰস্তুত কৰা সাজপাৰ, মুগা, গৰুড়পকী, নামঘৰৰ সিংহাসন, সাঁচিপাতৰ বিভিন্ন সচিত্ৰ পুথি, মহাৰাজ নৰনাৰায়নক দিয়া বৃন্দাবনৰ পট অঁকা বৃন্দাৱনী কাপোৰ আদিত তেখেতৰ চিত্ৰকলাৰ নিপুনতা সুন্দৰ ভাৱে ফুটি উঠিছে। শংকৰদেৱৰ ভাওঁনা পৰিচালনাত মনিকৰ আৰু চিত্ৰকৰ দুটা পদৱীৰ লোকে চিত্ৰকলাত বিশেষ স্থান পাইছে। ভাৱৰীয়াৰ মুখৰ ৰং, কিৰীটি, পোছাক পৰিচ্ছদ, ছোঁ আদি নিৰ্মাণত তেওঁলোকে গুৰুজনাৰ নিৰ্দেশত সহায় কৰিছিল। ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে শংকৰদেৱৰ ভাওঁনাত ফুটি উঠা চিত্ৰৰ বিষয়ে এনেদৰে লিখিছে — "The actors have special sets of dresses. These are preserved in the house of the village Khanikar, a painter and maker of wooden and earthen image by profession. ................................................ The conspicuous paints are generally prepared by mixing hangul, cinnabar and hital, yellow orpiments. "

অসমৰ চিত্ৰকলাৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে চিত্ৰকলাৰ ভঁৰাল টনকিয়াল কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি আহিছে কেতবোৰ ৰজাঘৰীয়া আৰু আধ্যাত্মিক পুথিয়ে। চিত্ৰ ভাগৱতকে আদি কৰি, হস্তিবিদ্যাৰ্নৱ, নামঘোষা, মহাভাৰত ; মদ্ভাগৱত (একাদশ স্কন্ধ), অজামিল উপাখ্যান, শঙ্খচুড় বধ, হাতী পুথি, দৰং ৰাজ বংশাৱলী, ৰাধা হৰণ, ধৰ্ম পুৰাণ, লৱ-কুশৰ যুদ্ধ, পদ্মপুৰাণ আদি সচিত্ৰ পুথিয়ে অসমীয়া চিত্ৰকলাৰ ইতিহাস বহন কৰি আহিছে। পুৰণি কালত চিত্ৰ কলাৰ উপকৰণ হিচাপে কপাহ, বৰাচাউল, মাটিমাহ, গছৰ ৰস, আৰু এঠা মিহলাই তুলাপাত তৈয়াৰ কৰিছিল।

অসমৰ চিত্ৰকলাৰ ঐতিহাসিক খিয়াতি যিমান আছে তাৰ তুলনাত আধুনিক দৃষ্টিভংগীৰ অভাৱ বাৰুকৈয়ে আছে। আধুনিক যুগত বংগদেশৰ শিল্পী সকলে "Bengal School of Art' বা বংগদেশীয় চিত্ৰশৈলী বুলি যি এটা ধাৰা প্ৰৱৰ্ত্তন কৰিছে তেনে চৰ্চা আমাৰ ৰাজ্যত এতিয়াও হোৱা নাই। বিষ্ণু প্ৰসাদ ৰাভাই শ্ৰীশ্ৰী শংকৰদেৱৰ দুখন চিত্ৰ কামৰূপী শৈলীত আঁকিছিল। থাপনাৰ সিংহ আৰু মগৰৰ পিঠিয়ে ধাৰণ কৰা থাপনাৰ আহিত অঁকা আন এখন ছবিত সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱাক প্ৰতিষ্ঠা কৰি দেখুৱাইছিল।

অসমীয়া চিত্ৰকলাৰ গৌৰোৱোজ্বল ইতিহাসক পুনৰুজ্জীৱিত কৰি আগবাঢ়ি অহা অসমৰ প্ৰথিতযশা চিত্ৰশিল্পী যথাক্ৰমে হৰি নাৰায়ণ দত্তবৰুৱা, প্ৰত্নতাত্বিক সৰ্বেশ্বৰ কটকী, তেজপুৰৰ চিৰকুমাৰ পিয়াৰীমোহন চৌধুৰী, বিষ্ণুৰাভা, ডিব্ৰুৰ মুক্তা বৰদলৈ, যোৰহাটৰ সুৰেণ বৰদলৈ, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, উত্তৰ গুৱাহাটীৰ ৰত্নেশ্বৰ শৰ্মা বৰুৱা, জন্মগত শিল্পী মহেন্দ্ৰ ডেকা, চিত্ৰশিল্পী যুগল দাস, গোৱালপাৰাৰ নিলীমা বৰুৱা, জীৱেশ্বৰ চৌধুৰী আদিয়ে অসমৰ চিত্ৰকলাৰ সৰ্বাংগীন উন্নতিৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা কৰি আহিছে।

এই দিশত ডঃ মহেশ্বৰ নেওঁগ দেৱৰ "The art of painting in Assam"আৰু নাৰায়ন দাসৰ "পুৰণি অসমৰ চিত্ৰ কলা" দুখন উল্লেখযোগ্য গ্ৰন্থ । অসমৰ চিত্ৰশিল্পী সকল সু-সংগঠিত হ'ব পৰা নাই যদিও গুৱাহাটীৰ "Artists' Guild" "Assam Fine Arts and Crafts Society" তেজপুৰৰ "চিত্ৰকলা পৰিষদ" বৰপেটাৰ "কলা বিদ্যালয়", ডিফুৰ "চেৰবিহুন কলা নিকেতন," নলবাৰীৰ "কলা বিদ্যালয়" আদিয়ে চিত্ৰকলাৰ একোখন সুন্দৰ মঞ্চ তৈয়াৰ কৰিছে।

অসমৰ চিত্ৰকলাৰ বিকাশৰ ক্ষেত্ৰত আবাহন, বাঁহী আদি আলোচনীৰ নাম আমি লবই লাগিব। অসমীয়া চিত্ৰকলাৰ বিকাশ সাধনৰ ক্ষেত্ৰত চৰকাৰী উদ্যোগত তেনে কোনো বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই । চৰকাৰে চিত্ৰ কলাৰ তথ্যচিত্ৰ প্ৰস্তুত কৰি ইয়াৰ বিকাশ তথা প্ৰচাৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ ল'ব পাৰে। Assam Academy of Cultural Affairs য়ে "ভাৰতীয় চাৰুকলা" (সংগ্ৰহ) আৰু "ভাৰতীয় চিত্ৰকলা" (অনুবাদ) দুখন পুথি প্ৰকাশ কৰিছে। নিশ্চিত ভাবে ই প্ৰশংসনীয় পদক্ষেপ ।

অসমৰ জলবায়ু , উঁই, ঘুন, ধুমুহা, বানপানী, ভূঁইকঁপ আদিয়ে অসমৰ চিত্ৰকলাত বহুতো বিপৰ্য্যয়ৰ সৃষ্টি কৰিছে,যদিওঁ বৰ্তমান অসমীয়া চিত্ৰকলাই এক নৱ দিশেৰে গতি কৰি ভাৰতীয় চিত্ৰকলাত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। পৰিৱৰ্তন আৰু পৰিবৰ্ধনৰ মাজেদি আহি আজি অসমৰ চিত্ৰকলা এক স্বতন্ত্ৰ সত্বাৰ অধিকাৰী ।

# মহাকাশযাত্ৰাৰ ৰোমাঞ্চকৰ কথা

গুণজিৎ দাস
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

যোৱা শতিকাৰ ষাঠিৰ দশকত মহাকাশলৈ উপগ্ৰহ আৰু সন্ধানীযান পঠাব পৰাটো মহাকাশ বিজ্ঞানী সকলৰ এটা ডাঙৰ কাৰিকৰী সফলতা আছিল। কিন্তু তাতোকৈ উত্তেজনাপূৰ্ণ আৰু ৰোমাঞ্চকৰ কথা আছিল মহাকাশলৈ মানুহ পঠাব পৰাটো।

ছোভিয়েট ৰুছিয়াৰ বায়ুসেনাৰ বিষয়া ইউৰি গেগেৰিণ আছিল প্ৰথম মানৱ মহাকাশচাৰী। ১৯৬১ চনৰ ২২ এপ্ৰিল তাৰিখে তেওঁ ৰকেটৰ দ্বাৰা চালিত মহাকাশ যানেৰে পৃথিৱীৰ চাৰিওফালে ঘূৰিলে। তেতিয়াৰে পৰা ৰুছিয়া, আমেৰিকা আৰু অন্য দেশৰ বহুতো মহাকাশচাৰীয়ে মহাকাশ ভ্ৰমণ কৰিছে। কেইজনমানেতো চন্দ্ৰৰ পিঠিত ভৰিও দি আহিছে।

মহাকাশৰ পৰিবেশ পৃথিৱীতকৈ বহু বেলেগ। তাত মাধ্যাকৰ্ষণৰ টান নাই, গতিকে মহাকাশযাত্ৰী এজন ওজনহীন হৈ পৰে। তেওঁ বিশেষ কোনো যত্ন নকৰাকৈয়ে যিকোনো দিশত যাব পাৰে । মহাকাশত উশাহ ল'বৰ বাবে বায়ুও নাই। অত্যাধিক উষ্ণতা আৰু অনিষ্টকাৰী বিকিৰণৰ পৰা ৰক্ষা কৰিবলৈও একো নাই ।

মহাকাশলৈ যোৱাৰ আগতে মহাকাশচাৰী সকলে বিশেষ ধৰণৰ আৰু কঠোৰ প্ৰশিক্ষণ ল'ব লাগে। ইয়াৰ জৰিয়তে তেওঁলোকে মহাকাশ পৰিভ্ৰমণ কৰা কালত সন্মুখীন হ'বলগীয়া পৰিস্থিতি আৰু সমস্যাৱলী সম্বন্ধীয় যথাসম্ভৱ অভিজ্ঞতা অৰ্জন কৰে। মহাকাশচাৰী সকলে ভ্ৰমণ কৰিবলগীয়া মহাকাশযানৰ সৈতে পূৰ্ণ সাদৃশ্য থকা নকল যানৰ ভিতৰত যথেষ্ট সময় কটাব লাগে। এনে নকল যানখন উৰণ ইঞ্জিন এটাৰ সৈতে সংলগ্ন কৰা হয়। ইঞ্জিনটোৱে যানখনত এনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে যেন যানখনে প্ৰকৃতেই বিভিন্ন অৱস্থাৰ মাজেৰে উৰিছে। মহাকাশচাৰীয়ে এটা সৰু বৃত্তখণ্ডৰ ভিতৰত আকাশীযানেৰে ওপৰ আৰু তলমুৱাকৈ গতি কৰি সাময়িক ওজনশূন্যতাৰ অভিজ্ঞতা লাভ কৰে।

মহাকাশত থকা সময়ত মহাকাশচাৰীক যোগান ধৰা বায়ু নিয়মীয়াভাবে সলোৱা হয় আৰু উষ্ণতাৰ হ্ৰাস-বৃদ্ধি নোহোৱাকৈ ৰখা হয়। মহাকাশচাৰীয়ে জুলীয়া পদাৰ্থ পোনে পোনে মুখৰ ভিতৰত চেপি সেৱন কৰিব লাগে। ওজনশূন্যতাৰ বাবে মহাকাশচাৰীয়ে মহাকাশত জুলীয়া পদাৰ্থ বাকি লোৱাটো সম্ভৱ নহয়, সেয়ে আজিকালিৰ মহাকাশ চাৰীসকলৰ আহাৰ টুথপেষ্টৰ আহিঁৰ টিউবত ভৰাই লোৱা হয় ; ইয়াৰ গুণপত মান পূৰ্বৰ-মহাকাশচাৰী সকলৰ আহাৰতকৈ যথেষ্ট উচ্চ। মহাকাশযানত যোগান ধৰা আহাৰ আগতে বনাই লোৱা হয়, আৰু ব্যৱহাৰ কৰাৰ আগলৈকে - হিম-সংৰক্ষিত হয়। এইবোৰ প্লাষ্টিকৰ মোনাত ভৰোৱা থাকে আৰু পুনৰ আৰ্দ্ৰ কৰিবলৈ তাত চেঁচা নাইবা গৰম পানী ফিচকাৰীৰে ভৰাব লাগে। কিছুমান খাদ্য ততালিকে খোৱাৰ উপযোগী অৱস্থাত থাকে। মুখেৰে কামোৰ মাৰিব পৰা আহাৰৰ চেগুউইচবোৰ চোবোৱাৰ সময়ত মুখৰ পানীয়ে পুনৰ আৰ্দ্ৰ কৰি তোলে। মহাকাশচাৰীয়ে সাধাৰণতে বেৰত লগাই থোৱা শ্লিপিং বেগত শোৱে। বেগবোৰ ওপঙি নুফুৰিবৰ বাবে ভালদৰে টানি বন্ধ কৰিব লাগে। ১৯৬৬ চনত চন্দ্ৰ অভিমুখে প্ৰথমে যাত্ৰা কৰা হৈছিল। তেতিয়াৰ ৰুছদেশীয় মানৱবিহীন মহাকাশযান এখনে চন্দ্ৰত অৱতৰণ কৰে আৰু চন্দ্ৰপৃষ্ঠৰ টেলিভিছন ছবি পৃথিৱীলৈ পঠায়।

চন্দ্ৰলৈ মহাকাশচাৰী পঠাই পুনৰ ওভোতাই অনাৰ উদ্দেশ্যে আমেৰিকান সকলে এটা লুনাৰ মডিউল সাজি উলিয়ায়। মডিউলটোক চন্দ্ৰৰ কাষলৈ নিব পৰাকৈ বৃহৎ মহাকাশযান এখনৰ আহিত প্ৰস্তুত কৰা হৈছিল। মডিউলটো চন্দ্ৰপৃষ্ঠ অভিমুখে যাবলৈ, চন্দ্ৰত অৱতৰণ



কৰিবলৈ আৰু পুনৰ মহাকাশযানখনলৈ উভতি আহিবলৈ সক্ষম হৈছিল।

১৯৬৯ চনৰ ২০ জুলাইত এপোল' - ১১ য়ে কঢ়িযাই নিয়া দুগৰাকী মহাকাশচাৰীৰ সৈতে চন্দ্ৰত অৱতৰণ কৰিলে। চন্দ্ৰপৃষ্ঠত ভৰি দিয়া প্ৰথম মানৱ হ'ল নিল আৰ্মষ্ট্ৰং। চন্দ্ৰত কৰা পৰৱৰ্তী অৱতৰণ সমূহত মহাকাশচাৰী সকলে চন্দ্ৰপৃষ্ঠত বৈদ্যুতিক "চন্দ্ৰ বাগী" চলাইছিল।

শেহতীয়াভাৱে পৰিলক্ষিত হোৱা এটা গুৰুত্বপূৰ্ণ সাফল্য হ'ল পৃথিৱীৰ চাৰিওফালে কক্ষপথত গৱেষণাগাৰ সমূহ স্থাপন কৰাটো। এই গৱেষণাগাৰসমূহে অধিক গুৰুত্বপূৰ্ণ বৈজ্ঞানিক গৱেষণাৰ সুযোগ আগবঢ়াইছে।

ৰুছসকলে প্ৰথম গৱেষণাগাৰ পঠাইছিল ১৯৭১ চনৰ এপ্ৰিলত। তেওঁলোকে পিচলৈ আৰু কেইবাটাও গৱেষণাগাৰ পঠায় আৰু ১৯৮৪ চনত কিছুসংখ্যক বিজ্ঞানীয়ে ৪ মাহ মহাকাশত কটায়। ১৯৭৮ চনৰ মে' মাহত আমেৰিকাৰ 'স্কাইলেব্' মহাকাশলৈ পঠোৱা হৈছিল। মহাকাশচাৰীৰ তিনিটা দল ইয়ালৈ যায় আৰু শেষৰ দলটোৱে কক্ষপথত ৮৪ দিন অতিবাহিত কৰে। ইউৰোপীয় মহকাশ এজেন্সিয়ে স্পেছলেব্ নিৰ্মাণ কৰিছিল। ই আছিল বৈজ্ঞানিক আৰু অভিযান্ত্ৰিক পৰীক্ষাৰ বাবে সকলো ধৰণৰ আহিলা পাতিৰে সজ্জিত। স্পেছলেব্ শ্বাটল্‌ৰ দৰে ই পুনৰ ব্যৱহাৰযোগ্য । মহাকাশত এৰি দি অহাৰ পৰিৱৰ্তে কক্ষপথত থকা শ্বাটল্‌ত ইয়াক ৰখা হয় আৰু পাছত ই পৃথিৱীলৈ ঘূৰি আহে । ১৯৮১ চনৰ নৱেম্বৰত ইয়াক প্ৰথমে মহাকাশলৈ নিয়া হৈছিল।

❖❖❖





# প্ৰৰোচিত প্ৰজনন যোগে মৎস্য পোনা উৎপাদন

মাহমুদৰ ৰহমান
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)

প্ৰাচীনন কালত পুখুৰীত মাছ পালনৰ বাবে পোনা বৰ্ষাকালত নৈৰপৰা সংগ্ৰহ কৰা হৈছিল। সাধাৰণতে পুখুৰীত মীন পালক সকলে বাণিজ্যিক গুৰুত্ব থকা সোনকালে বাঢ়িব পৰা, ৰোগ প্ৰতিৰোধী আৰু কৃত্ৰিম খাদ্যৰ প্ৰতি আকৃষ্ট হোৱা মাছহে পালন কৰে। এই গুণ থকা মাছকেইটা হ'ল ৰৌ (*Labeo rohita*) ভকুৱা (*Catla catla*) মিৰিকা (*Cirrihinns mrigala*) আৰু বাহু মাছ (*Labeo calbasu*)- - যাক ইংৰাজীত Indian major carp বোলা হয়।

এই মাছকেইটাই কণী জগাবৰ কাৰণে কেইটামান অজৈৱ কাৰকৰ দৰকাৰ হয়। সেই কেইটা তলত দিয়া ধৰণৰঃ

(১) বৰষুণৰ পানী
(২) সোঁত থকা পানী
(৩) উষ্ণতা ২২°চে - ৩০° চে
(৪) ঘোলা পানী

সাধাৰণতে এইকেইটা কাৰক বৰ্ষাকালত আমাৰ নদী বোৰত পোৱা যায় কাৰণে এই মাছ কেইটাই সেই সময়ত নদীত কণী জগায়। নদীৰ তৰাং অঞ্চলত যেতিয়া এই মাছকেইটাই কণী পাৰে তেতিয়া থলুৱা মাছমৰীয়াসকলে এই মাছৰ পোনা সমূহ জালেৰে সংগ্ৰহ কৰে।

কিন্তু এই পোনাবোৰৰ লগতে মাংসাহাৰী তথা অনিষ্টকাৰী মাছৰ পোনাবোৰো জালত আহে। গতিকে পুখুৰীত মীন পালন অনিশ্চিত হৈ পৰে তথা নদীৰ পৰা এনেদৰে পোনা সংগ্ৰহ কৰাটো কষ্টকৰো হয়।

উপৰোক্ত অসুবিধা বোৰ দূৰ কৰাৰ কাৰণে তথা নিশ্চিত মীন পালনৰ বাবে মৎস্য বিজ্ঞানী সকলে এই মাছ সমূহৰ আৱদ্ধ পানীত প্ৰজননৰ কাৰণে বহু ধৰণৰ পৰীক্ষা চলাইছিল যদিও ১৯৫৭ চনত কটক মৎস্য গৱেষণা কেন্দত পোন প্ৰথমবাৰৰ বাবে পিটুইটাৰী গ্ৰন্থিৰ হৰমনৰ দ্বাৰা আৱদ্ধ পানীত ৰৌ মাছৰ প্ৰজনন সম্ভৱ হয় যাক-প্ৰৰোচিত প্ৰজনন হিচাপে জনা যায়। ইয়াৰ পিছত এই পদ্ধতিত বিভিন্ন নতুন আহিলা সংযোজনেৰে এক উন্নত ধৰণৰ পদ্ধতি উদ্‌ভাৱন কৰা হয় যাৰ দ্বাৰা যিকোনো বাণিজ্যিক গুৰুত্ব থকা মাছৰ আৱদ্ধ পানীত অনায়াসে প্ৰজনন ঘটাই উন্নত জাতৰ পোনা পাব পাৰি। আজিকালি ভাৰতৰ সকলো ৰাজ্যত চৰকাৰী বা বেচৰকাৰী ভিত্তিত পোনা উৎপাদন কৰা হয়।

**<u>পিটুইটাৰী গ্ৰন্থি কি আৰু ক'ত থাকে ঃ-</u>**

সকলো মেৰুদণ্ডী প্ৰাণীৰ মস্তিস্কৰ ঠিক তলতে এটা অন্তঃশ্ৰাৱী গ্ৰন্থি থাকে-যাক পিটুইটাৰী গ্ৰন্থি বোলে। ইয়াৰ পৰা ৯টা হৰমন ক্ষৰণ হয়। এই হৰমন সমূহে দেহৰ সাধাৰণ বৃদ্ধি, বিপাক আদি নিয়ন্ত্ৰিত কৰাৰ উপৰিও জনন গ্ৰন্থি তথা জননকোষ গঠনত সহায় কৰে। ১ কেঃ জিঃ ওজনৰ মাছ এটাত এই গ্ৰন্থিটোৰ ওজন প্ৰায় ৩ মিঃ গ্ৰাঃ হয় আৰু ই চাগু দানাৰ আকৃতি আৰু বগা আকাৰৰ হয়। মাছ এটাৰ কটা মূৰৰ পৰা অনায়াসে এই গ্ৰন্থি উলিয়াব পাৰি। সাধাৰণতে জীয়াই থকা মাছ বা কেইমিনিটমান আগতে মৰা মাছৰ পৰা গ্ৰন্থি সংগ্ৰহ কৰা হয়।

**<u>পৰিমাণ</u>** ঃ প্ৰৰোচিত প্ৰজনন কাৰ্যত পিটুইটাৰী গ্ৰন্থিৰ ব্যৱহাৰৰ কাৰণে মাছৰ ওজন ১ কেঃ জিঃ তকৈ বেছি হ'ব লাগে কাৰণ তেহে মাছৰ জনন গ্ৰন্থি সম্পূৰ্ণৰূপে পৈনত হয়। প্ৰৰোচিত প্ৰজননৰ কাৰণে মতা আৰু মাইকী মাছৰ অনুপাত ২ঃ১ হয়। অৰ্থাৎ এটা মাইকীৰ বিপৰীতে দুটা মতা মাছ ব্যৱহাৰ কৰিব লাগে। প্ৰতিটো প্ৰজননৰ আগত মাইকী মাছটোক ৬ ঘণ্টাৰ ব্যৱধানত দুবাৰ পিটুইটাৰী হৰমনৰ বেজী দিব লাগে। মতা মাছটোক এবাৰ বেজী দিলেই হয়। প্ৰতিটো মাছৰ কাৰণে দেহৰ ওজন অনুপাতে পিটুইটাৰী

হৰমনৰ পৰিমাণ নিৰ্ণয় কৰা হয়। সাধাৰণতে মাইকী মাছৰ প্ৰতিকেজি ওজনৰ বিপৰীতে ৭-১০ মিঃ গ্ৰাঃ পিটুইটাৰী গ্ৰন্থিৰ আৱশ্যক হয়। মতা মাছৰ ক্ষেত্ৰত ৩ মিঃ গ্ৰাঃ পিটুইটাৰীৰ আৱশ্যক হয়।

**পিটুইটাৰী গ্ৰন্থিৰ প্ৰস্তুত কৰণঃ-** মাছৰ ওজন হিচাপে কিমান ওজনৰ পিটুইটাৰী গ্ৰন্থিৰ আৱশ্যক সেই অনুপাতে আগতে ওজন কৰি থোৱা পিটুইটাৰী গ্ৰন্থিবোৰ হোমোজেনাইজাৰ (Homogenizer) ত ভৰাই ভালদৰে মিহলাই অলপ পৰিশুদ্ধ পানী মিহলাই তাৰ পাছত গ্ৰন্থিৰ ওজনৰ সমপৰিমাণৰ পৰিশুদ্ধ পানী মিহলি কৰি সৰু বটলত ভৰাই খিলা মাৰি ৰখা হয়। ইনজেকচন দিয়াৰ আগমুহূৰ্ত্তত বটলত ভৰাই থোৱা দ্ৰৱখিনি ৫ মিনিট সময় ১০০০ rpm অত Centrifuge মেচিনত ঘূৰাব লাগে। Centrifuge মেচিনত ঘূৰোৱাৰ ফলত পিটুইটাৰী গ্ৰন্থিৰ মাংসল অঞ্চলত জমা হয়। এনে কৰাৰ ফলত বেজীত মাংসল অংশৰ ওপৰত থকা পৰিশ্ৰুত খিনি বেজীত অনায়াসে ল'ব পাৰি।

আজিকালি বজাৰত Ovaprim আৰু Ovatide নামৰ দুবিধ হৰমনৰ দৰে কাম কৰা দৰৱ পোৱা যায়। এই দৰৱ কেইটা বেজীত পোনে পোনে ভৰাই বেজী দিলেই হয়।

ইয়াৰ উপৰিও ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থাৰ অনুমোদন ক্ৰমে Human Chorionic Gonadotropin (H.C.G.) প্ৰয়োগ কৰিও বিভিন্ন মাছৰ আৱদ্ধ অৱস্থাত প্ৰজনন সম্ভৱ হৈছে। H.C.G. হ'ল গৰ্ভৱতী মহিলাৰ প্ৰস্ৰাৱৰ লগত নিষ্কাষিত হোৱা হৰমণ। H.C.G. য়ে জনন অংগৰ বিকাশ- বৃদ্ধি ক্ষিপ্ৰতাৰে কৰে।

**কৃত্ৰিম প্ৰজনন প্ৰক্ৰিয়াঃ-** মাছবোৰক প্ৰথমে পিটুইটাৰী গ্ৰন্থিৰ বেজী প্ৰয়োগ কৰি আঠুৱা বা হাপাত এৰি দিয়া হয়। হাপাৰ পৰা ক্ৰমে সংবৰ্ধন পালন আৰু সঞ্চয় পুখুৰীত স্থানান্তৰ কৰা হয়। পদ্ধতিবোৰ তলত দিয়া হ'লঃ-

(ক) **হাপা বা আঠুৱা পদ্ধতিঃ-** হাপাবিলাক আচলতে একপ্ৰকাৰ আঠুৱা। এইবোৰ দীঘলে ৫-৬ ফুট আৰু বহলে ৩-৪ ফুট আৰু ওখই প্ৰায় ৩ ফুট। আঠুৱা বোৰ বাম পুখুৰী বা ধীৰে বৈ যোৱা নৈৰ দাঁতিত বাঁহৰ খুঁটি পুতি ওলোটাকৈ লগোৱা হয়। আঠুৱাৰ তলফালটো পানীত বুৰ গৈ থাকিব লাগে। প্ৰজনন হাপাত বেজী দিয়া মাছবোৰ ৰখা হয় আৰু নিষিক্ত হোৱাৰ লগে লগে কণী ফুটিবৰ বাবে প্ৰজনন হাপাৰপৰা হেচিং হাপালৈ স্থানান্তৰ কৰা হয়। পোনা হোৱাৰ লগে লগে সংবৰ্ধন পুখুৰীলৈ স্থানান্তৰ কৰা হয়।

(খ) **সংবৰ্ধন পুখুৰীঃ-** এই পুখুৰী ১.৫-৪ ফুট মাত্ৰ দ হোৱা উচিত। এনে পুখুৰীত মাংসভোজী মাছ থকা অনুচিত আৰু মাছে ভালপোৱা জলজ উদ্ভিদ থকা উচিত। মাছৰ দৈৰ্ঘ্য ৩-৫ ইঞ্চিমান হ'লে পালন পুখুৰীলৈ স্থানান্তৰ কৰা হয়।

(গ) **পালন পুখুৰীঃ-** এই পুখুৰী প্ৰায় ৩-৮ ফুট দ হয়। ফিংগাৰলিং বিলাক ইয়াত ডাঙৰ হ'বলৈ যথেষ্ট খাদ্যৰ যোগান ধৰি এৰি দিয়া হয়। পোনা মাছৰ দৈৰ্ঘ্য ৮-১০ ইঞ্চি হলে সঞ্চয় পুখুৰী লৈ স্থানান্তৰ কৰা হয়।

(ঘ) **সঞ্চয় পুখুৰীঃ-** এই পুখুৰীৰ আকাৰ বৃহৎ। ৮-১০ ইঞ্চি আকাৰৰ মাছবোৰ এনে পুখুৰীত মেলি দিয়া হয়। খাদ্য আৰু মুক্ত পৰিবেশত মাছবোৰ ক্ষিপ্ৰগতিত বৃদ্ধি হবলৈ ধৰে।

**মীন পালনৰ এটি নিৰ্দেশক চিত্ৰ**




❖❖❖





# এক্স-ৰশ্মিঃ মহাকাশ অধ্যয়ণৰ অন্যতম আহিলা

হিৰণ্য কুমাৰ দাস
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

এক্স–ৰে বা ৰঞ্জন ৰশ্মি নামটো আমাৰ সকলোৰে পৰিচিত। অতি বেগুনীয়া বা গামা ৰশ্মিৰ দৰে ই এবিধ অতি উচ্চ কম্পনাংকৰ বিদ্যুৎ চুম্বকীয় তৰংগ। ইয়াক কৃত্ৰিম ভাৱে এক্স-ৰশ্মি জেনেৰেটৰৰ সহায়ত সৃষ্টি কৰিব পাৰি। এনেধৰণে পোৱা এক্স-ৰশ্মি আমাৰ বিভিন্ন কামত ব্যৱহাৰ কৰো। যেনে- কোনো ৰোগ নিৰ্ণয় বা ৰোগ নিৰাময়, কোনো দ্ৰব্যৰ বেলেগ- বেলেগ উপাদান বিলাক বিশ্লেষণ কৰা বা কোনো পদাৰ্থৰ অনু-পৰমাণুৰ বুজ লোৱা ইত্যাদি।

মহাজাগতিক ৰঞ্জন ৰশ্মিৰ অধ্যয়ণ পদাৰ্থ বিজ্ঞানৰ এটা গুৰুত্বপূৰ্ণ বিভাগ। আমাৰ বায়ুমণ্ডলে বহিঃ জগতৰ পৰা অহা এক্স-ৰশ্মি শোষণ কৰে আৰু আমাৰ পৃথিৱীক এক্স-ৰশ্মিয়ে কৰিব পৰা সকলো বিপদৰ পৰা ৰক্ষা কৰে। গতিকে বহিঃ জগতৰ পৰা অহা এই মহাজাগতিক এক্স-ৰশ্মিৰ সম্পৰ্কে সকলো বিলাক অধ্যয়ণ বেলুন, ৰকেট, উপগ্ৰহ আদিৰ সহায়ত পৃথিৱীৰ বায়ুমণ্ডলৰ বাহিৰত কৰা হয়।

সূৰ্যৰ পৰা অহা এক্স-ৰশ্মি $V_2$ নামৰ ৰকেটৰ জৰিয়তে ১৯৪৯ত আমেৰিকাৰ ন'ভাল ৰিছাৰ্চ লেবৰেটৰিত প্ৰথমতে ধৰা পেলোৱা হৈছিল। হৰ্বাট ফ্ৰিয়েডমেন আৰু তেওঁৰ সহযোগী সকলে প্ৰায় ১১ বছৰ সূৰ্যৰ গাত থকা কলা অংশৰ পৰা নিৰ্গত এক্স-ৰশ্মি অধ্যয়ণ কৰিছিল। ১৯৬২ চনত বিকাৰড' গিয়াকনি আৰু তেওঁৰ সহযোগী বিজ্ঞানী সকলে বিশেষ ধৰণে সাজি উলিওৱা এটা দূৰবীক্ষণ যন্ত্ৰৰ সহায়ত সৌৰজগতৰ বাহিৰত নক্ষত্ৰমণ্ডলৰ স্কপিঅ' Seox - I ত এক্স ৰশ্মিৰ এটা উৎস বিচাৰি পাইছিল। এই পাতল নীলা ৰঙৰ নক্ষত্ৰটোৰ উষ্ণতা আছিল ৫০ নিযুত ডিগ্ৰী ছেন্টিগ্ৰেড আৰু ইয়াৰ উজ্বলতা বঢ়া-টুটা হৈ আছিল। ইয়াৰ কেইবছৰমান পিছত অৱশ্যে এনে বহুতো এক্স-ৰশ্মিৰ উৎস আৱিষ্কাৰ হৈছিল।

মহাজাগতিক এক্স-ৰশ্মি অধ্যয়ণৰ ক্ষেত্ৰত ৰকেটৰ যোগেদি বিশেষ সম্ভেদ নোপোৱাৰ বাবে উহুৰো নামেৰে পৰিচিত আমেৰিকাৰ উপগ্ৰহ এক্সপ্ল'ৰা - ৪২ক জ্যোৰ্তি বিজ্ঞানী সকলে ১৯৭০ চনত মহাকাশত পঠিয়াইছিল। ই প্ৰায় ৩ বছৰ কাল মহাকাশত থাকি বহুতো আকৰ্ষণীয় আৰু গুৰুত্বপূৰ্ণ তথ্যপাতি সংগ্ৰহত সহায় কৰিছিল। উহুৰোৰ প্ৰধান আৱিষ্কাৰটো আছিল আমাৰ তাৰকাপুঞ্জত থকা দ্বিঅংগী নক্ষত্ৰ - ব্যৱস্থা । এই নক্ষত্ৰ ব্যৱস্থাত পদাৰ্থ এটা ডাঙৰ নক্ষত্ৰৰ পৰা সৰু লগৰীয়া নক্ষত্ৰলৈ একেৰাহে পৰিবৰ্তন তথা স্থানান্তৰ হয়।

উহুৰোৰ পৰা পোৱা তথ্যৰ ওপৰত ভিত্তি কৰি ১৯৭০ চনত বহুতো উপগ্ৰহৰ যোগেদি মহাকাশৰ পৰা অহা এক্স-ৰশ্মি অধ্যয়ন কৰা হৈছিল। এইবিলাকৰ ভিতৰত নেডাৰলেণ্ডৰ এষ্ট্ৰন'মিকেল ছোচাইটিৰ নেডাৰলেণ্ড উপগ্ৰহ, মাৰ্কিন এয়াৰ ফ'ৰ্ছৰ ভেৰা উপগ্ৰহ, আমেৰিকাৰ কপাৰনিকাছ আদি উল্লেখযোগ্য । ১৯৭৫ চনত পঠোৱা ভাৰতৰ আৰ্যভট্টতো এক্স-ৰশ্মি পৰীক্ষা কৰা আহিলাপাতি পঠোৱা হৈছিল। ইয়াত দুটা দূৰবীক্ষণ যন্ত্ৰ আছিল। মাত্ৰ পাঁচদিনৰ কাৰণে কাৰ্যক্ষম হ'লেও সেই যন্ত্ৰ কেইটাৰ সহায়ত আমাৰ তাৰকাপুঞ্জৰ হাতীপটীৰ মাজভাগত এক্স-ৰশ্মিৰ উৎস থকাৰ প্ৰমাণ পোৱা গৈছিল।

১৯৭৭ চনলৈ ৪০০টা মান এক্স-ৰশ্মিৰ উৎস আৱিষ্কৃত হৈছিল। এইবিলাকৰ বেছিভাগেই আমাৰ তাৰকাপুঞ্জৰ অথবা তাৰকাপুঞ্জৰ আটাইতকৈ ওচৰত থকা আন তাৰকাপুঞ্জৰ বৰ বেছি শক্তিশালী আৰু উজ্বল এক্স-ৰশ্মিৰ উৎস । আনহাতে বেছি দূৰত থকা অনুজ্বল উৎসবিলাক ধৰা পেলাবলৈ বেছি শক্তিশালী যন্ত্ৰ ব্যৱহাৰ কৰিব লাগে ।

ইয়াৰ পিছত ১৯৭৮ চনলৈ যিবিলাক যন্ত্ৰপাতি মহাকাশলৈ এক্স-ৰশ্মিৰ পৰীক্ষাৰ কাৰণে পঠোৱা হৈছিল এই সকলোবিলাকেই আকাশ ক্ৰমবীক্ষণ শ্ৰেণীৰ আছিল। কিন্তু প্ৰথম বাৰৰ কাৰণে এক্স-ৰশ্মি নিৰীক্ষণৰ কাৰণে স্থাপন কৰা আইনষ্টাইন বীক্ষনাগাৰ কোনো নিৰ্দিষ্ট বিন্দুত স্থিৰ কৰি ৰাখিব পৰা ব্যৱস্থা আছিল । এনেধৰণৰে নিৰ্দিষ্ট দিশত ৰাখিব পৰা যন্ত্ৰপাতিয়ে উহুৰোতকৈ ১০০০ গুন আৰু Seox - I তকৈ ১০ নিযুত গুণে কম উজ্বল এক্স-ৰশ্মিৰ উৎস ধৰা পেলাব পাৰে।

আগতে কিছুমান বিশেষ ধৰণৰ নক্ষত্ৰইহে •এক্স-ৰশ্মি নিৰ্গত কৰে বুলি ভবা হৈছিল । ধাৰণা কৰা হৈছিল যে যিবিলাক নক্ষত্ৰৰ উষ্ণতা ৫৫০০ ডিগ্ৰী কেলভিনৰ পৰা ১০,০০০ ডিগ্ৰী কেলভিনৰ ভিতৰত , সেই বিলাকেহে এক্স-ৰশ্মি নিৰ্গত কৰে; কিন্তু আইনষ্টাইন বীক্ষানাগাৰে এই ধাৰণা ভুল বুলি আৰু বিশ্বব্ৰহ্মাণ্ডত ই এটা সাধাৰণ পৰিঘটনা বুলি দেখুৱালে। ১৯৮৩ চনত আমেৰিকাৰ এটা ৰকেটৰ সহায়ত ইউৰোপীয় এজেন্সিয়ে Exosat নামৰ কৃত্ৰিম উপগ্ৰহ এটা এক্স-ৰশ্মিৰ অধ্যয়ণৰ কাৰণে পঠাইছিল। মহাকাশত প্ৰায় তিনিবছৰ কাল থাকি ই প্ৰায় ২০০০ টা এক্স-ৰশ্মিৰ উৎস নিৰীক্ষণ কৰিছিল ।

জাৰ্মেনি, বৃটেইন আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰই মিলি ১৯৯০ চনত ৰছাট নামৰ উপগ্ৰহ এটা এক্স-ৰশ্মিৰ অধ্যয়ণৰ কাৰণে পঠাইছিল । এই উপগ্ৰহৰ অন্যতম উদ্দেশ্য আছিল - নক্ষত্ৰবিলাকত থকা হাইড্ৰজেন গেচৰ মাজেৰে নিৰ্গত এক্স-ৰশ্মিৰ অধ্যয়ণ কৰা । এনে ধৰণৰ অধ্যয়ণে আমাৰ তাৰকাপুঞ্জৰ বাহিৰতো এক্স-ৰশ্মিৰ উৎসৰ সন্ধান দিছিল।

এক্স-ৰশ্মি দূৰবীক্ষণৰ সংবেদনশীলতা বঢ়াৰ লগে - লগে লক্ষ্য কৰা গ'ল যে, আমাৰ ওচৰতে থকা সূৰ্যৰ পৰা আৰম্ভ কৰি বহুত দূৰত থকা কোৱাছাৰবিলাক পৰ্যন্ত প্ৰায় সকলো বিলাক নক্ষত্ৰজাতীয় বস্তুৱেই এক্স-ৰশ্মি নিৰ্গত কৰে। শক্তিশালী এক্স-ৰশ্মি দূৰবীক্ষণৰ আগমনে মহাজাগতিক এক্স-ৰশ্মি অধ্যয়ণৰ জগতখন ক্ৰমাৎ বিস্তৃত কৰি আনিছে। আগত দিনত এই অধ্যয়ণে মহাজাগতিক ৰহস্যৰ ন ন সম্ভেদ দিব পাৰে বুলি জ্যোৰ্তিবিদ সকলে আশা কৰিছে।

..............

# চন্দ্ৰকুমাৰৰ কবিতাত মানৱ-প্ৰীতি আৰু মানৱ-জীৱন — এটি আলোচনা

নিতুল নাথ
স্নাতক ২য় বৰ্ষ (কলা)

পকৃতি প্ৰেম'ত উদ্বাউল হোৱা অসমীয়া সাহিত্যৰ কবিতাৰ পথাৰখনত এক যুগস্ৰষ্টা মানৱপ্ৰেমী কবি হ'ল চন্দ্ৰকুমাৰ আগৰৱালা। পশ্চিমীয়া ৰোমান্টিক ভাবাদৰ্শৰে পৰিপুষ্ট হৈ অসমীয়া কবিতালৈ ৰোমান্টিক ভাবধাৰা বিস্তাৰ কৰি, যিজনে আধুনিক কবিতাৰ ধাৰাৰ দুৱাৰ খুলি দিছিল, সেইজনা ৰোমান্টিক কবিয়ে হ'ল চন্দ্ৰকুমাৰ আগৰৱালা। অসমীয়া কবিতাৰ পথাৰখনত এক নতুন বীজ সিঁচি সোণোৱালী সেউজ শস্যৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা কবিসকলৰ অগ্ৰণী তেওঁ। অসমীয়া সাহিত্যৰ যুগস্ৰষ্টা আলোচনী 'জোনাকী'ৰ (১৮৮৯-৯৯) মূল হোতা তেওঁ। ৰোমান্টিক কবি হিচাপে তেওঁ তেওঁৰ সমকালীন কবিসকলৰ অদ্বিতীয় বুলিয়ে ক'ব পাৰি। 'জোনাকী'ৰ প্ৰথম সংখ্যাতে প্ৰকাশিত 'বনকুঁৱৰী' কবিতাটোতে ৰোমান্টিক ভাবাদৰ্শৰ লক্ষণ সমূহ পৰিস্ফুট হৈ উঠে। এয়ে অসমীয়া সাহিত্যত ৰোমান্টিক ভাবাদৰ্শৰ প্ৰথম ৰেঙনি। ড° মহেশ্বৰ নেওগে তেওঁৰ 'অসমীয়া সাহিত্যৰ ৰূপৰেখা'ত কোৱাৰ দৰে - "জোনাকীৰ প্ৰথম সংখ্যাতে আগৰৱালাৰ বনকুঁৱৰী কবিতাটি ওলাই বহুতকে 'বিস্ময়-বিমিশ্ৰিত-আনন্দ' লাভ কৰাইছিল। এয়ে অসমীয়া কবিতাত ৰোমান্টিচিজমৰ প্ৰথম শিহৰণ।" সচাঁকৈয়ে 'বনকুঁৱৰীত "প্ৰকৃতিৰ ক্ষুদ্ৰতম বস্তুবোৰৰ মাজতো মানুহৰ প্ৰাণত কাৰণ নেদেখা আনন্দৰ ঢৌ", সৃষ্টি কৰিব পৰা অপূৰ্ব সৌন্দৰ্য্যৰ স্বে-মহিম্নি ৰূপৰ শিহৰণ আছে। সৌন্দৰ্য্য-বোধ বা নান্দনিক চেতনা হ'ল চন্দ্ৰকুমাৰৰ কাব্য - চেতনাৰ ঘাই আধাৰ। এই চেতনাৰেই তেওঁ কবিতা ৰচিলেও তেওঁৰ কবিতাৰ আন এটি চকুত পৰা দিশ হ'ল - মানুহৰ প্ৰতি তেওঁৰ হৃদয়ত থকা অকৃত্ৰিম স্নেহ। তেওঁ মানুহ আৰু মানৱ-জীৱনক লৈ কবিতা ৰচনা কৰিলে। তেওঁৰ কবিতা সম্পৰ্কত ড° নগেন শইকীয়াই কোৱাৰ দৰে - "মানুহৰ প্ৰতি প্ৰেম আৰু মানৱ প্ৰেমৰ প্ৰসংগ তেওঁৰ কবিতাৰ বিভিন্ন স্থানত ধ্বনিত-প্ৰতিধ্বনিত হৈছে। এই মানৱ-প্ৰেম তেওঁৰ কবিতাৰ অন্যতম ঘাই আধাৰ।" - সচাঁকৈয়ে চন্দ্ৰকুমাৰ মানৱ-প্ৰীতিত গভীৰভাৱে পৰিছিল। "এফালে প্ৰকৃতিৰ সৌন্দৰ্য্যত ব্যাখ্যাহীন, স্পৰ্শাতীত ৰূপৰ উপলব্ধি, আনহাতে তাৰ মাজত "সৰ্বাত্মবাদী বোধ"ৰ অনুভৱ ; এফালে গভীৰ মানৱপ্ৰেম আৰু আনফালে গভীৰ অধ্যাত্ম দৃষ্টি-এই সকলোৰে চন্দ্ৰকুমাৰৰ মাজত প্ৰকাশ ভিক্ষা কৰিছে।" মানুহলৈ থকা স্নেহ আৰু পথভ্ৰষ্ট মানৱ সমাজক আধ্যাত্মিকতাৰ সন্মোহনী গুণেৰে মোহিত কৰি জীৱন পথত সহায় কৰাৰ এক মানবিক দৃষ্টিভংগী তেওঁৰ কবিতাত পৰিস্ফুট হয়।

এই প্ৰসংগতে তেওঁৰ কবিতাত মানৱপ্ৰেম আৰু মানৱ জীৱন নো কিদৰে প্ৰতিফলিত হৈছে, সেইটো বিশ্লেষণ কৰা উচিত হ'ব। তেওঁৰ ৰচিত কবিতা পুথি দুখন হ'ল - 'প্ৰতিমা' (১৯১৩) আৰু 'বীণ-বৰাগী' (১৯২৬)। এই কবিতাবোৰ 'জোনাকী আৰু 'বাঁহী' আলোচনীত প্ৰকাশিত হৈছে। পিচত কবিতাবোৰৰ সংকলিত ৰূপ ওলায়। ৰোমান্টিক ভাবাদৰ্শপুষ্ট এই কবিতাবোৰত মানৱ-প্ৰীতিৰ এক গভীৰ অনুভূতি আছে। কবি মানুহৰ স্নেহত উদ্বাউল হৈ উঠিল আৰু মানৱৰ জয়গান ঘোষণা কৰিলে - "মানৱী জনম দিয়া উটুৱাই / মানৱী কৰম সোঁতে," আৰু "মানুহেই দেৱ মানুহেই সেৱ,

মানুহ বিনে নাই কেৱ।
কৰঁা কৰঁা পূজা - পাদ্য অৰ্ঘ্য লই —
জয় জয় মানৱ দেৱ!"

মানৱক 'দেৱ' ৰূপে কৰা কল্পনা প্ৰৱণ মানসিকতাৰ মুক্ত প্ৰকাশ হ'লেও তাতে গভীৰ ভাৱে সোমাই আছে, তেওঁৰ গভীৰ মানৱ প্ৰীতি। এইদৰে, মানৱ প্ৰীতি তেওঁৰ থাকিলেও মানৱ সমাজৰ ঈৰ্ষা-অসূয়া, কপটতাও তেওঁৰ কবিতাত প্ৰস্ফুটিত হৈছে লোকবিশ্বাসৰ আধাৰত ৰচা, তেওঁৰ "তেজীমলা" কবিতাটোত "মানুহ কুটুমে দলিয়াই পেলালে/কাকনো কুটুম পালি ?", "মানুহে মানুহে ইমানহে মৰম/চকুলো পৰে সুঁৰুৰি, "মানুহ মিতিৰ বৰ মৰমৰ/পাতিছে কিহৰ জাল ?" এইবোৰ 'তেজীমলা' কবিতাটোত- বৰ্ণিত মানৱ সমাজৰ হিংসা, বিদ্বেষ, শঠতা আদিৰ প্ৰৱল অনুভূতি। মানৱ-জীৱনৰ বাস্তৱসন্মত বিভিন্ন দিশ তেওঁৰ কবিতাসমূহত প্ৰতিফলন ঘটিছে। ভোগবাদী সমাজৰ ভোগ প্ৰৱণ মানসিকতাত মানুহে সংসাৰ অন্ধকূপত বলিয়াৰ দৰে সুখ, শান্তি বিচাৰি ফুৰে তাৰে প্ৰতিফলন ঘটিছে তেওঁৰ "সুখ" আৰু "শান্তি" কবিতা দুটাত। "সুখ সুখ বুলি বিয়াকুল নৰ / নেপায় সুখৰ বুজ সুখ নোহে ইটো জগতৰ বস্তু / সুখ যে মায়াৰ বিত।" (সুখ) এইদৰে (তেওঁৰ মতে) মানুহে বাস্তৱৰ মায়ামোহ-জঞ্জালত পৰি সুখ বিচাৰি ফুৰে ; কিন্তু, সুখ বিচাৰি নেপায় কাৰণ-সুখ মনৰ তলিৰ পৰা বই আছে"/ লুকায় বাহিৰ বালিত।" মানুহৰ মনতেই সুখ থাকে যদিও সমাজৰ (বাহিৰ বালি) হিংসা, বিদ্বেষে সেই সুখ উপভোগ কৰাত মনক বাধা দিয়ে। এইবোৰ মানুহৰ মানসিক দিশৰ-সূক্ষ্ম পৰ্য্যবেক্ষণ। মানৱ-প্ৰেমেই যে শান্তিৰ আলয় তাৰে প্ৰতিফলন "যি প্ৰেমেই তোমাৰ সম্বল/ সেয়ে স্পৰ্শমণি সংসাৰৰ", "প্ৰেমেই যে শান্তি জগতৰ।" (শান্তি) এই বাক্য দুটিত ঘটিছে। আধ্যাত্মিকতাবাদি মনোভাৱৰ প্ৰতিফলন ঘটিছে তেওঁৰ "বিশ্ব-ভাৱৰীয়া" কবিতাটোত —

"তুমিয়েই ভাৱৰীয়া ৰূপে বিশ্বজুৰি
ক্ৰীড়িছা হে মানৱাত্মা লীলা দেখুৱাই।"

মানুহে সংসাৰৰ মোহত পৰমাৰ্থিক তত্ব পাহৰি যায়। মানুহ মাথো মানুহৰ কৰ্ম দেখুৱাই ভ্ৰমি ফুৰা "বিশ্ব-ভাৱৰীয়া"। এইবোৰ মূলতঃ মানৱ-জীৱনত উপেক্ষিত হোৱা কিছু দিশ। আকৌ, তেওঁৰ "বীণ-বৰাগী" কবিতাত - "দুখ দূৰ কৰি জগৎ উদ্ধাৰ / কৰঁাহে জগৎস্বামী !", "মানুহেই দেৱ ইহঁ জগতৰ / মানুহেই পৰাৎপৰ।" আৰু "দিব্য দৃষ্টিৰে চোৱাঁহে জগৎখন / প্ৰহেলিকা গুচি এয়ে জীৱন-ৰঞ্জন।" আদি অধ্যাত্মিকতাবাদী দৃষ্টিভংগীৰে মানুহৰ জীৱনটোক নতুনকৈ চোৱাৰ প্ৰয়াস। শাসক আৰু শোষিত শ্ৰেণীৰ সংগ্ৰাম, ধনীকশ্ৰেণীৰ দুৰ্বলীৰ ওপৰত অত্যাচাৰ আদি দৰ্শনৰ দৃষ্টিভংগী তেওঁৰ কবিতাত প্ৰতিফলিত হৈছে যদিও এইবোৰত তেওঁৰ মানৱ - প্ৰীতিহে বেছি প্ৰস্ফূটিত হৈছে- তেনে এটি কবিতা হ'ল "পশুবল"।-"ধনেই তোমাৰ পৰম সুখ, / ধনেই তোমাৰ ধৰ্ম।"— মূলতঃ ধনৰ গৰ্বত ওফন্দি মানুহবিলাকে যে-"স্বাৰ্থত বাজে নুবুজা একো,/ গৰাকী নিচিনা হ'লা।"-তাৰ বৰ্ণনা আছে। তেওঁ সিহঁতক বাট দেখুৱাব বিচাৰিছে –

"এতিয়াও সউ মাৰ যোৱা নাই -
ধৰ্মৰ ৰাঙলী বেলি -
মৰমৰ টানে আনিব সাঙুৰি,
মাতাঁ দুই বাহু মেলি।"

তেওঁৰ – বীণ-বৰাগী"তো – "দুখীয়াৰ দুখ দুৰ্বলীৰ শাস্তি/ দেখি ফাটি যায় হিয়া।", "ঘৰে ঘৰে চোৰাঁ মিলা-প্ৰীতি নাই/খোলা কটিতেহে প্ৰাণ,", "ধৰ্মৰ নামত অধৰ্মৰ বেহা/দেখিলে বিৰাগ হয়, ধনৰ লোভত পাপ সত্ৰ পাতি/ কপটী গুৰুৰ জয়।" — আদি সকলোবোৰ সমাজত (মানুহৰ) চলা কু -প্ৰবৃত্তিৰ বিৱৰণ। তেওঁৰ মনত এইবোৰ দেখি দুখ জাগিছে। সেইবাবে তেওঁ 'জগৎস্বামী'ক "নীচ হৃদয়ৰ নীচ অহংকাৰ / হওঁক অধোগামী।" — তাৰ বাবে আশীৰ্বাদ কৰিবলৈ প্ৰাৰ্থনা জনাইছে। এইবোৰ তেওঁৰ অন্তৰত সদা বিৰাজমান মানৱ-প্ৰীতিৰ প্ৰতিফলন। মানৱ-ইচ্ছাই সফল কৰ্মৰ মহান সাৰথি - এইখিনি কথাই প্ৰতিফলিত হৈছে তেওঁৰ 'ইচ্ছা' কবিতাটোৰ – "সৰ্বথা জিকিব সিটো ইচ্ছা যাৰ বলী / জীৱন যুদ্ধত ইচ্ছা প্ৰধান সাৰথি।" উক্তি কেইশাৰীত। 'আত্মদান'ত প্ৰতিফলিত হৈছে পাৰমাৰ্থিক তত্ব আৰু মানৱ- জীৱনৰ প্ৰকৃত কৰ্ম। 'যাত্ৰা'ত আছে মানুহৰ বাহ্যিক ৰূপত মোহনীয় যেন লগা মানৱ-জীৱনটোৰ কঠোৰ কৰ্মৰ দিশটোৰ কথা। "আশাসুখেই সংসাৰ"- - এই উক্তিশাৰীৰ মৰ্মাৰ্থ আৰু মানৱ - জীৱনত আশা থাকিলেও সকলো আশা পূৰণ হোৱাটো সম্ভৱ নহয় এই বাণী বিয়পিছে তেওঁৰ 'আশা' কবিতাটিত। দুখীজনৰ ধনহীন জীৱনত ঈশ্বৰ চিন্তা আৰু হৃদয়ৰ অকৃত্ৰিম মৰমেই যে মূল সম্পদ তাৰ বিৱৰণ আছে তেওঁৰ 'অকিঞ্চন' কবিতাত। এইদৰে আৰু উদাহৰণ তেওঁৰ কবিতাৰ পৰা উদ্ধৃত কৰিব পাৰি য'ত মানৱ-প্ৰেম আৰু মানৱ-জীৱনেই মূলতঃ ধ্বনিত – প্ৰতিধ্বনিত হৈছে।

'মানৱ-প্ৰেমী' ৰোমান্টিক কবি চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ প্ৰকৃতি সৌন্দৰ্য্য আৰু প্ৰকৃতিপ্ৰেমৰ পিচতেই তেওঁৰ কবিতাত স্থান পোৱা বিষয় হ'ল 'মানৱ-প্ৰীতি' আৰু 'মানৱ জীৱন'। "মানবিকতাবাদ তেওঁৰ ইয়াত লক্ষ্য, অধ্যাত্মবোধ অৱলম্বন" - ড° নগেন শইকীয়া। এইদৰে মানৱ-জীৱনৰ সুন্দৰ প্ৰতিফলন ঘটা তেওঁৰ কবিতাসমূহ তেওঁৰ কবি-প্ৰতিভাৰ উজ্জল নিদৰ্শন আৰু সৰ্বকালৰ বাবে আস্বাদনীয় সাৰ্থক কবিতা।

❖❖❖

# অসমীয়া গদ্য-সাহিত্যৰ জন্ম আৰু ক্ৰমবিকাশ

খৰ্গেশ্বৰ নায়ক
মুৰব্বী প্ৰৱক্তা, অসমীয়া বিভাগ

যিকোনো ভাষাৰ গদ্যতেই আদি অৱস্থাত তাৰ প্ৰকাশিকা শক্তি আৰু পৰিসৰ সীমিত । অসমীয়া গদ্যৰ বেলিকাও এই কথা প্ৰযোজ্য। যিকোনো জীৱন্ত ভাষাৰে অন্যতম লক্ষণ হ'ল ইয়াৰ গ্ৰহণ ক্ষমতা। যুগে যুগে বিকাশৰ ক্ষেত্ৰত আগবাঢ়োতে ই অন্য ভাষাৰপৰা শব্দ আৰু আন প্ৰকাশভংগী আহৰণ কৰি নিজক সমৃদ্ধ কৰে, কিন্তু আপোন চৰিত্ৰ ম্লান পৰিবলৈ নিদিয়ে; ঠিক যেন এখন নদী, বৈ যাওঁতে দুয়ো পাৰৰ অনেক জান-জুৰি বুকুত সোমাই লৈ নিজক সমৃদ্ধ কৰে, কিন্তু নিজৰ পৰিচয় অক্ষুন্ন ৰাখে। সাহিত্যৰ বাহনস্বৰূপে গদ্যই সুপ্ৰতিষ্ঠা লাভ কৰিছে বৰ্ত্তমান যুগত । পুৰণি সাহিত্যত অসমীয়া গদ্যৰ প্ৰয়োগ হৈছিল যদিও সি বৰ ব্যাপক আৰু জনপ্ৰিয় নাছিল। আধুনিক যুগত গদ্য কেৱল যুক্তি, তৰ্ক আৰু নীতিবাদৰ মাধ্যমেই নহয়, সৃষ্টিধৰ্মী সাহিত্যৰ অভূতপূৰ্ব বিকাশ গদ্যৰ জৰিয়তে ঘটিছে। অসমীয়া গদ্যই ষোড়শ শতাব্দীৰ শেষভাগত জন্ম লাভ কৰি সপ্তদশ শতিকাত বিস্তৃতি লাভ কৰে । দৈনন্দিন জীৱনৰ লগত সম্বন্ধ নোহোৱা ভাষাৰ সাঁচত জাতীয় সাহিত্যৰ এই নিবিড় বন্ধন যুক্ত কৰিলে মহাপুৰুষ শংকৰদেৱে । অসমীয়া সাহিত্যৰ ভাওনা ঘৰত অঙ্কীয়া নাটৰ অভ্যুত্থান। অঙ্কীয়া নাটসমূহতেই অসমীয়া গদ্যৰ প্ৰথম বিকাশ ।

## অঙ্কীয়া নাটৰ গদ্য

শঙ্কৰদেৱৰ অঙ্কীয়া নাটকৰ গদ্যত যি ভাষা ব্যৱহাৰ কৰা হৈছে সেই ভাষাটো ব্ৰজাৱলী ভাষা। ব্ৰজাৱলী ভাষা মূলতে মৈথিলী ভাষাৰপৰা উদ্ভৱ হলেও, ই অসমীয়া কবিৰ হাতত নিজস্ব ৰূপত প্ৰতিভাত হৈছিল। কথোপকথনতে নাটকৰ জন্ম ; সেয়ে গদ্য সাহিত্যৰো আদিৰূপ নাটকৰ ৰচনাৰ লগে লগে শঙ্কৰদেৱৰ এটি উপযোগী লয়যুক্ত গদ্য ভাষাৰ প্ৰয়োজন হৈছিল। অঙ্কীয়া নাটৰ গদ্যত কথ্য ভাষাৰ ৰীতিৰো পৰিচয় আছে । জনশিক্ষা প্ৰচাৰত অঙ্কীয়া নাটৰ দান অতুলনীয়। কৃষ্ণ চৰিত্ৰৰ মহীয়ান আখ্যানসমূহ প্ৰচাৰ কৰিবলৈ শংকৰদেৱে কেৱল অসমীয়াত প্ৰথম নাটকৰ সৃষ্টি কৰাই নাছিল, অসমীয়া গদ্য সাহিত্যৰো তেওঁ জন্মদাতা, কিন্তু শংকৰদেৱৰ নাটত থকা গদ্যসমূহত প্ৰকৃত গদ্যৰ ভাষা ব্ৰজাৱলী। দ্বিতীয়তে ইয়াৰ গদ্য পদ্যৰ দৰে লয়যুক্ত। বহুত বাক্যৰ দীৰ্ঘতা একে আৰু বাক্যৰ শেষৰ ধ্বনিৰ মিল আছে। বাক্যত স্বৰযুক্ত শব্দৰ প্ৰয়োগ বেছি। গতিকে তেনে গদ্যক পদ্য যেনহে লাগে। উদাহৰণস্বৰূপে 'জগতক নাথে ৰুক্মিনীক মাথে পাৰিজাত পিন্ধাৱল'।

## ভট্টদেৱৰ গদ্য

ভট্টদেৱক অসমীয়া গদ্যৰ জনক বুলি কলে অকণো সত্যৰ অপলাপ কৰা নহয়। ভট্টদেৱে তিনিখনকৈ গ্ৰন্থ গদ্যত ৰচনা কৰি অসমীয়া গদ্যৰ আৰ্হি দেখুৱাই থৈ গৈছে। ভট্টদেৱে যিকেইখন পুথি গদ্যত লিখিবলৈ লৈছিল সেইকেইখন পুথিৰ বিষয় বস্তু আছিল আধ্যাত্মিক তত্ত্বপূৰ্ণ। তেওঁৰ গ্ৰন্থকেইখনৰ মূল উপজীব্য আছিল সংস্কৃত গ্ৰন্থ । সেয়েহে তেওঁৰ গদ্যত প্ৰচুৰ তৎসম শব্দ সোমাই পৰিছিল। ভট্টদেৱৰ গদ্যত বাক্য বিন্যাসৰ প্ৰণালী নিখুঁত আৰু ব্যাকৰণ প্ৰয়োগ বিশুদ্ধ। ভট্টদেৱৰ কথাগীতাত সন্ধি আৰু সমাসৰো ব্যৱহাৰ আছে। নিষেধাৰ্থক 'ন' একাৰ বা আকাৰ যোগ নোহোৱাকৈ কথাগীতাৰ গদ্যত ব্যৱহাৰ হোৱা দেখা যায়। প্ৰথম পুৰুষৰ 'মই', 'মোৰ' শব্দৰ সলনি 'আমি' আৰু 'আমাৰ' শব্দৰ ব্যৱহাৰ কৰাও দেখা যায়।

প্ৰকৃত গদ্যৰ গুণ নিৰ্ণিত হয় বৰ্ণনীয় বিষয়ৰ প্ৰাঞ্জলতা, স্পষ্টতা (Clarity), ভাৱৰ সংক্ষিপ্ততা (Precision), বিষয়বস্তুৰ সংগতি লক্ষণ আৰু উপস্থাপন পদ্ধতিৰ ওপৰত। সংক্ষিপ্ততাই ৰচনাৰ আদৰ্শ হ'ব লাগে; কিন্তু সেই সংক্ষিপ্ততাৰ আঁৰত বহল বোধগম্যতা থাকিব লাগিব। লেখকৰ উদ্দেশ্য হ'ল পাঠকৰ আগত বক্তব্য প্ৰকাশ কৰা আৰু পাঠকৰ লক্ষ্য হ'ল লেখকৰ বক্তব্য যথাযথ হৃদয়ঙ্গম কৰা। সেইকাৰণে স্পষ্টতা গদ্যৰ অন্যতম গুণ। এনেদৰে উপস্থাপন আৰু প্ৰকাশভঙ্গী বা বিশিষ্ট ৰচনা পদ্ধতি গদ্যৰ বিশিষ্টতম লক্ষণ। কৃত্ৰিমতা পৰিহাৰ কৰি সৰল আৰু প্ৰতীকধৰ্মী কৰি তুলিব পৰাটোৱে লেখকৰ কৃতিত্ব। প্ৰকৃত গদ্যশৈলীয়ে ভাৱ বা ৰস অথবা উভয়ৰে উপযুক্ত বাহক হ'ব লাগিব। আন কথাত সঞ্চাৰণ (Communication)ইয়াৰ যোগ্যতাৰ মাপকাঠি ।

## ব্যৱহাৰিক জ্ঞানৰ পুথিৰ গদ্য

মহাৰাজ ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ ৰাজত্বকালত অসমীয়া গদ্যত কেইবাখনো ব্যৱহাৰিক জ্ঞানৰ পুথি ৰচনা কৰা হৈছিল।





হৈছিল। সেইবোৰৰ ভিতৰত সুকুমাৰ বৰকাথৰ সচিত্ৰ 'হস্তীবিদ্যাৰ্নৱ'ৰ ভাষাৰ লগত বুৰঞ্জীৰ ভাষা একে। 'কামৰত্ন তন্ত্ৰ'ত বশীকৰণ, স্তম্ভন, মাৰণ, উচাতন কেনেকৈ সাধন কৰিব পাৰি তাক বৰ্ণনা কৰা হৈছে। বাগীশ্বৰিজৰ সম্ভৱতঃ কামন্দকীয় নীতিশাস্ত্ৰৰ সংগ্ৰহ 'নীতি-লতাঙ্কুৰ'। এই 'নীতি-লতাঙ্কুৰ' গ্ৰন্থৰ মূল পাঠসমূহ সংস্কৃতত, কিন্তু তাৰ ভাঙনি সমূহ অসমীয়া গদ্যৰ বিশুদ্ধ চানেকি। মূল শ্লোকৰ ভাঙনিৰ ভাষা প্ৰসন্নগম্ভীৰ। এই গদ্য বুৰঞ্জীৰ গদ্যৰ সমপৰ্য্যায়ৰ। এইবোৰ গ্ৰন্থ ৰাজঘৰীয়া অনুপ্ৰেৰণাত ৰচিত হৈছিল আৰু ব্যৱহাৰিক বিষয়ৰ পুথি কাৰণেই ব্যৱহাৰিক ভাষাৰ প্ৰয়োগ এইবোৰত লক্ষ্য কৰা যায়।

## ৰঘুনাথ মহন্তৰ গদ্য

ৰঘুনাথ মহন্তৰ 'কথা ৰামায়ণ'ত কথিত শব্দ আৰু ব্ৰজাৱলী শব্দৰ প্ৰয়োগ বৰ বেছি। কথিত ভাষাৰ ক্ৰিয়াপদৰ ব্যৱহাৰো 'কথা ৰামায়ণ'ত পোৱা যায়। ফুৰন্ত, বোলন্ত আদি ব্ৰজাৱলী ক্ৰিয়াৰূপৰ ব্যৱহাৰ 'কথা-ৰামায়ণ'ত আছে। 'কথা-ৰামায়ণ'ত ব্ৰজাৱলী সৰ্বনামৰো ব্যৱহাৰ দেখা পোৱা যায়। ঘৰুৱা শব্দৰ লগত ৰঘুনাথ মহন্তই ঠায়ে ঠায়ে অলঙ্কাৰযুক্ত সন্ধি আৰু সমাসযুক্ত শব্দৰ ব্যৱহাৰ নকৰাকৈ থকা নাছিল। 'কথা-ৰামায়ন'ত কথোপকথনৰ প্ৰাধান্য থকা দেখা যায়। সেইবাবে ইয়াৰ গদ্যই নাটকীয় গুণ আহৰণ কৰিছে। 'কথা-ৰামায়ন'ত বাক্যবোৰ চুটি চুটি। সেইবোৰ দ্ৰুতগতি সম্পন্ন হৈছে।

## চৰিতপুথিৰ গদ্য

গদ্য চৰিত পুথিৰ ভাষা ভট্টদেৱৰ পুথিৰ ভাষাৰপৰা পৃথক যদিও বুৰঞ্জীৰ লগতো একে নহয়। কথিত ভাষাৰে এটি অতিশয় পৰিমাৰ্জিত ৰূপ ইয়াত পোৱা যায়। এই গদ্যত সত্ৰীয়া ভকত সমাজত ৰূপ যেনেকৈ আছে তেনেকৈ ঠাই বিশেষে পদ-পুথিৰ ভাষাও ব্যৱহাৰ কৰিছে। উপমা, দৃষ্টান্ত, পদ-পুথিৰ উদ্ধৃতি, খণ্ডবাক্য, যোজনা, ফকৰা আৰু-প্ৰত্যক্ষ উক্তিৰ সঘন প্ৰয়োগৰ দ্বাৰা বৰ্ণনা ৰসাল কৰি তোলা হয়। ঠায়ে ঠায়ে ৰূপকাত্মক বা ব্যাখ্যামূলক কাহিনী অৱতাৰণা কৰি বিষয়বস্তুৰ উপস্থাপন ৰীতি ৰসাল কৰি তোলা দেখা যায়।

## বুৰঞ্জীৰ গদ্য

বুৰঞ্জীৰ গদ্যৰ দুই প্ৰধান বৈশিষ্ট্য হ'ল - ই বস্তুনিষ্ঠ আৰু বিষয়ী। অন্যান্য বৈশিষ্টৰ ভিতৰত আছে প্ৰাঞ্জলতা আৰু ভাৱ প্ৰৱণতাৰ পৰা মুক্ত। ভাৱিবলাসৰ অৱতাৰণাই বস্তুনিষ্ঠা ম্লান কৰে বা ততোধিক হ্ৰাস কৰে। কল্পনাৰ ঠাই বুৰঞ্জীৰ গদ্যত থাকিব নোৱাৰে। অনাহক বাহুল্য ইয়াত নাই। ইয়াত কথাও পোনপটীয়া, অৰ্থও পোনপটীয়া। বুৰঞ্জীৰ গদ্য সাধাৰণতে উকা গদ্য, নিৰাভৰণ গদ্য। বাক্যবোৰৰ গঠন শৈলীও সৰল। সহজসাধ্যতা, সংযম আৰু গাম্ভীৰ্য্য ইয়াৰ অন্যান্য বৈশিষ্ট্য। বুৰঞ্জীৰ গদ্যত তৎসম শব্দৰ প্ৰয়োগ তাকৰীয়া। জতুৱা ঠাঁচ আৰু থলুৱা মাতকথাৰ সঘন প্ৰয়োগ আৰু সমকালীন অন্যান্য সংশ্লিষ্ট ভাষাৰ পৰা শব্দ গ্ৰহণ এই গদ্যৰ আন আন বৈশিষ্ট্য । প্ৰকাশ শক্তিৰ পৰিস্ফুৰন এই গদ্যৰ আন এক বৈশিষ্ট্য।

## অৰুণোদয় যুগৰ আৰু মিছনেৰীসকলৰ গদ্য

অৰুণোদয় যুগৰ গদ্য উচ্চাৰণ অনুসৰি সৃষ্টি হৈছিল।এই যুগৰ গদ্যসমূহ ব্যাখ্যাত্মক। ইয়াৰ ভাষা সংযত, সংক্ষিপ্ত, সাৱলীল, পৰিমিত আৰু সুস্পষ্ট। এইবোৰ গুণ ধ্ৰুপদী শৈলীৰ সাধাৰণ উপাদান। তদ্ভৱ শব্দৰ প্ৰয়োগ ইয়াৰ অন্যতম বৈশিষ্ট্য। এই যুগৰ বাক্যবোৰ চুটি, কথাবোৰ সোঁপকীয়া। সংস্কৃতমূলক শব্দৰ প্ৰয়োগ কম। বিৱৰণবোৰ বস্তুনিষ্ঠ। বুৰঞ্জীৰ গদ্যত থকা ভাব আৰু ভাষাৰ প্ৰাঞ্জলতা 'অৰুনোদই'ৰ গদ্যতো আছে। কিন্ত ইয়াৰ ঠাঁচ বুৰঞ্জীৰ গদ্যৰ নহয়। পূৰ্ববৰ্তী গদ্যতকৈ পৰৱৰ্তী গদ্যৰ লগতহে এই গদ্যৰ সংযোগ দৃঢ়তৰ।

মিছনেৰীসকলে যত্ন কৰি অসমীয়া ভাষা শিকি লৈছিল, তেওঁলোকৰ ভাষা সৰল আৰু কথিত ভাষাৰ ওচৰ চপা আছিল যদিও অসমীয়া জতুৱা ঠাঁচটো সম্পূৰ্ণৰূপে আয়ত্ত কৰিব পৰা নাছিল। মিছনেৰীসকলেই কমা, চেমিক'লন, প্ৰশ্নবোধক চিন আদি যতি চিন প্ৰৱৰ্তন কৰে। মিছনেৰীসকলে লুপ্তপ্ৰায় অসমীয়া ভাষা আৰু সাহিত্যক জীপ দি অকাল মৃত্যুৰ পৰা ৰক্ষা কৰিলে বুলি কলেও ভুল নহয়।

## হেমচন্দ্ৰ, গুণাভিৰাম বৰুৱাৰ গদ্য

হেমচন্দ্ৰ বৰুৱাৰ গদ্য সুচিন্তিত , সুবিন্যস্ত, যুক্তিসিদ্ধ আৰু সংযত গদ্যৰ এক উপযুক্ত আৰ্হি। ই মূলতঃ ব্যাখ্যাত্মক। তেওঁৰ প্ৰতিটো বাক্যতে ভাৱৰ স্পষ্টতা আৰু সম্পূৰ্ণতা দেখা যায়। আধুনিক অসমীয়া সাধুভাষাৰ ই এক উপযুক্ত আৰ্হি। তেওঁৰ গদ্যসমূহত তৎসম আৰু তদ্ভৱ শব্দ ব্যৱহাৰ কৰাৰ উপৰিও কিছুমান থলুৱা শব্দৰো প্ৰয়োগ কৰিছে। যেনে- মিঠা মুখ, হুটা মাত,টেঙা কথা আদি। হেমচন্দ্ৰ বৰুৱাৰ গদ্য শৈলী বিষয়ানুগ, অনাৱশ্যক ভাৱোচ্ছাস ৰহিত, নাতিদ্ৰুত আৰু নাতিমন্থৰ, নাতিসংক্ষেপ, নাতিবিশদ।

গুণাভিৰাম বৰুৱাৰ গদ্যসমূহৰ ভাৱ প্ৰাঞ্জল আৰু গহীন আৰু প্ৰকাশভংগী সংযত, সংক্ষিপ্ত আৰু সহজ-সৰল। দৃঢ় ঋজুতাৰ পৰিৱৰ্তে তেওঁৰ বাক্য গাঁথনিত এক নমনীয়তাহে লক্ষ্য

কৰা যায়। ভাৱৰ শৃংখলা তেওঁৰ ভাষাত প্ৰতিফলিত হৈছে। হেমচন্দ্ৰ বৰুৱাৰ দৰেই গুণাভিৰামেও অসমীয়া ভাষাক বিকশিত কৰিবলৈ সচেতনভাৱে যত্ন কৰিছিল যদিও, বঙালী ভাষাৰ প্ৰভাৱৰ পৰা তেওঁ নিজে সম্পূৰ্ণ মুক্ত হ'ব পৰা নাছিল।

### আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্য

আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যশৈলী সাৱলীল আৰু প্ৰকাশভংগী সুসংহত আছিল। ঢেকিয়াল ফুকনে মিছনেৰী সকলক অনুকৰণ কৰিছিল বাবে ভাষা সহজ হৈ পৰিছিল। মিছনেৰীসকলক অনুকৰণ কৰাৰ বাবে তেওঁৰ ভাষাত ইংৰাজী ভাষাৰ ঠাঁচ থকা দেখা যায়। ঢেকিয়াল ফুকনে চুটি চুটি বাক্য লিখা নাছিল। যিবোৰ কথা সৰু সৰু সুকীয়া বাক্যত প্ৰকাশ কৰিব পৰা যায় তেনেবোৰ বাক্য ',' ';' ব্যৱহাৰ কৰি দীঘলীয়া কৰিছিল। তথাপি তেওঁৰ গদ্যত সাৱলীলতা থকা দেখা যায়। ঢেকিয়াল ফুকনৰ গদ্যত 'য' ৰ ঠাইত 'জ' ব্যৱহাৰ হোৱা দেখা যায়। তেওঁ 'শ' 'ষ' 'স' ৰ ভিতৰত কেৱল 'স' হে ব্যৱহাৰ কৰিছিল। তেওঁৰ ৰচনাত 'ছ' ৰ সলনি 'চ' ব্যৱহাৰ হোৱাও দেখা যায়। তেওঁৰ গদ্যশৈলীৰ এটা বিশেষ বিশেষত্ব হ'ল তেওঁ ক'তো ইংৰাজী শব্দ ব্যৱহাৰ কৰা নাই।

### বেণুধৰ শৰ্মাৰ গদ্য

বিবৃতি আৰু বিতৰ্কৰ এক সহজসিদ্ধ পৰিণতি বেণুধৰ শৰ্মাৰ গদ্যৰ এক অন্যতম প্ৰধান বৈশিষ্ট্য। যথাযোগ্য থলুৱা শব্দৰ বছা বছা প্ৰয়োগ আৰু জতুৱা ঠাঁচৰ সঘন ব্যৱহাৰে তেওঁৰ গদ্যক স্বকীয়তা দান কৰিছে। সেইবুলি ভাৱগম্ভীৰ সংস্কৃত প্ৰধান বাক্য যে লেখকে ব্যৱহাৰ কৰা নাই তেনে নহয়। তেওঁৰ গদ্যত থলুৱা ৰচনভঙ্গীৰ প্ৰয়োগে তাক অনন্য বৈশিষ্ট্য দ্যন কৰিছে। অসমীয়া গণজীৱনৰ বাক্যালাপত থকা সহজ আন্তৰিকতাৰ এটা সুৰ তেওঁৰ গদ্যত অনুৰণিত হৈছে।

### সত্যনাথ বৰাৰ গদ্য

সত্যনাথ বৰাৰ গদ্যই ইংৰাজী লেখক বেকনৰ ৰচনালৈ মনত পেলায়। বেকনৰ দৰেই সত্যনাথৰ বাক্যবোৰো চুটি, সাৰগৰ্ভ, অন্য কথাত সংক্ষিপ্ত সাৰগৰ্ভতা উভয়ে লেখকৰ সাধাৰণ বৈশিষ্ট্য। উভয়ৰে ৰচনা বিষয়ানুগ। প্ৰগলভতা বা শব্দবাহুল্যৰ পৰা উভয়েই মুক্ত। বেকনৰ ৰচনা প্ৰায়েই লেটিন উদ্ধৃতিৰে ভাৰাক্ৰান্ত, আৰু সৰ্বদাই পাণ্ডিত্যগন্ধী। বহুতো পাঠকৰ বাবে সেই বাবেই সি সুখপাঠ্য নহয়। কিন্তু সত্যনাথৰ ৰচনা এনে নহয়। ই পাণ্ডিত্যগন্ধী নহয়, কিন্ত নিঃসন্দেহে ই সুখপাঠ্য। তৎসম, তদ্ভৱ আৰু থলুৱা শব্দৰ যথোপযুক্ত সমন্বয়ে তেওঁৰ গদ্যক শ্ৰুতিমাধুৰ্য্য দান কৰিছে। এই ৰচনাৰ বেগ সাৱলীল, সৰ্বপ্ৰকাৰ জড়তা আৰু আড়ষ্টতাৰ পৰা ই মুক্ত।

প্ৰকৃতাৰ্থত 'জোনাকী যুগ' ৰ পৰাহে অসমীয়া গদ্য বিভিন্ন ৰসৰ বাহক হ'ব পাৰিছে, তাৰ আগলৈকে ই প্ৰধানকৈ ভাৱৰ গদ্য বাহক হৈয়ে ৰৈছিল । সৃষ্টিশীল ৰচনাৰ সংখ্যাও নগণ্য আছিল। সৃষ্টিধৰ্মী লেখকৰ সংখ্যা বৃদ্ধিৰ লগে লগে ভাষাটোৱেও যেন জঠৰতা অতিক্ৰমি দ্ৰুত গতিত বিকশিত হ'বলৈ ললে। আদি যুগৰ গদ্যত দেখা পোৱা দুটা ৰীতিৰ-এফালেদি বৈষ্ণৱী গদ্য আৰু আনফালেদি চৰিতপুথি আৰু বুৰঞ্জীৰ গদ্য কোনটোৰ দ্বাৰা আধুনিক অসমীয়া গদ্যৰ বিকাশ অধিক প্ৰভাৱান্বিত হৈছিল বুলি যদি সঙ্গতভাৱেই প্ৰশ্ন কৰা যায়, তেনেহলে এই প্ৰশ্নৰ উত্তৰ নিশ্চয়কৈ দিয়া সহজ নহয়। চৰিত পুথিৰ কথিত গদ্যৰ সহজ অনা-লৌকিক ৰূপটোৱে ক্ৰমান্বয়ে অধিক শিষ্ট, সংযত আৰু পৰিশীলিত হৈ আধুনিক অসমীয়া গদ্যৰ ৰূপ লৈছে বুলি কলেও ভুল নহব। এই শিষ্ট আৰু সংযত ৰূপ পৰিগ্ৰহণৰ ক্ষেত্ৰত ইংৰাজী গদ্যৰীতিৰ প্ৰভাৱো বিশেষভাৱে উল্লেখযোগ্য।

❖❖❖



## গল্পৰ মজলিছ



গল্প সুসংগঠ আৰ্ট। ইয়াৰ যোগেদি কোনো এটা কেন্দ্ৰীভূত ভাব প্ৰকাশ কৰা হয়। বিক্ষিপ্ত ভাবধাৰাৰ সমাবেশৰ ঠাই গল্পত নাই। কোনো এটি বিশেষ মুহূৰ্ত্তৰ ওপৰত আলোকপাত কৰি জীৱনৰ কোনো এটি দিশ পোহৰাই তোলাই গল্পৰ উদ্দেশ্য। ইয়াৰ কাৰণে গল্পকাৰে ভিন্ ভিন্ কৌশল অৱলম্বন কৰে। যি কৌশলৰ সহায়ত তেওঁৰ কথাবস্তু ৰমণীয় হৈ উঠে তাৰ প্ৰতি তেওঁ সদায় চকু ৰাখে।

-ত্ৰৈলোক্যনাথ গোস্বামী

সাম্প্ৰতিক কালৰ গল্পকাৰ সকলৰ লেখালৈ চালে বুজিব পাৰি যে অসমীয়া গল্প ক্ৰমে পৰম্পৰাগত ধাৰাৰ পৰা আঁতৰি আহিছে। কাহিনীৰ প্ৰচলিত ধাৰণা এতিয়া প্ৰায় নাইকীয়া হৈ গৈছে। নতুন শৈলীৰে গল্পই মানুহৰ মনোজগতত প্ৰৱেশ কৰাৰ চেষ্টা কৰিছে। বাহ্য ঘটনাৰ ঠাই লৈছে মানুহৰ মনৰ ভিতৰত সংঘটিত ক্ৰিয়া-প্ৰতিক্ৰিয়াই। সেইফালৰ পৰা চুটি গল্প কবিতাৰ অধিক ওচৰ চপা হৈছে।

-শৈলেন ভৰালী

# নিঃসংগতা

বিপুল চন্দ্ৰ ৰাভা
স্নাতক ১ম বৰ্ষ (কলা)

কিছুদিনৰ পৰা ভবেন বৰুৱাই নিজৰ মনটোক শান্ত কৰিব পৰা নাই। কিবা এটা অস্থিৰতাই তেওঁৰ মনৰ ভিতৰখন খুলি খুলি খাই শেষ কৰি পেলাইছে। মনৰ ভিতৰত কথাবোৰ খুলি কবলৈ তেওঁ মানুহ এজনো বিচাৰি পোৱা নাই। যিবোৰ কথাই তেওঁক অস্থিৰ কৰি তুলিছে সেইবোৰ কথা কাৰোবাক কবলৈ যোৱা মানে অৱশ্যে তেওঁ অপমানিত হে হোৱা। তথাপি কামটো কৰি পেলোৱাৰ আগতে তেওঁ কাৰোবাক কব লাগিব। তেওঁ মনতে ঠিক কৰিলে ঘৰখনলৈ অহা নতুন বোৱাৰী মনিকাকে তেওঁ সকলো কথা খুলি



কব। উচ্চ শিক্ষাৰে শিক্ষিতা নতুন বোৱাৰীজনীয়ে হয়তো তেওঁৰ ওপৰত কোনো বিৰূপ মনোভাৱ নলব। পাৰিলে তেওঁ নিশ্চয় বহল দৃষ্টিভংগীৰে চালিজাৰি চাব।

ভবেন বৰুৱাই বোৱাৰীয়েকক কথাবোৰ কবলৈ ওৰেটো নিশা উজাগৰে কটাই নিজকে মানসিকভাৱে প্ৰস্তুত কৰি ললে।

পুৱা বোৱাৰীয়েকে চাহ দিবলৈ আহি শহুৰেকৰ চকু দুটা দেখি আচৰিত হল। আগনিশা টোপনি নোহোৱা মানুহৰ দৰে ভবেন বৰুৱাৰ চকু দুটা ৰঙা হৈ আছে। বোৱাৰীয়েকলৈ চাই ভবেন বৰুৱাই কিবা এটা কব খুজি বৈ গ'ল। অস্ফুট স্বৰত কিন্তু ওঠ দুটা কঁপি আছে। শহুৰেকৰ এনে অৱস্থা দেখি মনিকাই ভয়ে ভয়ে সুধিলে– 'দেউতা, ৰাতি গা বেয়া কৰিছিল নেকি'? 'মোৰ গা বেয়া কৰা নাই, বোৱাৰী। ওৰে ৰাতি মোৰ একেবাৰে টোপনি নহ'ল। নতুন জীৱন এটাৰ সৈতে মুখামুখি হবলৈ মই নিজকে প্ৰস্তুত কৰিছিলো'। এই বৃদ্ধ বয়সত শহুৰেকে বা কেনেধৰণৰ নতুন জীৱনৰ সূচনা কৰিব? শহুৰেকৰ মূৰৰ বিকৃতি ঘটা নাইতো। মনিকাই মনে মনে ভাবিলে। -- ভবেন বৰুৱাই কবলৈ আৰম্ভ কৰিছিল আগৰাতি তেওঁৰ কিয় টোপনি নহ'ল। তেওঁৰ টোপনি নহাৰ কাৰণটোত যে ভবেন বৰুৱাৰ জীৱনৰ এটা দিশ সাঙোৰ খাই আছে মনিকাই ভাবিবই পৰা নাই।

ভবেন বৰুৱাৰ যুগ্ম জীৱনৰ জোৰা ছিঙি পৰিছিল মনিকাৰ বিয়াৰ দুবছৰৰ আগতে। ভবেন বৰুৱাই নিজৰ পত্নীক অসম্ভৱ ভাল পাইছিল । পত্নীৰ সান্নিধ্য আৰু সুমধুৰ ব্যৱহাৰে ভবেন বৰুৱাক দিনটোৰ ব্যস্ততাৰ ভাগৰ পাহৰাই ৰাখে। চাৰিটাকৈ সন্তান ডাঙৰ দীঘল কৰি, উপযুক্ত কৰি দুয়োজনী জীয়ককে সুপাত্ৰৰ হাতত তুলিও দিলে। বৰ পুতেকলৈ বোৱাৰী অনাৰ দুবছৰৰ আগতে হঠাৎ এদিনা অপ্ৰত্যাসিত ভাবে পত্নীক হেৰুৱাই তেওঁৰ মনটোৱে হাহাকাৰ কৰি উঠিল ।

ভবেন বৰুৱাই অশেষ কষ্টৰে জীৱনটো গঢ়ি তুলিছিল। শৈশৱ, কৈশোৰৰ অনেক দুখভৰা দিনবোৰৰ কথা মনত পৰিলে তেওঁৰ মনটো বিষাদেৰে ভৰি পৰে। দুবছৰ বয়সতে মাকক হেৰুৱাই মাতৃৰ মৰমৰ পৰা বঞ্চিত হৈ শৈশৱ আৰু কৈশোৰৰ দিনবোৰত তেওঁ মাথো দুখৰ ছবিকে আঁকিলে। দেউতাকৰ দৰিদ্ৰ অৱস্থাৰ বাবে তেওঁ সৰুতেই কঠোৰ জীৱনৰ সতে মুখামুখি হৈছিল। বৰ কষ্টৰে পঢ়াশালিলৈ অহা যোৱা কৰি প্ৰৱেশিকা পাছ কৰিছিল। প্ৰৱেশিকা পাছ কৰাৰ পিছতেই তেওঁৰ গাঁৱতে এটি দুটিকৈ ল'ৰা - ছোৱালী গোটাই পঢ়াশালি এখন বান্ধিলে । পঢ়াশালিত যেতিয়া লাহে লাহে লৰা ছোৱালী বাঢ়ি আহিবলৈ ধৰিলে তেওঁৰ মনটো যেন ভৰি উঠিল। সেই দিনটোৰ কথা মনত পৰিলে ভবেন বৰুৱাৰ দেহৰ এতিয়াও যৌৱনৰ এক চঞ্চল মিঠা অনুভূতিয়ে ঢৌ খেলি যায়। সেই দিনটোৰ কথা মানে সহধৰ্মিণী অমলাক লগ পোৱাৰ দিনটোৰ

কথা। সেই দিনটো ভবেন বৰুৱাৰ বাবে সদায় নতুন । অমলাই সিদিনা প্ৰথম স্কুলত যোগদান কৰিবলৈ আহিছিল। গহীন গম্ভীৰ আকৰ্ষণীয় চেহেৰাৰ অমলাক দেখি ভবেন বৰুৱাই সিদিনা মনৰ লেন্সত অমলাক চিৰদিনৰ বাবে জন্দ কৰি থলে। সময়ৰ সোঁতত ভবেন বৰুৱা আৰু অমলাৰ প্ৰেমে বিবাহৰ ৰূপে ললে।

জীৱনৰ বিয়লি বেলাত হঠাৎ অমলাক হেৰুৱাই ভবেন বৰুৱা এক প্ৰকাৰ মানসিক সংঘাতৰ মুখামুখি হল। তেওঁ মানসিকভাবে সংগীবিহীন হৈ পৰিল। তেওঁৰ পোনপটীয়া জীৱনটোত যেন হঠাতে আউল লাগি গল। বৰপুতেকে বিয়া কৰোৱাৰ পিছত নতুন বোৱাৰীয়ে মাইকী মানুহ নোহোৱা ঘৰখনৰ শুন্যতা দূৰ কৰিব বুলি ভবেন বৰুৱাই মনতে আশা এটা পুহি ৰাখিছিল। অন্ততঃ ন বোৱাৰীৰ চেনেহৰ উমেৰে ঘৰখন উজলাই তুলিব। কিন্তু সকলোবোৰ আশা মানুহৰ ভবামতে পূৰণ নহয়। বিয়াৰ পিছত এমাহমান গোটেই ঘৰখনকে মৰমৰ উম দি চাকৰি কৰা ন-বোৱাৰী চহৰলৈ যাবলৈ ওলাল। ভবেন বৰুৱাৰ মূৰৰ ওপৰত যেন আকাশখনহে খহি পৰিল । বোৱাৰীয়েক গুচি যোৱাৰ পিছত সৰু পুতেকৰ সৈতে বৰুৱাৰ দিনবোৰ নাযায় - নুপুৱাই অৱস্থা হল। শুকান নীৰস জীৱন। দিন যোৱাৰ লগে লগে ভৱিষ্যৎ আশাৰ মধুৰ চিত্ৰ লাহে লাহে মিলি গল শূন্যৰ লগত। সৰু পুতেকো দিনটোৰ কাৰণে কামলৈ ওলাই যাব লাগে। দিনৰ দিনটো ঘৰৰ সকলো কাম কৰি নিশা পুতেকৰ লগত একেলগে ভাতমাছ খাবলৈ ভবেন বৰুৱাই বাট চাই থাকে। ৰাতি এপৰলৈকে পুতেকলৈ বাট চাই ভবেন বৰুৱা লঘোনেই শুই পৰে। এইকণ সময়তে তেওঁ মৰমৰ পত্নীৰ অভাৱ বৰকৈ অনুভৱ কৰে। পত্নী অমলাৰ মুখখন তেওঁৰ চকুৰ আগত ভাঁহি উঠে। অমলা জীয়াই থকা হলে তেওঁৰ এনে বিলাই নহ'লহেতেন । তেওঁ ভাবিবলৈ ধৰিলে –'বৃদ্ধ বয়সতহে মানুহৰ সংগীৰ অতি প্ৰয়োজন । বৃদ্ধৰ বাবে হৈ পৰে পত্নীয়ে একমাত্ৰ সাৰথি। বৃদ্ধ অৱস্থাৰ নিসংগতা- - লৰা–ছোৱালী, বোৱাৰী কোনেও দূৰ কৰিব নোৱাৰে। বৃদ্ধ অৱস্থাত পতি-পত্নী দুয়ো একেলগে মিলি মনৰ ছন পৰা মাটিত নতুনকৈ মৰমৰ কঠীয়া সিঁচি জীৱনৰ অন্তিম দিনটোলৈ বাট চাই থাকে।

'আচলতে আপুনি কি কব বিচাৰিছে দেউতা?' মনিকাই ভাবিলে – শহুৰেকে তাইৰ পৰা বহুত কিবা-কিবি আশা কৰিছিল। কিন্তু তাইতো গাঁৱৰ ঘৰত থাকি কেৱল শহুৰেকক আলপৈচান ধৰি থাকিলে নহ'ব। শহুৰেকক আলপৈচান ধৰিবলৈ হলে তাই চাকৰিটো বাদ দিব লাগিব।

মনিকাৰ মাতষাৰত ভবেন বৰুৱা স্তব্ধ হৈ পৰিল। মনিকালৈ তেওঁৰ মৰম লাগি গল। বৃদ্ধ শহুৰেকৰ কথাবোৰ তাই কিমান উচ্ছাসেৰে শুনি গৈছে। তেওঁৰ ভাৱ হ'ল বয়স বাঢ়ি অহাৰ লগে লগে যেন লৰা ছোৱালী সকলোৱে আমনি পায়। তেওঁৰ কথা শুনাত কোনো যেন আগ্ৰহী নহয়। একমাত্ৰ মনিকাইহে ভবেন বৰুৱাক যেন বুজি পায়। ইমানখিনি কথা কোৱাৰ পিছতো ভবেন বৰুৱাই আচলতে কি কব খুজিছে মনিকাই নিশ্চয় বুজি নোপোৱাকৈ থকা নাই । তথাপি তেওঁ খোলাখুলিকৈ আচল কথাটো কৈ দিয়াটোকে উত্তম হব বুলি ভাবিলে।

ভবেন বৰুৱাই অকণো সংকোচ নকৰাকৈ কবলৈ ধৰিলে - 'মনিকা, মই নতুনকৈ যুগ্ম জীৱনৰ পাতনি মেলিব খুজিছো। তোমালোকতো নিজৰ নিজৰ সংসাৰ লৈ ব্যস্ত। জীৱনৰ অন্তিম দিনকেইটা মই অকণো কষ্ট নোপোৱাকৈ মৰমৰ উমেৰে পাৰ কৰিব খুজিছো। তোমালোকে ভুল নুবুজিবা।' নিথৰ হৈ মনিকাই ভবেন বৰুৱাৰ চকু দুটালৈ চাই থাকিল। নিমিষতে যেন ভবেন বৰুৱাৰ ৰঙা পৰা চকু দুটা উজ্বল হৈ তিৰবিৰাই উঠিছে .......।

❖❖❖





# — এ চচিয়েল ইচ্য —

জিন্টু বেজবৰুৱা
স্নাতক ২য় বৰ্ষ (কলা)

হোটেলখনৰ "প্লেচ"টো ভাল, ঠিক বজাৰৰ মাজ মজিয়াত। আন এটা ধনাত্মক দিশ হল স্থানীয় মহাবিদ্যালয়খনৰ নাকৰ পোনে পোনে । মৰ্ণিং শ্বিফ্টৰ পৰা ডে শ্বিফ্টলৈ তালৈ শিক্ষাৰ্থীৰ অহৰহ আগমন চলে। কিমান চনত স্থাপিত কোৱা টান কিন্তু প্ৰবাদ আছে হোটেলৰ মালিকে হোটেলখন প্ৰথমতে হেনো ওচৰৰে কোনোবা খিৰিকীৰ পাল্লা নথকা প্ৰাইমেৰী স্কুলৰ ডেস্ক-



বেঞ্চেৰে শুভাৰম্ভ কৰিছিল। এতিয়া কিন্তু হোটেলৰ প্ৰতিটো কোণৰে আমূল পৰিবৰ্তন হৈছে। হোটেলৰ মালিকৰ নামটোও আকৌ বিভিন্ন গ্ৰাহকৰ বাবে বেলেগ বেলেগ। কলেজৰ লৰা-ছোৱালীয়ে তেওঁক বুলুদা বুলি মাতিব লাগে কিন্তু জিভাৰে মাতে "ব্লু" দা বুলি। সাজ লগাৰ পিছত অহা বিভিন্ন বয়সৰ গ্ৰাহকবোৰৰ ভিতৰত বয়সত সৰুবোৰে মাতে ভাগৱতী দা বুলি আৰু বয়সত ডাঙৰবোৰে মাতে সুনীল বুলি।

প্ৰাইমেৰী স্কুলৰ ডেস্ক - বেঞ্চৰ হোটেলৰ পৰা আজিৰ আধুনিকতম চকী মেজৰ ৰেষ্টুৰালৈ, গজা, খুৰ্মাৰ পৰা চাওমিন, আইচক্ৰিমলৈ এই সুদীৰ্ঘ পথৰ আঁৰত আছে মালিক সুনীল ভাগৱতীৰ বিচক্ষণ ব্যৱসায়িক পাৰ্গতালি আৰু গ্ৰাহকক আকৰ্ষণ কৰিব পৰা এখন তীক্ষ্ণ জিভা। জিভাখনে তেওঁৰ মনৰ কথা নকয়, কয় মগজুৰ কথা। নহ'লে জানো তেওঁ একেখন জিভাৰে এটা সময়ত তেওঁৰ পুত্ৰসম কলেজীয়া লৰাৰ লগত ব্লু ফিল্মৰ কথা পাতি আন এটা সময়ত ছাত্ৰ সংগঠনৰ নেতা কেইটাৰ লগত দেশৰ উন্নতিৰ কথা পাতিব পাৰে। ভাগৱতীদাই প্ৰায়ে হোটেলখনলৈ কিবা কিবি নতুনত্ব আনি থাকে। মাজতে কাউন্টাৰত তেওঁ এজনী খাচীয়া ছোৱালী বহুৱাইছিল, পাৰ্ট টাইম সংস্থাপন । কিন্তু তাই বেছিদিন নিটিকিল। এদিন কলেজৰ লৰা এটাই তাইক অশ্লীল ইংগিত দিওঁতে তাই গৈ ভাগৱতীদাক গোচৰ তৰিছিল। তাৰ পিছদিনাখনৰ পৰা তাইক আৰু দেখা নগ'ল। এয়াই ভাগৱতী দা, গ্ৰাহক তেওঁৰ বাবে ভগৱান। গ্ৰাহকক তেওঁ কোনো পধ্যেই অসন্তুষ্ট কৰিব নোৱাৰে। বৰ্তমানৰ নতুনত্ব বুলিবলৈ ভাগৱতী দায়ে হোটেলত কাম কৰিবলৈ নতুন নেপালী বগা লৰা এটা আনিছে। এইটো ঠিক নতুনত্ব নহয় কাৰণ ভাগৱতীদাৰ তাত কাম কৰা সৰু ল'ৰা বোৰৰ এনেও ঘনাই পৰিবৰ্তন হৈ থাকে। তেওঁৰ ভাষাত ডাঙৰ আৰু অভিজ্ঞবোৰক হেনো "কন্ট্ৰল" কৰিবলৈ টান। কিন্তু নতুনকৈ অহা বাৰ বছৰীয়া লৰাটোৰ কথা অলপ সুকীয়া।

লৰাটোৰ নাম উত্তম থাপা নে তেনেকুৱা কিবা জাতিয়। চবেই তাক কাঞ্চা বুলি মাতে, ভাগৱতী দায়ে আকৌ মৰমতে নেপালী পোৱালী বুলি মাতে। সি হোটেলত কাম কৰা আন আন ৰহিম, চাকাল, গেলুক, কান্দুৰা ইত্যাদি হঁতৰ লেখীয়া নহয়। সি অলপ "ট্ৰেক"ৰ বাহিৰৰ। সি চাফা, সি ডিসিপ্লিনড। তাৰ ভাল চেহেৰাটো অৱশ্যে ঈশ্বৰ প্ৰদত্ত কিন্তু চালচলনত তথাকথিত ভদ্ৰ সমাজৰ প্ৰভাৱ আছে। থাকিবৰে কথা- কাৰণ ইয়ালৈ চালান হোৱাৰ আগতে হেনো সি নেপালৰ ৰয়েল আৰ্মিৰ বিষয়া এজনৰ ঘৰত আছিল। মাওবাদীৰ আক্ৰমণত আৰ্মি মেজৰ জনৰ মৃত্যুত, মৃত্যু হ'ল তাৰে জীৱনৰ এটা ভাল অধ্যায়ৰ। তাৰ পিছত সেই বিষয়া জনৰ বিধৱ পত্নীয়ে ভাগৱতী দাৰ লগত থকা ঘৰুৱা সম্বন্ধ সূত্ৰে মাউৰা লৰাটো ইয়ালৈ চালান দিলে। নেপালত থাকোতে হেনো সি অলপ- অচৰ লিখা-পঢ়া শিকিছিল। তাৰ লিখা পঢ়াৰ ধাৰাবাহিকতা ৰক্ষা কৰিব ভাগৱতীদাৰ মানসিক সামৰ্থ্য নাই কিন্তু তাৰ চাল- চলনত ত ভাগৱতী দাই অলপ বেলেগ চকুৰে চাবলৈ বাধ্য হৈছে।

সি পুৱা সোনকালে উঠি গোটেই দিনটো অনৰ্গল কাম কৰি যায় নিৰ্লিপ্তভাৱে এটা যন্ত্ৰৰ দৰে। সি কাৰো লগত বিশেষ কথা নকয় কাৰণ সি অসমীয়া ক'ব নাজানে। সি মাজে মাজে তাৰ লগৰ আন কাম কৰা ল'ৰা কেইটাৰ লগত ভঙা ভঙা হিন্দীত কথা পাতে। আন কাৰো লগত বিশেষ কথা নাপাতে - আনকি মালিকৰ লগতো । তাৰ চকু দুটা আচৰিত ভাবে খালী, ভাৱলেশহীন, নীৰৱ। চকু দুটাত কিবা এটা আছে যাৰ বাবে কোনো গ্ৰাহকেই তাক ঠিক অৱহেলা কৰিব নোৱাৰে। ভাগৱতী দায়ো মাজে মাজে ভাবে তাৰ এই চকু দুটাই যেন হঠাৎ বিদ্ৰোহ কৰি উঠিব, কিন্তু তেনে কোনো লক্ষণ আজিলৈকে সি দেখুৱা নাই বৰং ৰব'টৰ দৰে তাৰ কাম কৰি যোৱা স্বভাৱটোত ভাগৱতী দাই মনে মনে ভালেই পাইছে। "হওঁকদে তথাপি ইয়াক বহুদিন ৰাখিব পৰা যাব, তেওঁ ভাবে। এটাক্ষেত্ৰত অৱশ্যে তাৰ অলপ দুৰ্বলতা আছে। সন্মুখৰ ৰাস্তাটোৰেদি তাৰ সমনীয়া ল'ৰা - ছোৱালীবোৰ স্কুললৈ অহা যোৱা কৰোতে সি ৰ লাগি চাই ৰয়। সুচতুৰ ভাগৱতী দাই অৱশ্যে কথাটো লক্ষ্য কৰি তাক সেইখিনি সময় ব্যস্ত কৰাই ৰাখে।

ঘটনাক্ৰমত নেপালী পোৱালীটোৰ কথা কাণত পৰিল স্থানীয় অমল বৰুৱাৰ। বৰুৱা মানুহজন সমাজ সেৱা কৰা বিভিন্ন অনুষ্ঠান - প্ৰতিষ্ঠানৰ লগত জড়িত, বিভিন্ন কাগজে - পত্ৰে লিখা মেলাও কৰে। এক কথাত বুদ্ধিজীৱি ধৰণৰ। তেওঁৰ বুদ্ধিটো আকৌ তিলটোকে তাল কৰিব পৰা বিধৰ। যেনে ভূটান সীমান্তৰ কোনোবাই বহলকৈ কাপোৰ মেলিলেও তেওঁ লিখি দিব পাৰে আলফাই যুদ্ধৰ শিবিৰ পতা বুলি। বছৰৰ শিশু দিৱসটো কাষতে। তেওঁ লিখা মেলা কৰা শিশু কল্যাণ সম্বন্ধীয় আলোচনী খনৰ "চিলড্ৰেন্স ডে" বিশেষ সংখ্যাটোৰ কাৰণে তেওঁ ব্যস্ত হৈ আছে চৈধ্যবছৰৰ তলৰ বিভিন্ন বনুৱা কাম কৰা লোহা, টিন পাত, প্লাষ্টিক আদি জাতিয় বস্তু বিচাৰি ফুৰা লৰা ছোৱালীৰ লগত। তেওঁ সিহঁতৰ ফটো তুলিছে আৰু নিজে নিজেই সিহঁতৰ কাহিনীবোৰ যিমান কৰুণকৈ পাৰি সিমান কৰুণকৈ লিখি দিছে। নেপালী লৰাটোৰ কথা শুনি তাক নেদেখাকৈয়ে তাৰ বিষয়ে লিখি পেলাইছে। অৱশ্যে তাৰ বিষয়ে খুউব এটা কৰুণকৈ লিখিব নোৱাৰি- কাৰণ তাত ভাগৱতী দাৰ লগত থকা সুসম্পৰ্ক আৰু সন্মানৰ কথা আছে। গতিকে কাহিনীটো চমুকৈ এনেধৰণৰ, নেপালী লৰাটো নেপালত খুউব বেয়া অৱস্থাত আছিল। বিধিৰ বিপাকত ভাগৱতী দাই তাক পাই ইয়ালৈ আনিলে আৰু তাৰ পঢ়া শুনাৰ আগ্ৰহ দেখি তাক পঢ়া - শুনাৰ দিহা কৰি দিয়াৰ কথা ভাবিছে। আৰু এয়া সমাজৰ বাবে দৃষ্টান্ত স্বৰূপ। লিখাখিনি পঢ়ি ভাগৱতী দাই অলপ শংকা প্ৰকাশ কৰিলে কিজানিবা তাক পঢ়ুৱাবই লাগে। তাকে দেখি অমল বৰুৱাই তেওঁৰ চিৰাচৰিত অভিজ্ঞতাপুষ্ট হাঁহিটো মাৰি কলে "ভাগৱতী, তুমিও যে আৰু। ভাৰতীয় মানুহে কাগজ পত্ৰৰ কথা চব্বিশ ঘন্টাও মনত ৰাখিব পাৰিলে এইখন ভাৰত নহৈ আমেৰিকা হৈ গলহেঁতেন।

বৰুৱাই কিন্তু উত্তমক দেখা মাত্ৰকে অলপ ইচ্ আচ্ নকৰাকৈ থাকিব নোৱাৰিলে। "ই ভাল ঘৰত পৰিব লাগিছিল জাতীয় বাক্য স্বতঃস্ফূৰ্ত ভাবে ওলাই আহিল। কিন্তু অলপ সময়ৰ বাবেহে, তাৰ পিছত তেওঁ আকৌ আগৰ বৰুৱাজন হৈ শিশু দিৱসৰ বিষয়ে ব্যাকৰণহীন হিন্দীত তাক কিবা কিবি বুজালে আৰু তাৰ একপি ফটো তুলি শেষত তেওঁ কাগজ খিনিৰ তলত তাক শিশু দিৱস উপলক্ষে কিবা এষাৰ লিখিবলৈ কলে। বাৰবছৰীয়া অকণমানি লৰাটোৱেনো কিমান কি বুজি পায়। তথাপি অলপ সময় চুপচাপ থিয় হৈ থাকি সি তাৰ অকণমানি কপা কপা আঙুলি কেইটাৰে দৃঢ়তাৰে হাতৰ আখৰ "STOP CHILD LABOUR" শব্দ তিনিটা লিখি থাকোতে তাৰ খালী চকুৰ ৰেটিনাত প্ৰথমবাৰৰ বাবে এটা ৰক্তিম আভা কোনেও নেদেখাকৈ বিয়পি পৰিছিল যিটো বাহিৰৰ পৰা প্ৰতিফলিত হোৱা নাই॥





# জোনাকী বাটৰ যাত্ৰী

**প্ৰবীন ৰাভা**
স্নাতক ১ম বৰ্ষ (কলা)

দলংখনৰ পৰা কোনোমতে পিতলৰ কলহটোত একলহ পানী লৈ পাৰলৈ ছোৱালীজনী উঠি আহিল। পুখুৰী পাৰত আইৰ সমনীয়া ছয় সাতজনী গাভৰুৱে পানী নিবলৈ আহি ৰৈ গ'ল। কাৰণ পানী খোৱা পুখুৰীটোৰ বাঁহৰ দলংখনত তেতিয়া পানী ভৰাই থকা ছোৱালীজনীক দেখি সিহঁত প্ৰথমে থত্ মত্ খালে। পাছত আটাইকেইজনীয়ে টেঁটুফালি চিঞৰিবলৈ ধৰিলে, "খালে খালে খালে ......"।

তাৰ অলপ আঁতৰত কেইটামান হালোৱাই হাল বাই আছিল। কি হ'ল বুলি তাৰে দুটা মান ডেকা মানুহে লৰি আহি একেবাৰে পুখুৰীৰ পাৰ পালেহি। ঘটনাটোৰ বুজ পোৱাৰ আগতে



ছোৱালী বোৰৰ এজনীয়ে চিঞৰি চিঞৰি ক'লে "জহনীজাতিজনীয়ে দলংখন চুৱা কৰিলে। তাই ইয়াতহে মৰিবলৈ পালেহি। নিজৰ পানী খোৱা পুখুৰী নাই যদি খালে-ডোঙেই যাব লাগে। অতখন ৰাইজৰ পুখুৰীটো অপৱিত্ৰ কৰিব নালাগে নহয়।

ইজনী-সিজনীকৈ ছোৱালীজাকে এনে কিছুমান বাক্যবাণ মাৰিলে, তাৰফলত পানী নিবলৈ অহা ছোৱালীজনী থিৰেৰে থাকিব নোৱাৰিলে। ভৰোৱা পানী কলহ পাৰতে ৰাখি থৈ কান্দি কান্দি ঘৰলৈ উভতি গ'ল।

ছোৱালী বোৰে সেই ডেকা দুটাক লগাই দলংখন পানীৰ পৰা ওপৰলৈ তুলি অনালে। বাঁহৰ কামি দি বোৱা দলংখনত উঠি ছোৱালীজনীয়ে চুৱা কৰি থৈ গ'ল। জাত যোৱা ছোৱালী এজনী, ইমান তাইৰ সাহ।

ডেকা দুটাই পুখুৰীৰ কাষত নামি ছোৱালীজাকৰ পানীৰ কলহ বোৰ ভৰ্তি কৰি দিলে। এজনে ক'লে, "তহঁত এতিয়া যা, আমি আবেলিলৈ নতুনকৈ দলং এখন সাজি দিম।"

এজন ডেকাই উভতি যোৱা ছোৱালীজনীলৈ কিছু কৃতজ্ঞতাৰে চোৱাদি চাই ক'লে "বেচাৰীজনীয়ে কি কৰিব ! লোকৰ চক্ৰান্তত পৰি লোকৰ হাচ-বাত হল। এইবোৰ কাম আমাৰ ছোৱালীয়ে নকৰে নহয়। ইমানবোৰ মানুহৰ সৈতে একেলগে আছে, খাইছে, শুইছে গতিকে গঞা ৰাইজে সিহঁতক এঘৰীয়া কৰি খুব ভাল কাম কৰিলে। নহলে গাঁৱৰ সকলো ছোৱালীয়েই তাইক অনুকৰণ কৰিব। কি কৱ ৰামেশ্বৰ ?"

"কওঁতে তই ঠিকেই কৈছ ; কিন্তু সুবিধা পালে তয়ো সেই দলতে যোগ দিয় বুলিহে মোৰ সন্দেহ হৈছে।" ৰামেশ্বৰে ক'লে।

ৰামেশ্বৰৰ কথাত পানীৰামে খেংখেঙাই উঠিল। আজিকালি তোৰ বৰ-বৰ কথা বুলি সি গালি পাৰিবলৈ ধৰিলে। হেৰ', সঁচা কথা কলে বেয়া পাব নালাগে। সিবাৰ তই ৰঙগড়া ঘাটৰ সিপাৰে নিজানত ধান দাই থকা মিৰি ছোৱালী এজনীক ৰবাব টেঙা দিয়াৰ নামত প্ৰেম নিবেদন কৰিবলৈ নাছিলি?.... নেমাত কেলৈ ? সেইবাৰ যদি মই ঘটনাটো নেদেখি আনে দেখিলহেঁতেন তাতে দুঃশাসনৰ ৰক্ত পান হলহেতেন । ভাগ্যে টনা-আঁজোৰাতে মই পালোঁগৈ।" এই বুলি ৰামেশ্বৰে কলে ।

"তোৰ কথাও জানো দে। কিমান ছোৱালীৰ পাছত ঘুৰিলি । তলে তলে আৰু বা কেইজনীয়ে লাঠিয়ালে কোনে জানে।" পানীৰামে উত্তৰ দিলে।

"তোৰ দৰে চুৰা-চেলেকা নহয়। মই যিজনীৰ পাছ ললোঁ, তাইক আনিহে এৰিলোঁ। এতিয়া দুটা ল'ৰা- ছোৱালীৰ মাক-বাপেকী আমি"।

দুয়োটা ৰে এনেকৈ কথা বাঢ়ি গৈ আছিল। কিন্তু দুয়োটাই পথাৰত হাল ৰাখি আহিছিল। ম'হ- দাহে দ্বিদাৰ কৰাত গৰুৱে চট্‌ফটাই ইফালে-সিফালে ফুৰিব ধৰিছে। তাকে দেখি ওচৰৰ হালোৱা এটাই ধমকিৰ সুৰত সিহঁতক মাতি নিলে। কাজিয়া খনৰ তাতে সামৰণি পৰিল।

ইফালে গোটেই গাঁৱতে পুখুৰীৰ পানী অনাৰ ঘটনাটো প্ৰচাৰ হৈ গ'ল। সকলোৱে চিঃ চিঃ চাঃ চাঃ কৰিলে। দুই-একে মনে মনে কথাটো ভাল নহল বুলি ভাবিলেও ফুটাই কবলৈ সাহ নকৰিলে। সমাজৰ বিৰুদ্ধে গ'লে সিহঁতকো এঘৰীয়া কৰিব । গাঁৱত এঘৰীয়া হৈ থকা বৰ টান।

ছোৱালীজনীয়েও কলহত পানী নিনিয়াকৈয়ে কান্দি কা

ঘৰ পালেগৈ। মাকে এইবোৰ কথা শুনি হিয়া ঢাকুৰি কান্দিলে "মই আগতেই কৈছিলোঁ নহয়, ডিম্বৰ লগত তাইক পঠাব নালাগে বুলি! সি মাতিলেই যাব লাগেনে? তেতিয়া কোনেও কথাটো ভাবি নাচালে। ডিম্বৰ পৰা বিলাতী চিগাৰেট খাই এতিয়া নিজেও বিলাতী হৈ গল। এতিয়া তাৰ পোতক তুলিছে।

পোতক ময়ো তুলিম চাই থকা। মোৰ ছোৱালীয়ে একো বেয়া কাম কৰা নাই। আমাক দুখীয়া দেখি মূৰত ভৰি দি নাচিছে। খেকাৰ খোৱাহঁতৰ সাহস আছে যদি মোহিনীকো এঘৰীয়া কৰক। এইবাৰ নামঘৰত বৰসবাহ ভাওনা হব নহয়, মই তালৈ যাম। চাম কোনকেইটাই মোক বাধা দিব পাৰে। ছোৱালীজনীৰ বাপেকে কলে।

ছোৱালীজনীয়ে ভিতৰৰ পৰা মাক-বাপেকৰ দনখন শুনি আছিল। বাপেক-মাকে যে গভীৰ দুখত কথাবোৰ কৈছিল তাই বুজি পাইছিল। এনেতে সৰু ভায়েক এটাই কোৱা কথা তাইৰ কাণত পৰিল।

ময়ো ইস্কুল এৰিহে দিম আৰু! লগৰ ল'ৰাবোৰে মোক নানা কথা কয়। আমাৰ বাই বোলে কেঞা এটাৰ লগত আছিলগৈ।

বহুত মতা মানুহৰ সৈতে বায়ে হেনো কিবা কৰিব নলগা কাম কৰিছিল। কি কাম হয় দেউতা? বাইৰ লগত ময়োচোন প্ৰথম দিনা গৈছিলোঁ। ডিম্ব ককাইদেৱে আমাকোতো জাহাজ দেখুৱাবলৈ নিছিল।

মাকে খঙত দুখত একো নাই হৈ কলে "নিছিল নিছিল তহঁতক গেলা বিলেদি নাৱত লৈ গৈ ধনশিৰি মুখত জাহাজত তুলি গামিৰিলৈ নিছিল। জাহাজ দেখুৱালে নহয়! জাহাজত উঠা বায়েৰক এতিয়া সমাজে এৰিছে। এই আটাইবোৰ বাপেকৰ দোষত হৈছে।

মোকেই দোষ দিলে কি হ'ব। মই পঠালেও আনে মানি ল'ব নালাগিছিল। ডিম্বইযে এনেকৈ ঠগিব, মই ভাবিব পৰা নাছিলোঁ। তিনি দিনৰ পাছত মোক টেলিগ্ৰাম দি মাতি নিয়াৰ সময়তো কাৰোৰে একো পৰামৰ্শ পোৱা নাছিলোঁ। গমিৰি ঘাটৰ গাড়ী এখনে মোক সেই ঠাই খনলৈ লৈ গৈছিল। এখন অতি বিতোপন চাহ বাগিছা। তাৰেই মালিকৰ পুত্ৰ গোঁসাই মহন্তৰ দৰে সুন্দৰ ডেকাজন। ডিম্বৰ কলেজীয়া বন্ধু। ডিম্বই গুৱাহাটীত থাকোঁতে কবিতা লিখিছিল। কবিতাবোৰ ডেকাজনৰ দদাই দেৱকৰ কাগজত-ওলাইছিল।

এনেকৈ বাপেকে কথাবোৰ এফালৰ পৰা কৈ গ'ল। সেই ঠাইখনত দীঘল কেইবাটাও ঘৰ আছে। ঘৰবোৰত অসমৰ নানা ঠাইৰ মানুহ। আৰু তাত মাইকী মানুহ বহুত আছিল। তাৰে গোলাঘাট জিলাৰে চাৰিজনী-দুজনী গাভৰু এজনী পাটগাভৰু আৰু এজনী আছিল বিবাহিতা তিৰোতা। তেওঁ গৈ পোৱাৰ লগে লগে আটাইবোৰে ঘেৰি ধৰিলে। জীয়েকে ওলাই আহি খুব কান্দিলেও। তাই ঘৰলৈ ঘূৰি যাবলৈ তৎ নাইকিয়া কৰিলে।

দেউতা! ডিম্ব ককাইদেৱে মোক ক'লৈ আনিলে চাওঁক। মোক বোলে কিবা পাৰ্ট কৰাব। মই সেইবোৰ নোৱাৰো দেউতা; মোৰ বৰ লাজ লাগে। আমি আজিয়েই ইয়াৰ পৰা যাওঁ ব'লক। দেৰি কৰি থাকিলে মানুহবোৰে নানা ধৰণে ফুচুলাব।

জীয়েকৰ কথাখিনি বুজিবলৈ যত্ন কৰাৰ সময়তে কেইবাটাও মানুহ লৈ ডিম্ব ওলালহি। এটা এটাকৈ মানুহবোৰৰ চিনাকি কৰি গ'ল। শকত-আৱত এইজন হ'ল বিষ্ণু ৰাভা। গান গায়, গীত লেখে। আৰু এইজন ওখ-পাখ শুৱনি বামুণ ফনী শৰ্মা। তেজপুৰত ঘৰ, অভিনেতা।

এইজন শুৱনি ডেকা শিৱসাগৰৰ ফুনু বৰুৱা, ফিলি মত গদাপাণি।

ডিম্বই সকলো বিলাকৰ চিনাকি দিব নেলাগিল। কাৰণ বহুতেই নিজেই চিনাকি দিলেহি।

দেউতাকক ছোৱালীজনীয়েই মোহিনী, ভন্টি আৰু মাকনৰ লগত চিনাকি কৰি দিলে। মোহিনীক দেউতাকে আগতেই চিনি পায়। আহোম ৰাজবংশৰ শেষৰ ৰাজ কুমাৰৰ জীয়ৰী।

গোলাঘাটৰে তিৰোতা বেছি। কেম্পত সকলোৱে একে লগে নিৰাপদে থাকে। সকলোৱে জীয়েকৰ ভৱিষ্যতৰ কথা ভাবি ঘূৰাই নিনিবলৈ অনুৰোধ জনালে। অৱশেষত জ্যোতি নামৰ ছোৱালী এজনী আহিল। জ্যোতিয়ে তেওঁক খুব বুজালে আৰু জোৰ কৰিয়েই জীয়েকক ৰাখিলে। তেওঁৰ উপায় নাইকিয়া হ'ল। জীয়েকৰ লগত যোৱা সৰু ভায়েকটোক লগত লৈ মানুহজন আকৌ গমিৰি ধনশিৰিয়েদি উভতি আহিল।

ছোৱালীজনী উভতি অহাৰ লগে লগে সমাজত বিচাৰ হ'ল। সন্দিকৈৰ ঘৰ পতিত হৈছে। গাঁৱৰ মান-যশ বিনাশ কৰিছে। এতিয়া সিহতে পৰাচিত হব লাগে। প্ৰায়চিত্ত নহলে খোৱা-বোৱা, মিলা-মিচা সকলো বন্ধ। তেওঁলোকক এতিয়া সমাজ চ্যুত কৰা হ'ল। সমাজৰ মুখীয়াল সকলৰ আদেশ মানি ছোৱালীজনীক বাপেকে পৰাচিত কৰিবলৈ নিদিলে। কি অপৰাধ তাইৰ?

আমি পৰাচিত কিয় হ'ম? মোৰ ছোৱালীয়ে একো বেয়া কাম কৰা নাই। তাই দেশৰ কাম কৰি আহিছে। ৰাইজে আমাক এৰিলেও পৰাচিত আমি নহওঁ। বাপেকৰ এই সবল প্ৰতিবাদৰ ফল স্বৰূপে ঘৰখনে নানা নিৰ্যাতন উৎপীড়ণ সহিব লগাত পৰিল। সিহঁতৰ ঘৰৰ মানুহ দেখিলে বহুতেই থু-থু কৰে, তিতকাৰী মাৰে, আৰু কত যে কি!! তথাপি ঘৰখনে কোনো কথাত পৰোৱাই নকৰিলে। বাপেকহঁতে নিজৰ বুকু ফিন্দাই হাল বালে, মাক-জীয়েক লগ হৈ ভূঁই ৰুলে, ধান দালে। তাঁতৰ পাতত খট্ খট্ মাকো চলালে। দুৰপতিৰ শুৱলা মাতত ঘৰখন ৰজন জনাই থাকিল। নিৰ্ভীক বাপেকৰ বাবেই ঘৰখনৰ কোনোৱে শিৰ অৱনত নকৰিলে।

পানী আনিবলৈ গৈ অপদস্ত হোৱা ছোৱালীজনীৰ মনটো সবল কৰি তুলিবলৈকে সেই দিনাই বাৰীত এটা কুঁৱা খান্দিলে।





পাছফালে বাৰীত এটা পুখুৰী আগৰে পৰা আছিল। কিন্তু গেলাবিল-ধনশিৰিৰ হৈ যোৱা ডাঙৰ পানীটোৱে পাৰ বুৰাই পেলোৱাত পানীবোৰ নষ্ট হ'ল। ঘৰুৱা কামবোৰ সেই পুখুৰীৰ পানীতে কৰিলেও, খোৱা-পানীৰ বাবে বৰপুখুৰীৰ পানী আনি আছিল। ইমানদিন মাকেই পানী অনা কামটো কৰিছিল। গাঁৱৰ মানুহে ছোৱালীজনীক ভাল ব্যৱহাৰ নকৰাৰ বাবে তাই ওলাই নগৈছিল। আজিহে তাই মাকৰ কথামতে পানী আনিবলৈ গৈছিল আৰু তাতেই ঘটনাটো ঘটিল।

ছোৱালীজনীৰ বিদ্ৰোহ কৰিবলৈ মন গ'ল। তাই যেন ঘৰৰ আগেদি যোৱা চেউলৈনী আলিটোলৈ ওলাই আহি গাওঁ বুঢ়া শাতোলা, বৰমেধি, মেম্বৰ সকলোকে নাম ধৰি মাতি সুধিব - "পানী চুৱা হয়নে?" মাটি চুৱা হয়নে?

কিন্তু সোধা নহল। অনাখৰী মানুহবোৰৰ নিজা বিবেচনা নাই। সুবিধাবাদী দুটামানৰ কথাতে হয়ভৰ দি ইমান দিন সমাজ পাতিছে। একেটা নামঘৰতে জাত-পাত গুৰি গোষ্ঠীৰ বিচাৰ। তেনে এজাক মানুহৰ মাজত চিঞৰ বাখৰ কৰাটো অৰ্থহীন বুলি তাই পাছ মূহুৰ্ত্ততে অনুভৱ কৰিলে।

মনৰ দুখত দিনটো তাই বাহিৰলৈ নোলাল। মনৰ দুখ বাঢ়ি যোৱাৰ লগে লগে গাৰ বিষো বাড়ি আহিল। গাঁঠি হাজৰিকাৰূপী ফনী শৰ্মাই চমতাৰে সঁচা সঁচিকৈ কোবোৱা আৰু কোঁট কুৰা গছজোপাৰ কাঁইটে বিন্ধা বিষবোৰেও তাইক হেঁচা মাৰি ধৰিলে। তদুপৰি তিনিমাহ হৈ গ'ল। কাৰোৰে খবৰ নাই। ডিম্বৰো দেখাদেখি নাই।

গৰমৰ দিন। অন্যদিনৰ দৰে আগফালৰ দীঘল পদুলিটোৱেদি ছোৱালীজনী ওলাই নাহিল। ভিতৰতে সোমাই থাকিল। বাঁহ-খেৰৰ ঘৰটোৰ আগফালৰ চালিখনৰ তলত বহি মাক-বাপেক দুয়োৰে কথা বতৰাত তাইৰ বিয়াৰ কথা ওলাল। বাপেকে কলে যে যোৰহাটত এঠাইত ল'ৰা এটা ওলাইছে, তালৈকে সোনকালে তাইক দিয়া ভাল হব। মাকেও হয়ভৰ দিলে। ভিতৰৰ পৰা ছোৱালীজনীয়ে কথাবোৰ শুনি আছিল। এইবাৰ তাই ৰ'ব নোৱাৰিলে। বাহিৰলৈ ওলাই আহি তাই কলে, - দেউতা মই কাৰোৰে লগত বিয়া নহওঁ।

নহয় অ' আই! তোক দৰা পাওঁতে দি দিওঁ। তেতিয়া গাঁৱৰ মানুহ মখাৰ মুখতো চূণ পৰিব। আমিও দোষত নপৰোঁ।

নহয় দেউতা! আপুনি বুজা নাই। মই যদি এখন দলঙত ভৰি থলেই অপৱিত্ৰ হৈ যায়, তেনেহলে এখন ঘৰত কইনা হৈ ভৰি থলে সমাজ খনে সুখেৰে এৰিবনে? লোকৰ ঘৰ এখন ধ্বংস কৰিবলৈ মই নাযাওঁ। মই গোটেই জীৱন অবিবাহিত হৈ থাকিম। তথাপি বিয়াত নবহোঁ। মই সমাজখনৰ এনেকৈয়ে প্ৰতিশোধ লম। আপুনি আৰু মোৰ বিয়াৰ বিষয়ে চিন্তা নকৰিব-তাই কলে। ছোৱালীজনীৰ কথাত মাক-বাপেক দুয়ো নিশ্চুপ হৈ ৰ'ল। মাকে তথাপি উচুপি উঠিলে। কি হব তাইৰ ভৱিষ্যত।

দেউতা আৰু ভাবিব নালাগে। আজিৰ ঘটনাই মোক শিক্ষা দিছে। মোৰ সৰুকালৰে পৰা একে লগে ডাঙৰ দীঘল হোৱা লগৰী বোৰে মোক শিক্ষা দিছে। মই কি দোষ কৰিলো, মই নিজেও নাজানো। ভৱিষ্যতত কি আছে মই নাজানো। চিৰকুমাৰী হৈ তাঁত বৈ, ভূঁই ৰুই, কঠিয়া তুলি টান কাম কৰি খাম। ককাই-ভাইহঁতে মোক ভৱিষ্যতে থাকিবলৈ আশ্ৰয় নিদিবনে? মোৰ নিচিনা দুখ-অপমানত মানুহ আত্মঘাতী হয়। মই কিন্তু নহওঁ। মই পাপ কৰা নাই, মই একো বেয়া কাম কৰা নাই। মই দেশৰ এটা সুন্দৰ দিনৰ কাৰণে আত্মত্যাগ কৰিলো যেনিবা। মোৰ বাট সুন্দৰৰ বাট। আনে নুবুজিলেও মই বুজোঁ। দেউতা আপুনি চিন্তা নকৰিব। মই আপোনাৰ ছোৱালী। পৰিস্থিতিক মই চম্ভালিব পাৰোঁ। আমাৰ বংশ পৰিয়াল আমাৰ গাওঁখন, মোৰ জন্মৰ গাওঁ পানী দিহিঙীয়া খনে ভৱিষ্যতে এদিন কব আইদেউ সন্দিকৈ এই গাঁৱৰ মাজেদি যোৱা চেউনী আলিটোৰ দৰেই সংঘাটত ক্ষত বিক্ষত হলেও সৰল আৰু পোন বাটৰ যাত্ৰী - "জোনাকী বাটৰ যাত্ৰী।"

আইদেউৰ দীঘল বাক্যালাপত বাপেক নিস্তব্ধ হৈ গ'ল। মনে মনে ভাবিলে – আইদেউয়ে ঠিকেই কৈছে। সমাজৰ এদিন পৰিবৰ্তন হব। এই সাহসী ছোৱালীজনীক এদিন সমাজে চিনি পাব। তাইৰ বৰ্তমানে অসমৰ ভৱিষ্যত ৰচিব।

অসহনীয় দুখৰ মাজতো দেউতাকৰ মুখত হাঁহি বিৰিঙিল। উৎকট গৰমৰ মাজতে মহুৰা পথাৰৰ ওপৰেদি বৈ অহা এজাক মুকলি বতাহে ঘৰখন যেন শাঁত কৰি গ'ল।

❖❖❖

# প্ৰেমৰ বেদনা

ছানোৱাৰ হুছাইন
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

নিদ্ৰাৰ শেষ আমেজ কণ তেতিয়াওঁ ৰিজুৰ চকুৰ পৰা আঁতৰি যাব খোজা নাই। গ্ৰীন স্কাইলাইটৰ মায়াময় পোহৰত ৰিজুৰ কোঠাটো তেতিয়া সপোন পুৰী যেন লাগিছিল। বুকুত গাৰুটো আলফুলে সাৱটি চকুৰ পৰা এই মাত্ৰ হেৰাই যোৱা সপোনটো ঘূৰাই আনিবলৈ দুচকু মুদি পুনৰ চেষ্টা কৰিলে ৰিজুয়ে। সপোন দেখাৰ এক সুকীয়া মাদকতা আছে।

গুৰুম! বজ্ৰপাতৰ শব্দত ৰিজু এক প্ৰকাৰ চক্ খাই উঠিল। দেখিব খোজা সপোনটো ইতিমধ্যে আঁতৰি গল। টোপনি আৰু নাহে । টেবুলৰ পৰা 'ৰহস্য' খন কেমকৈমৰ্কে আঁউজিলৈ ৰহস্যৰ পাত লুটিয়াই থাকিল। দহ পোন্ধৰ মিনিটমান হৈছিল কিজানি। ৰিজুয়ে মামনি ৰায়ৰ উপন্যাস খনৰ শেষ পৃষ্ঠা পাইছিলগৈ। হঠাৎ ৰিজুৰ কগালত কেইটোপালমান পানী ছিটিকি পৰিল । ৰিজুই চক খাই উঠিল। আকাশৰ পিনে চালে। আকাশত এজাক কলা ঘোৰ যেন যুদ্ধৰ প্ৰস্তুতি, অলপ পিচতে সম্ভৱতঃ বৰষুণ হব। ইতিমধ্যেই টিপ-টিপ- বৰষুণৰ টোপাল ৰিজুৰ কোঠালিৰ খিৰিকীৰ গ্লাছত। ৰিজুই খিৰিকীখন বন্ধ কৰি ললে।

চিগাৰেট এটাৰ প্ৰয়োজনীয়তা তীব্ৰতাৰে অনুভৱ কৰিলে। টেবুলৰ ড্ৰয়াৰৰ পৰা চিগাৰেটৰ পেকেটটো উলিয়াই আনোতে ৰিজুৰ চকু স্থিৰ হৈ ৰল, ড্ৰয়াৰৰ এচুকত ৰখা পুৰণা ফটো এলবামখনলৈ। ৰিজুই ফটো এলবামখন উলিয়াই ললে। চিগাৰেটত অগ্নি সংযোগ কৰি এলবাম খনৰ পাত লুটিয়াই থাকিল। এলবাম খনৰ তৃতীয় পাতটোত থকা ফটো খন চাই ৰিজুৰ চকু স্থিৰ হৈ ৰল। এয়া দেখোন সৌৰভ, মনোজ আৰু ৰাজীৱৰ মাজত ৰিজু। ৰিজুৰ সোঁফালে ৰুমী। কিমান যে মধুৰ আছিল সেই শৈশৱ-যৌৱনৰ সোণালী দিনবোৰ। সৌৰভ আৰু মনোজ এতিয়া কলেজৰ অধ্যাপক। ৰাজীৱে চহৰত দোকান এখন দিছে। কিমান দিন যে হল-সিহঁতক লগ পোৱা নাই। সময় বৰ নিষ্ঠুৰ, নিৰ্দয়। দীপা আৰু ৰাণীৰো বিয়া হৈছে। দুয়োৰে গিৰিয়েক শিক্ষক । এয়া ৰুমী ! এওঁৰো বিয়া হৈছে। কিন্তু সবিশেষ নাজানে ৰিজুই। এইজনীয়েই সেই ৰুমী যাৰ লগত ৰিজুৱে জীৱন গঢ়াৰ সপোন ৰচিছিল। গভীৰ ভালপোৱা আছিল দুয়োৰে মাজত। কিন্তু সকলো বোৰ খেলি-মেলি হৈ ৰিজুৰ জীৱনৰ পৰা আঁতৰি গল ৰুমী । কিন্তু কিয় ? ৰিজুৰ ভুল হোৱা নাছিলতো?

কি ভুল হব ৰিজুৰ । ৰুমীয়েইতো নিজেই চিঠিৰে জনাই দিছিল ৰিজুক সি যেন কেতিয়াওঁ লগ নধৰে ৰুমীক। তাইৰ যোৱা সপ্তাহত বিয়া হৈ গল। তাইৰ অকৃত্ৰিম ভালপোৱাৰ শপত দি কৈছে নতুন সংসাৰ খন যেন সি ধ্বংস নকৰে। তাইক যাতে সি পাহৰি যায়। কিন্তু ৰিজু.....

দাদা! চাহ – মিনাৰ মাতত ৰিজুৰ ভাৱনাত যতি পৰিল । মিনা ৰিজুৰ ভন্টি।

নিজা বাইকত উঠি ৰিজু অতিত ৰোমন্থনত মগ্ন হল। আহল-বহল ক'লা বিটুমেন পিটচৰ ৰাষ্ট্ৰীয় ঘাই পথটোৰে ৰিজুৰ বাইক খন ধাৱমান হৈছে গোৱালপাৰা অভিমুখে, তীব্ৰগতিত। ৰিজুৰ



আজি কি নাই। এখন বিদেশী বিলাসী গাড়ী, বাইক, ধন, চহৰৰ সু-উচ্চ অট্টালিকা। কেৱল ৰিজুৰ মনৰ অদৃশ্য কোণত কিবা এটা সম্পদৰ যেন অভাৱ । মূহুৰ্ততে ৰিজু তৃষ্ণাতুৰ হৈ পৰে। কোনো পানীয়ে তেওঁৰ তৃষ্ণাৰ অন্ত পেলাব নোৱাৰে । বাইকৰ গতি তীব্ৰৰ পৰা তীব্ৰতৰ হল।

মাথোন চাৰি বছৰ আগৰ কথা । নিজা ঘৰ চাপৰত যদিও, অধ্যাপক দেউতাৰ লগত বৰপেটাত থাকিবলৈ লয়। সৰু কালৰে পৰাই ৰিজু মাক দেউতাকৰ মৰম বিচৰামতেই পাইছে। ৰিজু তেতিয়া বিএছছি. দ্বিতীয় বৰ্ষৰ ছাত্ৰ। নতুন ঠাইৰ নতুন কলেজ এখনত ন-পুৰণি হওঁতে বহুত ছাত্ৰ-ছাত্ৰীৰ লগত খুব কম দিনৰ ভিতৰতে মিলা প্ৰীতি গঢ়ি তোলা তাৰ চৰিত্ৰৰ এটা মহৎ গুণ বুলি





কব পাৰি। এদিন দুদিনকৈ দিনবোৰ আগবাঢ়িল। বৰ্ষাৰ পিছত শৰৎ আহিল। ঋতু পৰিবৰ্তন হল। ৰিজুৰ মনটোওঁ সময়ৰ সতে আগবাঢ়ি গল। আইন দহ জনৰ দৰে তাকো আকোৱালি ললে চিৰ হাস্যময়ী গোৱালপাৰা কলেজে। সকলোয়ে কলেজলৈ অজস্ৰ সপোন লৈ আহে। কিছুমানৰ সপোন পূৰ্ণতা পায় আৰু কিছুমানৰ সপোন হেৰাই যায়। দিন বাগৰাৰ লগে লগে যৌৱনৰ দুৱাৰ ডলিত ভৰি দিয়া ৰিজুৰ মনটোয়ে অকণি মৰম বিচাৰি কপাঁহ তুলাৰ দৰে উৰি ফুৰিব ধৰিলে। এদিন বন্ধু মনোজৰ লগত চিনেমা চাবলৈ যাওঁতে চিনাকী হল সেই ঠাইৰে ৰুমী নামৰ এজনী ছোৱালীৰ লগত। ৰুমী ! ৰুমী একেখন কলেজৰ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী। চহৰৰ সম্ভ্ৰান্ত পৰিয়ালৰ ছোৱালী। প্ৰথম পৰিচয় সূত্ৰেই তেওঁলোকৰ মাজত বন্ধুত্ব গঢ়ি তুলিলে। অতি কম দিনৰ ভিতৰতে সেই বন্ধু প্ৰেমলৈ ৰূপান্তৰিত হ'ল। মেল খালে ৰিজুৰ প্ৰেমৰ দুৱাৰ ..... ।

'প্ৰেম'। এই দুটি আখৰৰ সৰু শব্দটোৱে প্ৰত্যেক মানুহৰ জীৱনলৈ কঢ়িয়াই আনে এক নতুন অৰ্থ । প্ৰেম শব্দটো দুটা বৰ্ণৰ সমষ্টি, ইয়াৰ গভীৰতা সাগৰতকৈও দ, বিস্তৃত। আকাশতকৈও বিশাল। প্ৰেম স্বৰ্গীয় দান। প্ৰেম এনেকুৱা বস্তু যাক দেখিব নোৱাৰি, আনকি চুবও নোৱাৰি কেৱল উপলব্ধিহে কৰিব পাৰি। প্ৰেমে যিদৰে ধ্বংস কৰিছিল ট্ৰয় নগৰ, সেইদৰে প্ৰেমৰ বাবেই আগ্ৰাত নিৰ্মাণ হৈছিল তাজমহল।

প্ৰথম চিনাকী হোৱাৰ দিনৰ পৰাই ৰিজুৰ প্ৰতি ৰুমীৰ মৰম দিনক দিনে বাঢ়ি গল। ৰিজুৰ কিন্তু মাজে মাজে চিন্তা আহে, সি যদি ৰুমীক হেৰুৱাব লগা হয় ....... । সিযে কেতিয়াও ৰুমীক হেৰুৱাবলৈ ৰাজী নহয়। কিয়নো ৰিজুৰ হৃদয় জয় কৰা প্ৰথম মৰমৰ অধিকাৰীয়েই হ'ল ৰুমী। বি,এছছি, ফাইনেল পৰীক্ষা দি ৰিজু দিল্লীত থকা মোমায়েকৰ ঘৰত গলগৈ। ভাগিন ৰিজুক সৰুৰে পৰা মোমায়েকহঁতে বৰ মৰম-স্নেহ কৰে। মাহৰ অন্তত মোমায়েকহঁতে আহে অসমলৈ ৰিজুৰ খবৰ লবলৈ। কিন্তু এই বাৰ কিবা কাৰণত আহিব নোৱাৰি ফোন যোগে ৰিজুক যাবলৈ কৈছিল। সুদীৰ্ঘ তিনিমাহ মোমায়েকহঁতৰ লগত অতিবাহিত কৰি ৰিজু উভতি আহিল অসমলৈ । ৰিজুৰ আৰু কিছুদিন থাকিবৰ মন আছিল যদিও ৰুমীৰ কাৰণেই আহিব লগা হ'ল। নিজা ঘৰত আহিয়েই ৰিজুৰ চকু পৰিল লেটাৰ বক্সৰ ভিতৰত ৰৈ যোৱা চিঠি মনলৈ। চিনাকী চিনাকী লাগিল লেফাফাৰ ওপৰত লিখা আখৰ বোৰ। খৰধৰ কৰি লেফাফাৰ এফালে চিঙি আৱিষ্কাৰ কৰিলে ৰুমীয়ে দিয়া এখন বগা কাগজৰ টুকুৰা। ৰিজুৰ ভাল লাগি গল। এনে লাগিলে যেন ৰুমী তাৰ সন্মুখত থিয় হৈ আছে। আনন্দ মনে চিঠিখন পঢ়িবলৈ আৰম্ভ কৰিলে ৰিজুই । কিন্তু এয়া কি ...... ? ৰিজুই চিঠিখন পঢ়াৰ সলনি কাটি ফেটি সাপৰ দৰে 'ৰ' লাগি কঁপিবলৈ ধৰিলে। কি লিখিছে ৰুমীয়ে...?

হঠাৎ বাইকখনৰ গতি বন্ধ হোৱাত ৰিজু বাস্তৱলৈ ঘুৰি আহিল। ক'ত আহিল ৰিজু ? আশে-পাশে দেখোন গেৰেজ এটাও নাই। । 'যতে বাঘৰ ভয় ততে ৰাতি হয়' – কথাষাৰ ৰিজুৰ মুখেৰে ওলাই আহিল। বাইক খন ভাল কৰিবলৈ চেষ্টা কৰোতেই পিছফালৰ পৰা নাম কাঢ়ি দিয়া চিনাকী মাতত ৰিজু চক্ খাই উঠিল।

এয়া দেখোন পংকজ বৰা ; ৰিজুহঁতৰ কলেজলৈ নতুনকৈ অহা পদাৰ্থ বিজ্ঞান বিষয়ৰ অধ্যাপক । কলেজ বন্ধ কাৰণে বৰ্তমান নিজ ঘৰতেই থাকিবলৈ লৈছে। ৰিজুৰ ইচ্ছা নাছিল যদিও ছাৰৰ অনুৰোধ ৰাখিবৰ কাৰণে যোৱাটোকে ঠিক কৰিলে। আহল বহল আসাম টাইপ দুটা ঘৰ। পদুলীৰ দুয়োমূৰে দুজোপা ওখ বটল ব্ৰাছ আৰু নাৰিকল গছ। ড্ৰয়িং ৰুমত আহিবলৈ দি বৰা ছাৰ ভিতৰলৈ সোমাল । কিছু সময়ৰ পিচত ছাৰৰ পিছে পিছে মূৰত সামান্য ওৰণি লৈ যি গৰাকী মহিলা হাতত চাহৰ ট্ৰে লৈ ভিতৰলৈ সোমাল, তাকে দেখি বিদ্যুৎতৰ দৰে কিবা এটাই যেন ৰিজুৰ মগজুত খুন্দা মাৰিলে। কব নোৱাৰাকৈ ৰিজু বহাৰ পৰা থিয় হল। ইমান ঠাণ্ডাতো ৰিজু ঘামি গল। ৰিজুই মহিলা গৰাকীক আকৌ এবাৰ ভালকৈ চালে। তাৰ ভুল হোৱা নাইতো? নাই, নাই তাৰ ভুল হোৱা নাই। সেই একেই নাক, একেই চকু, একেই টুলবুলীয়া ওঁঠ আনকি বাওঁ গালত থকা সৰু কলা দাগটোও হুবহু মিল!

এয়া দেখোন ৰুমী, ৰুমী ৰায় ! ....... এক অনামি ক্ষোভ , বেদনা আৰু প্ৰদত্ত আক্ৰোশত গুজৰি উঠিল ৰিজু। পাই হেৰুৱাৰ দুখ কেৱল অভিজ্ঞ জনেহে উপলব্ধি কৰিব পাৰে। বলিয়াৰ দৰে সি বাহিৰলৈ ওলাই আহিল। আকাশত তেতিয়া কলা ডাৱৰে গুণ-গুণাই কথা পাতি আছিল।

তেতিয়া ৰিজুই এক মনে উপলব্ধি কৰিলে যে প্ৰেমৰ আনন্দ ক্ষণস্থায়ী কিন্তু প্ৰেমৰ বেদনা চিৰস্থায়ী।

# নিশ্চলতা

মৃদুল শৰ্মা
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

ছমাহৰ পিছত ময়ুৰীয়ে দেউতাকৰ পৰা চিঠিখন পাইছিল। ছমাহৰ আগতে লাজমান কাতি কৰি থৈ ময়ুৰীয়ে দেউতাকলৈ লিখিছিলঃ দেউতা! আমাক যেন ক্ষমা কৰে। আপুনি হয়তো মৰ্মান্তিক আঘাত পাইছে। কামটো মই ইচ্ছাকৃত ভাবেই কৰিলো। এই আটাইবোৰ জানি-শুনিও মই কেলেই এনেকুৱা কৰিলো বুজাব নোৱাৰো। তথাপিও আমাক আশীৰ্ব্বাদ কৰিব আমি যেন সুখী হওঁ। তাৰ পিছত লিখিছিলঃ এটা ডেভেলপমেন্ট অফিচৰ এওঁ এজন এক্সটেনশ্যন অফিচাৰ। ষ্টেচনৰ পৰা এক মাইল মান দক্ষিণলৈ গলেই ব্লকটো পাব। তাতেই এটা কোৱাৰ্টাৰত আমি থাকো। আপুনি যদি আহে আমি পৰম সুখী হ'ম।



পলাই যোৱা জীয়েকৰ পৰা চিঠি পাই দেউতাক জ্বলি-পকি উঠিচিল যদিও ময়ুৰীয়ে বাছি লোৱা ল'ৰাটো চাবৰ বাবে বুঢ়াৰ মনটো বৰ উদ্গ্ৰীৱ হৈ পৰিছিল। মাক নোহোৱা ছোৱালী জনীৰ সুখ-শান্তিৰ বাবে দেউতাকে কি কৰা নাছিল। অথচ দেউতাকৰ সকলো মৰম - আদৰ অৱহেলা কৰি স্ব-ইচ্ছাৰে এটা অচিনাকি ল'ৰাৰ লগত পলাই গ'ল। যিটো ল'ৰাক দেউতাকে চিনি নাপায়, যাৰ কথা দেউতাকে একোকে নাজানে, যাক এদিনো দেখা নাই, গুৰি-গোষ্ঠী কি একোকে নাজানে তাক চাবলৈ বুঢ়া যায় কেনেকৈ ? তথাপি দেউতাকৰ মনত নানান প্ৰতিক্ৰিয়া হলেও এটা কথাই তেওঁৰ মনত তোলপাৰ লগালে-লৰা'টো কেনেকুৱা ? নিশ্চয় তাইৰ দৰেই ধুনীয়া, মাৰ্জিত আৰু শিক্ষিত। ডেভেলপমেন্ট ব্লকৰ এজন এক্সটেনশ্যন অফিচাৰ বাৰু কোন হব পাৰে ? বুঢ়াৰ সেইখিনি বিষয়ে কোনো ধাৰণা নাছিল। কল্পনা কৰিলে, অন্ততঃ এজন ডিগ্ৰীধাৰী শিক্ষিত যুৱক, দায়িত্বশীল ! পৰিপাটি, সুন্দৰ। ময়ুৰীয়ে নিশ্চয় তাইৰ উপযোগী দৰাই বাছি লৈছে!

ময়ুৰীৰ চিঠিখনৰ উত্তৰ লিখিবলৈ লৈ দেউতাক বাৰে বাৰে ভাৱনাত পৰিল। পিতৃত্বৰ অভিমানত মনটো বাৰে বাৰে ওফন্দি উঠিল। ময়ুৰীয়ে তেওঁৰ নিচিনা পিতৃৰ স্নেহ উলাই কৰি অচিনাকি ল'ৰা এটাক সৰ্বস্ব বুলি ললে - তেনে এজনী ছোৱালীৰ গিৰিয়েকক চাবলৈ তেওঁৰ মান হানি হোৱাৰ বাহিৰে আন একো নহয়। সিহঁতৰ ঘৰলৈ নাযাওঁ। বৃদ্ধই মনস্থ কৰিলে। সিহঁতকো মই ঘৰলৈ নামাতো। তাই মোলৈ চিঠি দিয়া মানে মোক অপমান কৰা। মোৰ মৰ্য্যাদা আছে। মই তাইলৈ চিঠি নিদিওঁ। উত্তৰ নিদিয়াটোকে ঠিক কৰিলে। এইদৰে দুদিনমান মনে মনে থাকিল। কিন্তু ক্ৰমান্বায়ে মানসিক প্ৰতিক্ৰিয়াই তেওঁক অস্থিৰ কৰি পেলালে । বুঢ়াই এবাৰ দকৈ গমি চালে, আন নহলেও ল'ৰাটোক অন্ততঃ এবাৰ চাব পাৰি। সি নিশ্চয় সুন্দৰ, ময়ুৰীৰ যোৰৰ। তাক এক মুহুৰ্ত্তৰ বাবে হলেওতো চাব পাৰি। ভাবি চিন্তি ময়ুৰীলৈ লিখিলেঃ শুনিছো তহঁতৰ ব্লকৰ ওচৰৰ ৰেলষ্টেচনটোত হেনো ৰেল এক মিনিট মানৰ বাবেহে ৰয়। ৰাতি দুই বজাৰ সেইখন মেইল ট্ৰেইন। অহা বুধবাৰলৈ সেইখন ট্ৰেনতে ডিগবৈলৈ যাম। তহঁতৰ তাত নামিব নোৱাৰিম। তহঁত দুয়ো সেই সময়ত ষ্টেচনলৈকে আহিবি। ষ্টেচনৰ ওচৰতে আছ যেতিয়া আহিবলৈ একো অসুবিধা নহ'ব। আহিবি। তাতেই দেখা হ'ম।

ছমাহৰ পাছত দেউতাক আৰু জীয়েকৰ মাজত এয়া প্ৰথম যোগাযোগ। ময়ুৰীয়ে সচাঁকৈ বৰ অন্যায় কৰিলে। দৰাৰ বিষয়ে কোনো পৰিচয় ঘূণাক্ষৰেও নিদি এইদৰে ঘৰৰ পৰা ওলাই গৈ তাইৰ ইচ্ছা মতেই এনে কাম কৰি পেলোৱাটো তাইৰ বাবে কিমান অন্যায় হ'ল সেই কথা আজি ছমাহৰ পাচত হে তাই ভালকৈ উপলব্ধি কৰিলে। দেউতাকৰ চিঠি পাই ময়ুৰীয়ে বুজিলে তাইৰ গিৰিয়েকক চাবলৈ দেউতাক আকুল হৈ পৰিছে। অন্ততঃ দেউতাকৰ যদি মনঃপুত হৈ যায় তেওঁ কিমান সুখী হব!





চিঠিখন পাই ময়ুৰীয়ে হুক-হুককৈ কান্দিবলৈ ধৰিলে। তাই দীঘল হুমুনিয়াহ কাঢ়ি বাৰে বাৰে আকুল হৈ পৰিল। অবুজ এক বেদনাত তাইৰ মন-প্ৰাণ ভাঙি পৰিল। এটা সময়ত তাই ঠিক কৰিলে দেউতাকক সোনকালেই লগ ধৰিব। ৰাতি দুই বজাত হলেও ষ্টেচনলৈ যাব। দেউতাকৰ প্ৰতি কৰা ইমান অন্যায়ৰ বাবে তাই ক্ষমা খুজিব। দেউতাকে নিশ্চয় তাইক ক্ষমা কৰিব।

সেইদিনা দেউতাকৰ কথা মতেই ছিগনেলৰ অলপ আঁতৰৰ বেঞ্চ এখনত ময়ুৰীয়ে বহি বহি ৰাতি দুই বজাত ৰেল অহালৈ বাট চাই ৰ'ল। চাৰিওফালে ৰাতিৰ ডাঠ কুঁৱলী। কিন্তু ষ্টেচনৰ দুই ফালে দুটা খুঁটাত আইনাৰ বাকচত আঁৰি থোৱা ডাঙৰ হাৰিকেন দুটাক কুঁৱলীয়ে নিষ্প্ৰভ কৰিব পৰা নাই। মানুহ জন্তুৰ ক'তো হুৱাদুৱা নাই। বহুত পৰ বহি থকাৰ পিছত ময়ুৰীয়ে হাত ঘড়ীটোলৈ চালে। তাৰ পিছত ষ্টেচনৰ প্লেটফৰ্মৰ ফালে আগবাঢ়ি গৈ বেঞ্চ এখনত বহি দিলে।

অলপ পাছতে মানুহ এজন আহি ময়ুৰীয়ে বহা বেঞ্চখনতে বহিল। মানুহজন চুটপেন্ট পিন্ধা, চকুত চছমা। হাতৰ এয়াৰ বেগটোৱে তেওঁ যে এজন যাত্ৰী তাৰ প্ৰমাণ দিলে। নিশা দুই বজাৰ এই ষ্টেচনত ষ্টেচন মাষ্টাৰ, দুটা লাইনমেন, দুটা পইন্টছমেন, ময়ুৰী আৰু এই আগন্তুক যাত্ৰীৰ বাহিৰে আন কোনো মানুহ নাই। নিশা জয়াল হৈ আহিছিল। অদূৰৈত শিয়ালৰ হোৱা । ষ্টেচনৰ এই নিৰৱতা তাই যেন এতিয়াহে অনুভৱ কৰিলে। আগন্তুকলৈ আকৌ এবাৰ চাই পঠালে। নিষ্ঠুৰতাৰ এক প্ৰতিঘাতত তাই যেন থকাসৰকা হৈ পৰিবলৈ ধৰিলে। কিন্তু মূহুৰ্ততে তাই নিজকে স্থিৰ কৰি ললে। ইমান পৰে ময়ুৰীয়ে ৰাতিৰ কুৱঁলী অথবা জাৰৰ বাবেই হওঁক অলপ আগলৈকে মূৰত ওৰণি টানি লৈছিল।

এতিয়া খহাই ললে।

যাত্ৰীৰ ফালে চাই-ময়ুৰীয়ে যাত্ৰী জনক সুধিলে

ঃ কলৈকে যাব আপুনি ?

ঃ ডিগবৈলৈকে । আপুনি ?

ঃ দেউতা ৰেলত আহিব । লগ পাবলৈ আহিছো।

ঃ ইয়াত নানামে ?

ঃ নানামে, দেখাহে কৰিব। ডিগবৈ লৈ যাব।

ঃ সময় মাত্ৰ এক মিনিট । কথা পাতিব পাৰিব ?

ঃ তথাপি ——

চকুদুটা ময়ুৰীয়ে আকৌ এবাৰ মচি ললে। দীঘল হুমুনিয়াহ এটা ওলাই আহিল। আগন্তুকে তেনে কৰা দেখি থতমত খাই ৰ'ল । ময়ুৰীৰ মনত এইবাৰ এটা ভাব খেলাই গ'ল। নিজকে স্বাভাৱিক কৰি ক'লে "মোৰ এটা অনুৰোধ ৰাখিব? ৰেলখন আহোতে আপুনি অলপ সময় মোৰ ওচৰত ৰব?"

ঃ ময়ো যে ৰেলত উঠিব লাগিব ।

ঃ মাত্ৰ এক মিনিট ।

ঃ এক মিনিট ৰেল ৰয়হে। গতিকে ..... ।

এনেতে ৰেল অহাৰ উকি শুনা গ'ল। দুয়ো আগবাঢ়িল ৰেল লাইনৰ কাষলৈ। আগন্তুকে সুধিলে, "মই একো বুজিব পৰা নাই । কি হৈছে বাৰু দুখ লাগিবলৈ কিটো আছে?

ময়ুৰীৰ বুকুখন কঁপিছিল । তাই বৰ বিনয়েৰে কলে, "মোক এই সামান্য উপকাৰ কৰিব নোৱাৰিবজানো? ৰেল আহিলেই!"

ঃ কাৰণ ?

দেউতাই আজি মোৰ স্বামীক দেখা কৰিবলৈ আহিব।

ঃ তেখেত ক'ত ?

ঃ দুদিনমান হ'ল তেওঁ ঢুকাল ।

ঃ ঢুকাল ? তেন্তে আপোনাৰ দেউতাই কাক দেখা কৰিব ?

ময়ুৰীয়ে এইবাৰ হঠাতে মানুহ জনৰ হাতত ধৰিলে। অনুনয় বিনয় কৰি কলে, "ৰেল আহিলেই । আপুনি মোৰ ওচৰত আলপ ৰওকচোন।"

ৰেল আহিল। ময়ুৰীয়ে যাত্ৰীৰ হাতত ধৰি ৰৈ থাকিল। ৰেলৰ কোনো এক ডবাৰ খিৰিকিয়েদি মূৰ উলিয়াই এজন বৃদ্ধই ময়ুৰীৰ মুখলৈ চাই হাত জোকাৰিলে। দীঘলীয়া উকিটোৰে ৰেলখন পুনৰ আগবাঢ়িল। ময়ুৰীৰ হাতৰ পৰা হাত এৰাই আগন্তুকে কোনো মতে ৰেলৰ আন এটা ডবাত জপিয়াই উঠিল।

ময়ুৰীয়ে চকুপানীৰে ৰেলখনৰ ফালে চাই থাকিল। তাই দেউতাকৰ মুখখন নেদেখিলে.......... ।

# প্ৰেম ভৰা চকুলো

সফিকুল ভূঞা
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

ক্ৰিং – ক্ৰিং – ক্ৰিং .... ঘড়ীটোৱে উচ্চস্বৰে চিঞৰি উঠিল। ঘড়ীটোৰ চিঞৰটো আজি যেন বৰ মিঠা মিঠা লাগিছে। লাহেকৈ এলাৰ্মৰ চুইচ টো অফ কৰি দিলে। একে জাপে বিছনাৰ পৰা উঠি থিয় হ'ল। গোটেই হোষ্টেলৰ লগতে ঘড়ীটোও যেন আচৰিত হ'ল বিদ্যুৎ ইমান সোনকালে বিছনা এৰাৰ বাবে। ৰুমমেট ৰাজে গাৰুত মুখ গুজি উম লব বিচাৰিছিল। তেনেতে বিদ্যুতে চিঞৰিলে।

– এই, উঠ। পাহৰিলি? কোন আহিব আজি ?

কথাষাৰৰ বাবেই ৰাজ ৰৈ আছিল। সিও একে জাপে বিছনাৰ পৰা নামিল। বিছনাৰ কাপোৰ বোৰ ঠিক কৰাত লাগিল।

খিৰিকি এখন খুলি দিলে বিদ্যুতে। দূৰত থকা পাহাৰৰ দৃশ্য এটা চকুলৈ আহিল । পাহাৰটো আজি তাৰ ৰাজাচিমলাৰ সেই পাহাৰৰ দৰে লাগিল। কলেজৰ পৰা এবাৰ গৈছিল সিহঁতৰ ক্লাচটো। তাৰ লগত আছিল মীৰা। কি যে স্মৰণীয় সেই দিনটো।

– দাদা ! ৰাজৰ মাতত বিদ্যুতে যেন সাৰ পালে।

আয়নাত দাড়ি খিনি এবাৰ চালে বিদ্যুতে । খুৰাব লাগিব। ব্লাকমেনত জুবিনৰ কেছেট এটা সুমাই দিলে। গীতৰ তালে তালে দাড়ি খুৰাব ধৰিলে। গালটো এবাৰ চুই চালে । ভাল লাগিল; এদিন পিছত যেতিয়া অলপ গজি উঠে বৰ কৈ খং উঠে তাৰ। ব্ৰাছত টুথপেষ্ট লগাই বাথৰুম লৈ দৌৰ মাৰিলে।

ইতিমধ্যে হোষ্টেলৰ সকলো বৰ্ডাৰ মূখহাত ধুই ব্ৰেকফাষ্টৰ বাবে সাজু হৈছেই। ৰিটুল আৰু চন্দন বিদ্যুতৰ ৰুমলৈ আহিল। এনেতে বিদ্যুতেও বাথৰুমৰ পৰা উভতিল।

– গুড মৰ্নিং, বিদ্যুৎ।

– মৰ্নিং ।

ঘড়ীলৈ চালে বিদ্যুতে । সাত বাজিবলৈ দুই তিনি মিনিটমান বাকী।

– আৰু দুঘন্টা মাত্ৰ! ৰিটুল আৰু চন্দনে একেলগে কলে । সি লক্ষ্য কৰিলে, তাৰ দৰে সিহঁতো উৎসাহিত বৰকৈ। বিদ্যুৎ ! তোমাৰ মনটো আজি সঁচাই বৰ সুখী নহয় নে?

– অকল সুখীয়েই নহয় ; আৰু বহুত কিবাকিবি । সুদীৰ্ঘ তিনি বছৰ পিছত আহিছে সেই দিন। মূৰত ফণি চলাই চলাই কথাষাৰ কলে বিদুতে।

তাৰ প্ৰেমিকা মীৰা, আজি আহিব, এই নগৰ খনলৈ তাক দেখা কৰিবলৈ। তিনিবছৰ আগত দুয়ো বি, এছচি পাছ কৰে গোৱালপাৰা কলেজৰ পৰা। তাৰ পিছত বিদ্যুৎ আহে তেজপুৰ, ইউনিভাৰচিটিত এম, চি, এ লবলৈ আৰু তাই গুৱাহাটীলৈ এম. এছচিৰ বাবে। আৰু এই তিনি বছৰ ফোনৰ



বাহিৰে দেখা হোৱা নাই।

– বিদ্যুৎ, বলা চাহ খাওঁ।

তিনিও ডাইনিং ৰুমলৈ আগবাঢ়িল। ইতিমধ্যে সকলোৱে ডাইনিং ৰুমত আহি আসন লৈছেহি । তাক দেখাৰ লগে লগে সকলো চিঞৰি উঠিল

– ৱেলকাম, ৱেলকাম, উই আৰ ওৱেটিং ফৰ ইউ !

– থেংকছ ।

– দাদা ইয়াত বহক। ৰফিএ ওচৰৰ চকী এখনলৈ দেখুৱাই কলে। খোৱা বস্তু আহিল। বিদ্যুতৰ একো খাবলৈ মন নাই। সকলো বস্তু ওচৰতে থকা, ৰফিহঁতক ভগাই দি খালী চাহ খাব ধৰিলে।

– বিদ্যুৎ, খোৱা নাই কিয় ?





প্ৰেমিকাৰ সতে কথা পাতিবলৈ শক্তিৰ প্ৰয়োজন আছে ; বেছিকৈহে খাব লাগে। চন্দনে কলে।

– খাম, একেলগে , তাই আহিবলৈ ডেৰ ঘন্টাহে বাকী ।

– সঁচাই, আপুনি খুউব ভাল পায় তাইক। শক্তিশালী ভালপোৱা। ৰফিয়ে কলে।

– অকল শক্তিশালী নহয়, ঐতিহাসিক। নিজৰ ৰসিকতাত নিজে হাঁহিলে ৰাজে।

– আচ্ছা বিদ্যুৎ, বাচষ্টেণ্ডৰ পৰা মীৰা কলৈ যাব? ৰিটুলে সুধিলে।

– পোনতে ইয়ালৈ, পিছতহে হোটেললৈ । বিদ্যুতৰ উত্তৰ।

– হলেও পোন প্ৰথমে বিশেষ ঠাইটো লব লাগিছিল। ধেমালীৰ সুৰ ৰফিৰ।

– কলৈ? সকলো উৎসুক।

– ক'টলৈ। হাঁহি উঠিল সিহঁতৰ মাজত।

– ৰিলেক্স। কৃত্ৰিম ধমকি দিলে চন্দনে।

– এনি ওৱে। আমি এতিয়া ওলাম। যাবা কোন কোন মোৰ সতে? বিদ্যুতে সুধিলে।

– মই! মই! মই চাৰিও ফালে চিঞৰি উঠিল।

– ৰাজ। পিন্ধিম কোন যোৰ বিদ্যুতে সহায় বিচাৰিলে।

– নতুন জিনচ্ আৰু ৰঙা স্পটিং পিন্ধিলে কিন্তু ভাল লাগিব।

— No, বৰ ভদ্ৰ পোছাক এটা ল। ৰামুই কলে।

– নে কুৰ্তা-পায়জামা পিন্ধিবি চন্দনৰ প্ৰশ্ন।

– একোই নিপিন্ধো এইবোৰ। বিদ্যুতে কিবা চিন্তা কৰি কলে।

– মানে?

– স্মৰণীয় পোছাক এযোৰ পিন্ধিম। বিছনাৰ তলৰ পৰা ট্ৰাঙ্কৰ চাবিটো উলিয়াই ট্ৰাঙ্কটো খুলিলে। তাৰ পৰা পুৰণি ড্ৰেচ এযোৰ উলিয়ালে। বগা সাৰ্ট আৰু নীলা পেণ্ট।

– পুৰণি তিনিবছৰ আগৰ। নতুনতকৈ পুৰণিৰ সৈতে আত্মীয়তা সদায় বেছি। নহয় নে বিদ্যুতে কলে। তাৰ কথাৰ অৰ্থ কোনেও বুজিব নোৱাৰিলে।

– তিনিবছৰ আগত যেতিয়া মীৰা আৰু মই পৰস্পৰে বিদায় লওঁ, তেতিয়া মোৰ দেহত আছিল এই পোছাক যোৰ। আৰু আজি যেতিয়া পুনৰ দুয়ো লগ পাম তেতিয়া এই পোছাক মোৰ দেহত থাকিব। বৰ আবেগিক ভাবে কলে বিদ্যুতে। তাৰ লগে লগে, ৰাজে, ৰফি আৰু চন্দনেও সাজু হ'ল।

হোষ্টেলৰ সকলো বৰ্ডাৰ সন্মুখৰ গেটৰ ওচৰত আহি লগ লাগিল। ৰাজ আৰু চন্দনে বাইক দুটা উলিয়ালে। সকলোৰে পৰা শুভেচ্ছা লৈ বিদ্যুৎ বাইকত বহিল।

গোৱালপাৰাত থাকোতে, কিমান ফুৰিছিল দুয়ো। ক্লাচত দুয়ো আছিল উল্লেখযোগ্য ছাত্ৰ-ছাত্ৰী । কিমান মৰম আছিল এজনৰ আন জনৰ প্ৰতি। এদিন ক্লাচত নাহিলে উত্তৰ দিব লাগিছিল, কিয় নাহিল। এদিনৰ ঘটনা। বিশেষ কাম থকা বাবে বিদ্যুতে তাইক নোকোৱাকৈ ঘৰলৈ গৈছিল। তিনি দিন পিচত যেতিয়া বিদ্যুৎ কলেজলৈ আহিল মীৰাৰ সতে কথা পাতিবলৈ, তাৰ সাত দিন অপেক্ষা কৰিব লাগিছিল, ভালপোৱাৰ সমানেই আছিল অভিমান। আৰু দুয়ো আজি পৰস্পৰে, পৰস্পৰক নেদেখাকৈ কেনেকৈ দিন পাৰ কৰিব পাৰিলে, ভাবি নিজেই আচৰিত হৈ যায়।

– বিদ্যুৎ ! ৰাজৰ মাতত যেন বাস্তৱলৈ উভতি আহিল। ইতিমধ্যে সিহঁতে ষ্টেচন পালে। বাইক দুখন পাৰ্ক কৰি, সিহঁত ওৱেটিং ৰুমলৈ আগবাঢ়িল। মীৰাৰ বাবে অনা ফুলৰ থোপাটো ৰফিৰ পৰা বিদ্যুতেই ললে।

– আহিছে ! চিঞৰি উঠিল ৰাজ। চোৱা সেইয়া মীৰা বাইদেউৰ সৰু ভন্টি ৰিণা। আৰু কাষত সেয়া আংকল। বিদ্যুতৰ বুকুত উশাহ ভৰাই ললে বেছি কৈ। অলপ উত্তেজিত হ'ল।

– হাই! ৰীণাই দূৰৰ পৰাই চিঞৰিলে।

বিদ্যুতে ৰীণালৈ হাত আগবঢ়াই দি, চাৰিওফালে চালে

– মীৰা ! মীৰা ক'ত ? ধৈয্যহীন ভাবে বিদ্যুৎ সুধিলে।

– ছবি ! ৰীণাই ৰহস্যময় হাঁহিৰে কলে।

– মানে ? আচৰিত হ'ল বিদ্যুৎ।

– তাই অহা নাই ! এপ্ৰিলফুল । ৰীণাই কলে।

– অ' ! আজি তো প্ৰথম এপ্ৰিল ! ৰাজে কলে।

গোটেই আকাশ খন যেন বিদ্যুতৰ ওপৰত ভাঙি পৰিল। হাতৰ পৰা ফুলৰ থোপাটো কেতিয়া মাটিত পৰিল কবই নোৱাৰিলে। বিদ্যুতৰ পিছফালৰ পৰা আহি কোনোবাই ফুলৰ থোপাটো তুলি বিদ্যুতৰ সন্মুখত থিয় হ'ল। তেওঁ যেন নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে। চকুৰ টোপাল-প্ৰেম ভৰা চকুৰ টোপাল মচি লৈ ভালকৈ চালে। হয়, ঠিকেই সেইজনীয়ে তাৰ বিচৰা পাহি মীৰা। বিদ্যুতে আৰু ৰৈ থাকিব নোৱাৰিলে, সাবটি ধৰিলে।

# সঙ্কট

ঋষভ না
স্নাতক ২ বৰ্ষ (কলা



চাহকাপত অলপ খৰকৈ চুমুক কেইটা দি বৰুৱাই বাৰান্দাখন ঘেৰি ৰখা লোহাৰ ফুলবোৰৰ মাজেদি সেইটো চুকৰ ফুলনি খনলৈকো এবাৰ চালে। খিৰিকীৰ পৰ্দাৰ ফাঁকেদি সৰকি যেন পোহৰৰহে সেইবোৰ পৰ্দা। ভিতৰলৈ জুমি চাই ৰক্তজবাজোপাৰ ফুলবোৰ সেমেকা উদ্বিগ্নতাত ভুগিছে। সৰু সৰু বগা ফুলবোৰ মকৰা জালত ওলমি থকা বহুকেইটা কাগজৰ লাড়ু। জোনাকৰ নিয়ৰত তিতি থকা বগাগোলাপকেইটাও ধুনীয়াকৈ বৰুৱাই বহি থকা ঠাইৰপৰা দেখা যায়। তেওঁ কিন্তু নাচালে। আচলতে তেওঁৰ মগজুৰ দীঘল কাগজৰ লুৰাটো ভৰি গৈছে এটা ডাঙৰ অংকৰ যোগ বিয়োগ আৰু পূৰণ হৰণৰ ভগ্নাংশৰে। এই নতুন চাৱ প্ৰজেক্টটো আচলতেই লাভজনক। যিপিনেই চায়, সিপিনেই সুৰুঙা ফুঁৱাই মৌচাকৰ পৰা যেন একাঁজলিকৈ মৌ উলিয়াই আনিব। ফুঁৱালে মৌবোৰে ঠাই এৰি দিয়াৰ দৰে তেওঁৰো কলম দুই এঠাইত সাৱধানে পিছলালেই হ'ল ঢেৰ সৰকিব। এটাই মাথোঁ চিন্তা, তেওঁক যে খুলি খাইছে; এই চৌধুৰী। এই প্ৰজেক্টত তেওঁৰ লগত যেন পূজাৰীৰ লগত দেউৰী। তালুকদাৰ চাৱৰ লগত আলোচনা এটা কৰিব লাগিব এওঁ মনতে পাগুলি আছে। বৰুৱাই মন কৰিলে সুদা কাপতে তেওঁ চুমুক দি আছে।

'এইফালে অলপ শুনিবানে'

'গৈছোঁ' টিভিৰ ভলিয়মটো আৰু অলপ কমাই দি নম্ৰতা বাৰান্দালৈ আহিল।

আচলতে বৰুৱাই আৰু একাপ চাহহে বিচাৰে। আগৰ কাপ যে তেওঁ কি খালে, চাহ নে পানী একো গম নাপালে। মুখত অলপ মিঠা মিঠা সোৱাদ থাকিলেও তেওঁ জোৰকৈ নিজকে পতিয়ন নিয়ালেহেঁতেন, চাহ; পিচে তেনেও নহয় কিন্তু ।

বৰুৱাই এইবোৰহে যেন অলপ গুৰুত্ব দি ভাবিলে। আৰু একাপ চাহ লাগে বুলিলেই এতিয়া ভলিউম বাঢ়িব 'ডায়াবেটিছৰ ঔষধজোপা দেখোন গাৰ ছাৰ দৰে হৈছে য'লৈকেই যাম নিনিলে সেইসোপা তাতেই থেঁকেছা খায় আৰু চাহ। দিনটোত কেইকাপ চাহ খায় হিচাপ ৰাখিছে। কুনুৱে কৈছে নহয় ছাৰে চাঞ্চ পালেই কাঞ্চাৰ দোকানত মিঠা চাহৰ ফৰ্মাইচ দিয়ে'। কুনুওদে ল'ৰাটোৰ বাৰে বাৰে কাঞ্চাক সোধে চেনী দিয়া চাহ, নে নিদিয়া। কাঞ্চাইও এওঁ শিকাই দিয়ামতে নিদিয়া বুলি কয়; পিছে সিদিনা যেতিয়া ছাগলী পোৱালীটোৱে গিলাছটো বগৰাই চাহখিনি চেলেকিবলৈ ধৰিলে তাৰ যেন মূৰৰ তাঁৰ লৰিল। আহিয়েই লগালে বাইদেৱককঃ হিঁকটয়ালেও কুনুৰ কথা কৈ বৰুৱাৰ পিত্ত উঠায়। 'এ-খালি কুনুৰ কথা; আৰে দেখদেখ কথা, সি মিছা কথা কয়।'

'কিয় ক'ব সি মিছা কথা?'

'এই বকলা বলকি সি চেনী দিয়া মিঠা চাহ একাপ নাপায়?' 'মিছা কথা'

'সেয়েতো; মিছা কথা'

নম্ৰতা খং কৰি যাব খোজে।

'ৰ'বা'

'আৰু কি; ৰসগোল্লা?'

'এতিয়া ৰসগোল্লা নালাগে; ধনৰ বিয়াৰ দিনা হেঁপাহ পলুৱাই খাম। সেই মধুৰ লাইটটো অফ্ কৰি দিবা।'

'ৰ'ব, ই ধনে ছোৱালীজনীৰ ফটোখন দিছে; আপোনাক দেখুৱাবলৈ। ভালেই দেখোঁচোঁ মই।"

'আৰু কিবা কৈছে সি? ক'ৰ ছোৱালী, দেউতাক?'

'দেউতাক নাই; মাকে নাই চুকাইছে; বৰ্ত্তমান মোমায়েকৰ তাত থাকে' বিৰক্তিখিনি লুকুৱাবলৈ চেষ্টা কৰি বৰুৱাই ক'লে, 'চাওঁ'

'এতিয়াই চাব?'

'কিয়?'

'বিচাৰিব লাগিব; দৌৰাদৌৰিকৈ ক'তবা থ'লোঁ মই'

'হ'ব,- চাহকাপ।'

'উঃ চাহকাপ হ'লে ঠিক মনত আছে'





'দুই চামোচ চেনী দিবা'

'আধা চামোচ দিবলৈ হাক দিছে ৰমেনে'

'সিতো ক'বই; সঁচা বেমাৰীবোৰক কওঁতে কওঁতে অভ্যাস হৈছে নহয়; মোৰদৰে নৰ্মলে মানুহকো পত্‌কৰে কৈ পেলায় সেয়ে-'

'হয় দিওকচোন; নৰ্মলে!'

'হাঁঃ হাঁঃ যোৱা যোৱা; দুচামুচ'

বৰুৱাই কাপটো আগবঢ়াই দিয়ে। 'আধা'- বৰুৱানীয়ে কৈ লৈ যায়। চকীখনৰ ওপৰত হাতদুখনেৰে হেঁচা দি উঠি বৰুৱা বাৰান্দাতে এনেয়ে পায়চাৰি কৰি গৈ টিভিৰ ভলিয়মটো বঢ়াই দিলে। বাতৰিৰ সময় হোৱা নাই; কি দি আছে। 'নমস্কাৰ' সংবাদ সঁফুৰালৈ আপোনালোকৰ সন্মুখত মই...... আজিৰ ঘাই ঘাই প্ৰতিবেদন সমূহৰ ভিতৰত বাট পথৰ জৰাজীৰ্ণ অবস্থাই ভৎস অভাবনীয়ভাবে বৃদ্ধি কৰিছে মটৰ দুৰ্ঘটনা, স্ব নিয়োজন শীৰ্ষক সন্মিলনৰ সফল সামৰণি-.'

টিভিৰ গোটেই পৰ্দাজুৰি এখন বিজান মুখ; মূৰ নোহোৱা এটা মৃতদেহ; তেজ আৰু মাংসৰ লাড়ু যেন এটা কেঁচুৱা; দুয়োখন ভৰিৰ ওপৰেৰে দহচকীয়া গাড়ী পাৰহৈ যোৱাৰ মৃতদেহ এটা। ভঙা টিউব লাইটৰ দৰে হাড় ভৰি দুখনৰ যোগনৰ এই ঘটনাটোৰ দৃস্য ক'ত পালে ইহঁতে, ইমান পুৰনি ঘটনা। নাঃ, ক'ত ইমান পুৰণি; আজি দুই আঢ়ৈ বছৰ আগৰহে! সেই ঘটনাবোৰে কথাটোৰ মনত পৰিল তেওঁৰ। দৃশ্যবোৰ অথালি পথালি চিত্ৰৰহে যেন লানি নিচিগা ঢৌ। চকু দুটা বৰুৱাই আঙুলিৰে হেঁচি ধৰিলে।

তেওঁ সেইকেইদিন তাতেই আছিল। বহুত সহায় কৰি দিছিল বেচেৰা যোগেনে। সেই যে যাবৰে আগুৰি আছিল বৰুৱাক; ঘৰ এটা লৈ দিয়াৰ পৰা আৰম্ভ কৰি বজাৰ কৰি দিয়ালৈকে। অস্, বৰ দুখ লাগে বৰুৱাৰো। বাৰে বাৰে কৈছিল তেওঁ; 'মোৰ এটাই বেটী যতীন। বেচেৰী! সৰুৰপৰাই কেনে মাক তাই দেখা নাই, শুই পোৱা নাই মাকৰ কোলাত খাই পোৱা নাই এগৰাহ ভাত মাকৰ হাতেৰে। মোৰ কিবা হ'লেও যেন তই চাৱ' তাইক, যতীন চাবিনে তই?'

'সেয়াও কি ক'বলগাৰ ভিতৰত পৰে?'

মিচিক কৰে হাঁহিছিল ছোৱালীজনীয়ে। বৰুৱাৰ বুকুত যেন ক'ৰবাৰ পৰা এবাহ মৌ উৰি আহি একেলগে পৰিছিল। সেইজনী মাউৰা ছোৱালীৰ কপালত আৰু দুখেই লিখা আছিল। দুখ পালে, তাই খুউৱ দুখ পালে দেউতাকৰ মৃত্যুত। সেইদিনা নিমন্ত্ৰণ কৰি যেতিয়া তেওঁ যোগেনৰ তালৈ ভাত খাবলৈ যাব ওলাইছিল ঠিক তেতিয়াই ফোনত ভাহি আহিছিল স্মৃতিৰ মাত। কান্দোনে চেঁপি ধৰা ডিঙিৰ মাজেদি খুউৱ কষ্ট কৰি ওলাই আহিছিল হস্পিতালৰ নামটো। বৰুৱা দৌৰি গৈছিল। বৰুৱাৰ খৰচতে দুদিন চিকিৎসাধীন হৈ থকাৰ পাছত তৃতীয়দিনা যোগেন ঢুকাল। মৰাৰ আগমুহূৰ্তত বৰুৱাক যেন সি কিবা ক'ব খুজিছিল। কিন্তু তাৰ কথাৰ একো এটা বুজি পাব পৰা নাছিল। গেঙনিহে যেন। তথাপি বৰুৱাই বুজিছিল। ক'বলগা কথাৰ ভিতৰত যি আছে, জীয়েকৰ কথা সেয়া ক'ব লগা নহয় মুঠেই। বৰুৱাই তাইক বুকুৰ ভিতৰত সুমুৱাই ল'লে।

হঠাৎ কাৰেণ্ট গ'ল। বৰুৱা আন্ধাৰতে বহি ৰ'ল। চকুৰেদি সৰ্‌সৰ্‌কৈ ওলাই অহা চকুপানী নোমোচিলে তেওঁ। মুহূৰ্তলৈ তেওঁৰ ভাৱ হ'ল যেন আন্ধাৰবোৰ বৰফৰ দৰে গোট মাৰি গৈছে ক্ৰমশঃ। ডাঠ এটুকুৰা আন্ধাৰক মাজত তেওঁ কোনো শিলত কটা শিল্প। সিটো ৰুমত তাই, মাজনীয়ে ঠহ্‌কৈ দিয়াশলাইৰ কাঠি এটা জ্বলালে। ধন এতিয়াও আহি পোৱাহি নাই। বাহিৰত চেঁচা জোনাক।

'ভিতৰতে আছেনেকি?'

'অ'; গৈছোঁ।'-

নম্ৰতাৰ হাতৰ পৰা চাহকাপ লৈ বৰুৱা চোতাল পালে। নাৰিকলৰ পাতৰ জাল ফাঁলি জোনাক সৰকিছে। ওপৰত পাখিমেলি পৰি থকা পখী যেন শাৰী শাৰী তামোল। এনে মিঠা পৰিৱেশ এটাত তেওঁ চাহকাপ খুউৱ ভালকৈয়ে খাব খুজিলে; কিন্তু সেই পুৰণি চিন্তাই যেন তেওঁক বাৰে বাৰে পাছলৈ টানে। জোৰকৈ বৰুৱাৰ ভাবিবলৈ ইচ্ছা হয় যে সেইজন মানুহ তেওঁ নাছিল। কাৰোবাৰ দুৰ্বল মুহূৰ্তৰহে যেন তেওঁ নিৰৱ সাক্ষী হৈ ৰ'ল। তেওঁতো ইমান দুৰ্বল হ'ব নোৱাৰে। খোজোতো তেওঁ লেখি লেখি দিয়ে। এটাৰ পৰা আনটো খোজপৰে হাতেৰে খেপিয়াব পৰা দূৰত্বত, কি হ'ল তেনে পলকতে!

যোগেন ঢুকোৱাৰ পাছত স্মৃতিৰ সকলো দায়িত্ব আহি পৰিছিল বৰুৱাৰ মূৰৰ ওপৰত। ক'ত কেনেকৈ কি কৰা যায় তাকে লৈ বৰুৱা চিন্তা কৰিছিল বেচ কিছুদিন। এবাৰ যদি ভাবে তাইক মোমায়েকৰ তালৈ পঠিয়াব, পাছমুহূৰ্ততে ভাবে নিজৰ লগত ঘৰলৈ নিব। মাজনীতকৈ বয়সত ডাঙৰ হ'ব যদিও বাই ভনীৰ দৰে মিলি থাকিব। নম্ৰতাৰো লগৰীয়া হ'ব। ভাবিছিলহে, সিদ্ধান্ত হ'লে কৰিব পৰা নাছিল। তাইৰো মোমায়েকৰ পৰিয়ালত থকাৰ ইচ্ছা নাই। কি কৰা যায়।

বৰুৱা মানুটো ভিতৰি ঘামি উঠিল, চাহত চুমুক খৰকৈ পৰিব ধৰিলে। সেই সন্ধিয়া। আধা বৰষুণত তিতি তেওঁ যেতিয়া ঘৰৰ ভিতৰত সোমাইছিল স্মৃতিয়ে লেম্প জ্বলাই আছিল। তেওঁ জোতাযোৰ থ'বলৈ হাউলি যাওঁতে তায়ো নেদেখা কৈয়ে পিছুৱালে আৰু তেওঁৰ গাত ঠেঁকা খালে। হঠাৎ জানো কি হ'ল আৰু অকণো ভাবিবলৈ মন নগ'ল। তিতি থকা তপিনাত খাঁমুচি ধৰি তাইক বুকুত সুমুৱাই ল'লে। 'খুৰা কি কৰে', তাইৰ ওঁঠ দুটা বৰকৈ কঁপিব ধৰিলে;

'স্মৃতি মোৰ সোন, মই তোক মোৰ সকলো দিম; মোক তই ক্ষমা কৰ', আলফুলে তাইৰ কঁপি থকা ওঁঠ দুটা কামুৰি তেওঁ বন্ধ কৰি দিলে। ইতিমধ্যে যতীন বৰুৱা নিজৰে পৰা বহু দূৰ আঁতৰি গৈছে। কঠোৰ হৈ পৰিছে হাত দুখন তেওঁৰ তাইৰ বুকুৰ উম বিচাৰি। বাহিৰত বৰষুণৰ জোৰ বাঢ়ি আহিছে। জেদতে বিজুলীয়ে আকাশখন চিৰিলা চিৰিলকৈ ফাঁলিছে। পিছুৱাই দুয়ো কোনো এক চৰম মুহূৰ্তত ওৱালত ঠেঁকা খাই ৰৈ গ'ল। জোৰবে

এছাটি বতাহ আহিল আৰু লেম্পটো নুমাই থাকিল। আলিঙ্গণাবদ্ধ এটা ভাস্কৰ্য যেন আঁক খাই ৰ'ল এটুকুৰা কংক্ৰিটৰ পাথৰত।

সকলোবোৰ ঘটনা এই যেন বৰুৱাৰ চকুৰ সমুখতে ঘটি গ'ল। বৰুৱাৰ গাটো শীতল হৈ আহিল। সেৰেঙা বতাহ এছাটিত তেওঁ জিকাৰ খাই উঠিল। চাদৰখন ডিঙিলৈ মেৰিয়ালে। দুচকু মুদি ধৰাত দুটোপাল চকুলো ওলাই থুঁতুৰিয়েদি বৈ গৈ কাপোৰত পৰিল। বাওঁহাতেৰে মোহাৰি পেলালে তেওঁ। এনেকুৱা হ'লে কেনেকৈ চলিব; মমৰ দৰে গলি গলি শেষ হৈ যাব নেকি তেওঁ। হৈ যোৱা ঘটনাতো মোচি নতুনকৈ ঘটাব নোৱাৰি; চেষ্টা মাত্ৰ কৰিব পাৰি ঘটনাবোৰ বেয়া ফল কিমানখিনি প্ৰতিহত কৰি পাৰি আৰু তাৰ প্ৰভাৱ কমাব পাৰি। পৰাখিনি বৰুৱাই সকলো কৰিছে। মাহেকে পষেকে এতিয়াও স্মৃতিলৈ টকা তেওঁ পঠিয়াই আছে। তাই পঢ়ি আছে; তাইক তেওঁ পঢ়ুৱাই আছে। আৰু কি কৰিব। দেখাদেখি হ'লে এতিয়াও তাই আগৰ দৰে ধুনীয়াকৈ হাঁহে, খুৰা বুলি মাতি মিঠা মাতেৰে কথা পাতে। সেই কথা তাই পাহৰিছে, তেৱোঁ পাহৰিব লাগিব। সঁচাকৈয়ে স্মৃতিয়ে তেওঁক ক্ষমা কৰিছে; তায়ো গম পাইছে সকলো সময়ৰ দোষ।

ধনৰ ধৰ্ ধৰ্ স্কুটাৰৰ শব্দই বৰুৱাকো কঁপাই তুলিলে। চক্ খাই উঠিল তেওঁ। দীঘলকৈ নিশ্বাস এৰি আত্মবিশ্বাসৰ জোৰত গল হেঁকাৰণি এটা মাৰিলে। দীনেশৰ তাতো অলপ টকা পাবলগা আছে; আৰু টকাৰ দৰকাৰ হৈছে তেওঁৰ। এখন বিয়া মানে এবাহ খৰচ, আৰু এটাই ল'ৰা হাত খুলি খৰচ কৰিবলৈ মন যায় তেওঁৰ। ইফালৰ সিফালৰ মুঠ মিলি যিমান আহিব পাৰে হিচাপ এটা কৰি চালে মনতে। ইফালে মিস্ত্ৰীও অহা নাই আজি দুদিন ধৰি; সেইফালেও তামাম খৰচ আছে। মিস্ত্ৰীৰ ওপৰতো খং উঠিল; বাৰ বাৰ কোৱা হৈছে সোনকালে উলিয়াই দিব লাগে.... বৰুৱা ফোনটোৰ ওচৰলৈ গ'ল। জব্বৰকে খবৰ দিব পাৰিলে; যেনেতেনে এই দুই একৰ ভিতৰত কাঠ নপৌছালেই নহয়। ইমান দিন লাগে নেকি, দুনিয়াত আৰু কাঠ দিয়া মানুহ নাই। আৰু দুটা চৌকাঠ লাগে খিৰিকীৰ, খবৰটোও দিব লাগে। কিছুসময় বৰুৱা ব্যস্ত হ'ল। তাৰ মাজতে তেওঁ মন কৰিছে ধনে আখলঘৰলৈ মাকৰ লগত কিবা কথা পাতিছে। লাইনটো কাটি তেওঁ কিছুসময় ৰ'ল। মাজনীৰ কোঠাৰ পৰা কাগজ কটাৰ শব্দ আহিছে কেচিৰে। অ' তয়ো অলপ টকা খুজিছিল; কি জানো অনা বুলি ক'লে। টিভিৰ সিকাষে ফুলদানিটো পৰহি তাই তেওঁক দেখুৱাইছিল। প্লাষ্টিকৰ ফুল যেন মুঠেই নালাগে; কিছুসময় ভাবিলে তেওঁ, সোঁহাতৰ আঙুলিকিটা বুটামবোৰৰ ওপৰত কঁপি আছে; কি জানো আছিল নাইন, নাইন, অ' টু নাইন জিৰ টু

– –

টাৱেল খনেৰে তেওঁ ফোনটো ঢাকি থৈ দিলে।

'অ' কিবা'–

'চাওঁ বুলিছিল'

'–ফটোখন পালা।'

'এইখন'

'অখনিচোন কৈছিলা বিচাৰিব লাগিব বুলি; ধন আহাযেন পালোঁ।'

'আহিছে'

'হয় নেকি?', সি আহিয়েই মাকক দুআষাৰ শুনাইছে দেখি তাৰাতাৰিকৈ তায়ো বিচাৰি পাইছে। বৰুৱাই বুজিছে

'দিয়া।'

ইপিনে মাজনীয়েও আহি মাকৰ কান্ধত হাউলি পৰিছে।

'দেউতা বজাৰত ৰতন খুৰাক লগ পাইছিলোঁ। পৰহি এবাৰ দেখা কৰিব বুলি কৈছে।' ধনো আহিল। ৰতন দেখোঁ সদায়ে আহে; সেই কথাই তাৰ যাম যাম দেখাদেখি নাই; তাৰ কাম হ'ব লাগিছিল'; সেয়া অজুহাতহে ধনৰ। লাহেকৈ টুলখন টানি দেউতাকলৈ চালে। বগা এনভেলপ লাহেকৈ মোকলাই বৰুৱাই ফটোখন উলিয়ালে। উলিয়ায়ে তেওঁ থৰ পৰিল। বুকুত যেন তেওঁৰ এবাহ মৌমাখিয়ে একেলগে বিন্ধিলে।

উদং তালুৱে গোটেইখন কপালত ঘামে বিৰিঙি উঠিল।

'তামোল খাইছে নহয় আপুনি'

একো বুজি নপোৱাৰ দৰে বৰুৱাই নম্ৰতালৈ চালে। কেঁচা তামোল খাবলৈ মানা কৰিছিলোঁ। নহয়; কিয় মাজনী, তোক বটা লুকাই থ'বলৈ কোৱা নাছিলোঁ।

'ভালনে দেউতা'

একো বুজি নোপোৱাৰ দৰে বৰুৱাই মাজনীলৈ চালে। তায়ো হাঁহিছে। ধনৰ পিনে চালে। ধনে চকু ঘূৰালে।

'স্মৃতি বোলে নাম।' মাজনীলৈ আকৌ চালে বৰুৱাই। সঁচাকৈয়ে তেওঁ একো বুজি পোৱা নাই।

'বি. এ. ফাইনেল দিছে' মাকে ক'লে

'মাক দেউতাক নাই; মোমায়েকৰ তাত থাকে'

তেওঁ ধনৰ পিনে চালে। সি আকৌ ক'লে

'মোমায়েক মোহন চৌধুৰী, চিনি পাবই চাগে'–

বৰুৱাই সুস্থিৰ ভাবে একো চিন্তা কৰিব পৰা নাই। এইবোৰ সৱ কি স্মৃতিৰে ষড়যন্ত্ৰ। তাইক ই ধনে লগপালে ক'ত নে তাই তেওঁক ক্ষমা কৰা নাই। এনে লটিঘটি কৰি হোৰ তুলিব বিচাৰিছে। ধনৰ কথাটো তাইৰ নাজানিবলগা একো নাই বোধহয়। পাকটো কোনখিনিত। লাহেকৈ তেওঁ কপাল খন মোহাৰি আকৌ এবাৰ ফটোখন চালে। নাকেৰে বৈ আহি এটোপাল ঘাম ফটোখনত পৰিল, নমোচিলে তেওঁ। ধনলৈ আৰু এবাৰ চালে। তাৰ চকু মুখত দৃঢ়তা। হঠাৎ যেন স্মৃতিৰ চিনাকী সেই ধুনীয়া হাঁহিটো বৰুৱাৰ অচিনাকী হৈ পৰিল, গভীৰ ৰহস্যময়। চকু দুটা মুদি তেওঁ মূৰটো ওপৰলৈ তুলিলে। তাই ধনক সেই বিষয়ে কিবা ক'ব পাৰে নেকি। বৰুৱাৰ মূৰ ঘূৰাবৰ উপক্ৰম হ'ল।

'দেউতাক মনালিচাৰ লগত মিলাই চাইছে', মাজনীয়ে হাঁহিলে। চকু মেলি দেখিলে তেওঁ মনালিচা বন্ধোৱা পেইন্টিংখন। হাঁহিব খুজিও নোৱাৰিলে। হঠাৎ থাপ মাৰি ধৰা পাৰ চৰাই এটাৰ দৰে তেওঁলো বুকুখন ধৰফৰাই উঠিল।





# এজাক ধুমুহাৰ অন্তত

মেঘনা চৌধুৰী
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

কথাষাৰ শুনি মনিমালা জিকাৰ খাই উঠিল। এটা অদ্ভুত ধৰণৰ বেদনা আৰু ক্ষোভে তাইক যেন হেঁচা মাৰি ধৰিলে। কিয় বাৰু এনেকুৱা হৈ গ'ল? তাই বাৰু এনে কি দোষ কৰিছিল যে জীৱনৰ নামত ইমান ডাঙৰ শাস্তি পাবলগীয়া হ'ল? নানানটা প্ৰশ্নই জুমুৰি দি ধৰিলে মনিমালাক। জীৱনৰ আটাইতকৈ মূল্যৱান সম্পদটো হেৰুৱাৰ মুহূৰ্ত্তত তাইৰ হিয়া ভগা কান্দোন ওলাই আহিল। তাই বাৰু কেনেকৈ মানি ল'ব যে ওৰেটো জীৱন তাই মা হোৱাৰ গৌৰৱৰ পৰা বঞ্চিত হৈ থাকিব। জীৱনৰ কোনোবা এটা সময়ত তাইৰ এই অপ্ৰাপ্তিয়ে জীয়াই থকাটোৱেই দুৰ্বিসহ কৰি নোতোলিবনে? এনেকুৱা এটা যন্ত্ৰণাদায়ক সত্য মানি ল'বনে অৰুনাভে? সি পাৰিবনে সহজ হ'ব? ইমান দুৰ্দান্ত আৰু দূৰদৰ্শী প্ৰেমিক অৰুনাভ যে এতিয়াই সি মনিমালাক কয়, জানা মনি মই ভাঁবো তুমি নহলে মোৰ জীৱনটো ইমান ধুনীয়া কেতিয়াও নহ'লহেতেন। তুমি এদিন ধুনীয়াজনী হৈ কইনা সাজেৰে আমাৰ ঘৰখনৰ বোৱাৰী হ'বা,




ঘৰখন যেন নতুন ৰঙেৰে ৰঙীন হৈ পৰিব। কিছুদিন পিচত আমাৰ মাজলৈ এজনী অকণমানি পৰী আহিব, তোমাৰ দৰে একোচা কেঁকোৰা চুলি আৰু ধুনীয়া চকুদুটাৰে তাই যেন আমাৰ হাঁহিব পৰা পুতলা এটাহে হ'ব। মোৰ নামটোৰ লগত মিলাকৈ তাইৰ নাম থ'ম অৰুন্ধতী, অৰুনাভৰ অৰুন্ধতী।" কথাবোৰ শুনি মনি আচৰিত হৈছিল, লাজে তাইক চাৰিও পিনে যেন আৱৰি ধৰিছিল, "ইমান দূৰলৈকে ভাবিব পাৰে সি!" তাই ভাবিছিল। আজি তাইৰ জীৱনৰ এনেকুৱা এটা কঠোৰ বাস্তৱক কেনেকৈ বাৰু মানি ল'ব অৰুনাভে ? তথাপিও তাই আশা কৰিছে সি বুজিব। কিন্তু এক অজান উৎকণ্ঠাত কঁপি উঠিল মনিমালা

অৰুনাভ আৰু মণিমালা, গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাণীবিদ্যা বিভাগৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰী। তেওঁলোকৰ প্ৰেমৰ বয়স তিনি বছৰ। যোৱা তিনিটা বছৰত দুয়ো দুয়োকো বুজিছে, চন্তালিছে, ভাল পাইছে তেওঁলোক এজনে আনজনৰ হিয়াৰ ইমান কাষত যে অৰুনাভে মনিমালাৰ প্ৰতিবিধ হাঁহিৰ অৰ্থ সম্পূৰ্ণৰূপে বুজি পায় আৰু মনিয়ে পঢ়িব পাৰে অৰুনাভৰ প্ৰতিটো চাৱনিৰ ভাষা। কলেজৰ সুবিখ্যাত যুটি অৰুনাভ মনিমালাক প্ৰায়ে একেলগে প্ৰত্যক্ষ কৰে সকলোৱে। তেওঁলোকৰ মাজৰ মৰম আৰু আত্মিয়তাত সকলোৱে আপ্লুত হয়। ক্লাচ নথকাৰ সময়বোৰত তেওঁলোকক প্ৰায়ে ডিপাৰ্টমেণ্টৰ গাতে লাগি থকা পুখুৰীটোৰ পাৰত অইন লগৰীয়াৰ লগত দেখিবলৈ পোৱা যায়। সহপাঠী সকলোৱে জানিছিল অৰুনাভৰ আৰু মনিমালাৰ যেন গোটেই পৃথিৱীখনেই ঘুৰিছিল অৰুণাভৰ চাৰিওফালে। এনেকুৱা এটি যুটিক আজি কলেজত নেদেখি কিছু আচৰিত হৈছিল প্ৰজ্ঞান। অৰুনাভ মনিমালাৰ সহপাঠী প্ৰজ্ঞান স্বভাৱতঃ ফুৰ্তিবাজ, উৎপতীয়া ল'ৰা আৰু তেওঁলোকৰ ভাল বন্ধু। "এনেকুৱা কেতিয়াও আগেয়ে হোৱা নাই। সিহঁত দুটাই একেলগে প্ৰেক্টিকেল ক্লাচত অনুস্থিত আছিল কিয়? কলেজৰ অইন ল'ৰা-ছোৱালীৰ নিচিনাকৈ সিহঁতে ক্লাচ ফাঁকি মাৰি অইন কেতিয়াও নকৰে তেনেহলে আজিনো কি হ'ল," প্ৰজ্ঞানে নিজৰ মাজতে কথাখিনি জুকিয়াই চালে। 'এনেয়ে এবাৰ ফোন এটা কৰি চাওঁ। মণিমালালৈ কৰা প্ৰজ্ঞানৰ কলটো ধৰিলে তাইৰ মাকে। "তাইৰ গাটো সিমান ভাল হয়, মনটোও মাৰি আছে। তুমি এবাৰ আহিবাছোন।' তেওঁ প্ৰজ্ঞানক এইখিনিয়েই ক'লে।

"অ'ভেৰিয়েন চিষ্ট! ডাক্তৰ বৰভূঞাই ডিল কৰি আছে কেচটো। মোৰ ৰাইট অ'ভেৰিত হেনো চিষ্ট কিছুমানৰ সৃষ্টি হৈছে। তেওঁ কোৱা মতে অপাৰেচন কৰি অভেৰিটা উলিয়াই দিলে মই সম্পূৰ্ণ সুষ্ঠ হৈ যাম। আগৰ দৰে একেবাৰে নৰ্মলে।" কথাষাৰ কওঁতে কঁপি উঠিছি মণিমালা। অৰুনাভে তাইৰ সোঁহাতৰ খনত ধৰি নীৰৱ হৈ কেৱল শুনিছিল। বহুতো কষ্ট আৰু কান্দোনৰ অন্তত নিজকে প্ৰস্তুত কৰি তোলা মণিমালাই আকৌ ক'লে "কিন্তু অৰুনাভ, তোমাৰ সপোনৰ অকণমাণি পৰীজনীক মই যে কেতিয়াও আনিব নোৱাৰিম," কথাখিনি কওঁতে মনিৰ বুকুখন বিষাই গ'ল। চকুপানীৰে দুগাল ওপচি পৰিল তাইৰ। এইখিনি সময়ত তাৰ বুকুৰ মাজত সোমাই হিয়া উজাৰি কান্দিব মন গ'ল মনিৰ। কিন্তু তাই হঠাতে অনুভব কৰিলে, তাইৰ হাতখনত ধৰি থকা আৰুনাভৰ হাতৰ

বান্ধোন যেন অকণমান ঢিলা হৈ গ'ল। "তুমি বেছি চিন্তা নকৰিবা, এতিয়া শুবলৈ যত্ন কৰাছোন। মই পিছত আকৌ আহিম," অৰুনাভে এইখিনি কৈয়ে তাইৰ কোঠাৰ পৰা ওলাই গ'ল। মণিমালাই আকৌ এক অজান সংকাত কঁপি উঠিল। "হাতদুখনৰ বান্ধোনৰ দৰে সিহঁতৰ মৰমম বান্ধোনো বাৰু ঢিলা হ'বলৈ ধৰিব নেকি?" তাই ভাবিলে।

আবেলিৰ ফালে প্ৰজ্ঞান আহিল। তেতিয়ালৈকে মণিৰ চকুত শুকান চকুপানীৰ এটা প্ৰলেপ পৰিছিল। মনিয়ে নিজৰ অসুখৰ কথাটো অতি শান্তভাৱে প্ৰজ্ঞানৰ সন্মুখত কৈ গ'ল। কোনো উচুপনি অথবা ক্ষোভৰ চিন নথকাকৈ কৈ গ'ল। কোনো উচুপনি অথবা ক্ষোভৰ চিন নথকাকৈ কৈ যোৱা কথাকেইষাৰৰ মাজতো কিন্তু প্ৰজ্ঞানে বিচাৰি পাইছিল বেদনাৰ আভাস। সি জানিছি এই বেদনা কেৱল মনিৰ অসুখটোৰ বাবেই নহয় বৰঞ্চ তাই অৰুনাভক হেৰুৱাৰ সংকাৰ বাবেহে বেছি তীব্ৰতৰ। মনিৰ গালদুখনত লাগি থকা চকুপানীৰ প্ৰলেপটো প্ৰজ্ঞানৰ আগত যেন স্পষ্ট হৈ পৰিছিল। "মই নে এক মূহুৰ্ত্ততে মূল্যহীন হৈ পৰিলো প্ৰজ্ঞান। আজি মোৰ ভাৱ হৈছে মোৰ যেন সকলোখিনি শেষ হৈ গ'ল, মই যেন লাহে লাহে অৰুনাভক হেৰুৱাই পেলাম," মনিয়ে ক'লে। প্ৰজ্ঞান কিছুসময়ৰ বাবে হুতবাক হৈ গৈছিল। মনিক বাৰু কি বুলি ক'ব সি ভাবি পোৱা নাছিল। কেৱল কৈছিল, "ভগৱানৰ ওপৰত বিশ্বাস ৰাখা মনি, এদিন সকলোখিনি ঠিক হৈ যাব। তুমি কেৱল এইখিনিয়ে জানিবা যে আজিও তুমি সম্পূৰ্ণ আৰু চিৰদিন সম্পূৰ্ণ হৈয়ে থাকিবা। অশেষ প্ৰেম ভৰা অন্তৰ এখনিৰ গৰাকী হৈ তুমি জানো কেতিয়াবা মূল্যহীন হ'ব পাৰা?" কিছু সময়ৰ কথোপকথৰ পিছত প্ৰজ্ঞান ওলাই আহিল। মনিক এৰি থৈ আহিলেও সি এটা কথাই ভাবি থাকিল, মানুহৰ শাৰীৰিক কোনো অসুবিধা বা অসমৰ্থতাৰ বাবে প্ৰেমৰ দৰে চিৰন্তন মানসিক অনভূিতি এটা জানো শেষ হৈ যাব পাৰে?

মনিৰ প্ৰেমত বলীয়া হোৱা অৰুনাভ যেন জীৱনৰ কঠিনতম দোমোজাত আহি পৰিছিল। সলোখিনি কথা জনাৰ পিছতো মনিক আকোৱালি ল'লে। নিজৰ পৰিয়ালৰে বৈৰি হৈ পৰিব অৰুনাভ, এই কথা সি জানিছিল। যি সংস্কাৰৰ মাজত অৰুনাভ ডাঙৰ হৈছিল, সেই সংস্কাৰে তাক পৰিয়ালৰ বিৰুদ্ধে যাবলৈ নিদিছিল। সি জানিছিল যে সিখন পৰিয়ালৰ মৰমৰ বান্ধোন চিঙি সি কেতিয়াও ওলাই যাব নোৱাৰিব, কঠোৰ সামাজিক সংস্কাৰত আৱদ্ধ সেই পৰিয়ালে মনিৰ অসমৰ্থতাক কেতিয়াও আঁকোৱালি নল'ব। মনিয়ে সন্দেহ কৰাৰ দৰে তাইৰ জীৱনৰ পৰা লাহে লাহে আতৰি যাবলৈ সাজু হৈছিল অৰুনাভ। এই ধৰণে সাজু হওঁতে অৰুনাভে চকুলো টুকি পাৰ কৰিছিল বহুতো উজাগৰী নিশা; মনে মনে হেজাৰ বাৰ ক্ষমা বিচাৰিছিল তাৰ মৰমৰ মনিৰ ওচৰত।

লাহে লাহে দিনবোৰ পাৰ হ'ল। মনিমালাৰ অপাৰেচন হৈ গ'ল। বাৰদিন হস্পিটেলত থকাৰ পিছত তাই ঘৰলৈ উভতিল। এই গোটেই প্ৰক্ৰিয়াটোত প্ৰাজ্ঞানে পাৰ্য্যমানে সহায় কৰিলে যদিও মনিৰ চকুদুটাই প্ৰতিটো মূহুৰ্ত্তত কেৱল অৰুনাভক কাষত বিচাৰিছিল। পিছে অৰুনাভ নাহিল। হস্পিটেলৰ পৰা ঘৰলৈ ওভটাৰ দিনা অৰুনাভে মনিলৈ প্ৰজ্ঞানৰ হাততে এথোপা ফুল পঠিয়াই দিলে। মনিৰ মনটোৱে প্ৰতি মূহুৰ্ত্ততে চকুলো টুকিলে।

এনেকৈয়ে মনি সম্পূৰ্ণ সুস্থ হৈ উঠিল। তাই ভাবিছিল ঘৰলৈ নাহিলেও কলেজত ছাগে অৰুনাভে তাইক এৰাই চলিব নোৱাৰিব। এই আশা বুকুত বান্ধি তাই কলেজ গৈ পালে। কিন্তু তাতেও তাই মৰমৰ অৰুনাভক কাষত নাপালে। লাহে লাহে অৰুনাভে তাইক সম্পূৰ্ণ ৰূপে এৰাই চলিব ধৰিলে মনিয়ে অনুভৱ কৰিলে, যদিও কলেজখনত সকলোখিলি একে ধৰণে আছে তথাপিও লাইব্ৰেৰীৰ বিশেষ বেঞ্চখনত কলেজৰ খুটাবোৰত দুপৰীয়া বাদাম বুট বিক্ৰী হোৱা দোকানখন কাষত, পুখুৰীৰ পাৰত আৰু লাহে লাহে তাইৰ অন্তৰখনতো কি যেন এক অদ্ভুত শূন্যতাই বাঁহ লৈছে। তাই জানিছিল অৰুনাভ নিৰুপায়। তাইৰ চাৰিওফালে সৃষ্টি হোৱা এই শূন্যতাক পূৰাবলৈ পাৰ্য্যমানে চেষ্টা কৰিছি প্ৰজ্ঞানে তথাপিও তাইৰ অবুজ মনটোৱে অৰুনাভৰ বাবে হাহাকাৰ কৰি উঠিছিল।

মনিমালা ক্ৰমান্বয়ে ভাঙি পৰিবলৈ ধৰিলে। একোতে তাইৰ মন নবহা হ'ল। তাইৰ এই দূৰ্দশা দেখি প্ৰজ্ঞানৰ অন্তৰখন কান্দি উঠিল। বহুতো কথা ভৱাৰ পিছত প্ৰজ্ঞানে মন বান্ধিলে, সি কিবা এটা কৰিব লাগিব। সঁচা মৰম আৰু বন্ধুত্বৰ প্ৰতিমূৰ্তি এই ছোৱালীজনীক সি এনেকৈয়ে ভাঙি যাবলৈ দিব নোৱাৰে। সেয়েহে এদিন প্ৰজ্ঞানে মনিমালাক ক'লে, "পৃথিৱীখন বৰ ধুনীয়া মনি আৰু জীৱনটো অতি মূল্যৱান। এই মূল্যৱান জীৱনটো তুমি এনেকৈ তোমাৰ অতীতকে সুঁৱৰি থাকি শেষ কৰি দিব নোৱাৰা। অৰুনাভ তোমাৰ অন্তৰত সদায় থাকিব সেয়া সঁচা; কিন্তু জীৱনৰ কাহিনীটো সেইখিনিতে অন্ত নপৰে। নতুন উদ্যম আৰু কৰ্ম প্ৰেৰণাৰে তুমি পুনৰ আগবাঢ়িব লাগিব। নিজৰ চাৰিওকাষে এবাৰ ভালকৈ চকু ফৰাই চোৱাছোন, জীৱন গঢ়াৰ বহুতো সমল পাবা। মই আজি কথা দিছো, তোমাৰ লগত থাকি মোৰ বন্ধুত্ব সদায় জীয়াই ৰাখিম তোমাৰ প্ৰতিটো সুখ দুখত কাষত থিয় হ'মহি। আৰু যদি তুমি এজন জীৱনসংগীৰ প্ৰয়োজনো অনুভৱ কৰা, মই তোমাক আঁকোৱালি ল'ম। তোমাৰ প্ৰতিতো হাঁহি সাঁচি থ'ম মনৰ মাজত আৰু প্ৰতিটোপাল চকুপানী মচিবলৈ চেষ্টা কৰিম। মই সদায় এয়ে ক'ম, তুমি আজিও সম্পূৰ্ণ আৰু সদায় সম্পূৰ্ণ হৈয়ো থাকিবা। দুগৰাকী তেজৰ সম্পৰ্ক নথকা সাবালক ব্যক্তিয়ে যদি বৈৱাহিক সম্পৰ্কৰ দাৰা ইজনে সিজনক সম্পূৰ্ণ ভাৱে গ্ৰহণ কৰিব পাৰে, তেন্তে আমি এটি আমি এটি অকণমানি শিশুক আমাৰ নিজৰ কৰি ল'ব নোৱাৰিমনে? সেই দেৱশিশুটিক মানৱ ধৰ্মৰ মাজেৰে সঁচা মানুহ, কৰি গঢ় দিব পৰাটোৱেই হ'ব আমাৰ সাৰ্থকতা। এটা আবুজ নিষ্পাপ শিশুক তুলি লোৱাটো হয়তো পৃথিৱীৰ ভিতৰত আটাইতকৈ পূন্যৰ কাম, কাৰণ সেই পানীকেঁচুৱাটোৰ কোনো জাতি, ধৰ্ম নাই, আছে মাথো এটি ধুনীয়া হাঁহি আৰু নিজৰ মাজতে সম্পূৰ্ণতা।' প্ৰজ্ঞানৰ কথাখিনি শুনি মনিমালাৰ এনেকুৱা লাগিল যেন এজাক ধুমুহাৰ অন্তত এজাক শান্ত শীতল বতাহে তাইক চুই গ'ল।

□□□



# কাব্য বীথিকা



সাম্প্ৰতিক সমাজৰ দেহ আৰু মনে বৰ্তমানৰ কাব্য-চেতনাত নিহিত সম্ভাৱনাবোৰক উচটায় আৰু মোকোলায়। সমাজৰ দেহ মনৰ পৰা ওলাই অহা সমলবোৰে কাব্যিক ঐতিহ্যৰ চিৰন্তন প্ৰবাহতে বাস্তৱবোধ আৰু সৃজনশীল কল্পনাশক্তিৰ নতুন নতুন সংশ্লেষণৰ বাট মোকোলায়। বাস্তৱবোধ আৰু কল্পনাশক্তিৰ সংযোগতে সৃষ্টি হোৱা গৰ্ভত আধুনিকতাই কণ পেলায়। যি কবিৰ বাস্তৱবোধত অতি সাম্প্ৰতিক সমাজ-চেতনাৰ খলকণি উঠাহি নাই, যি কবিৰ কল্পনাই তৎকালীন সমাজৰ নিৰ্মম সত্যৰ সতে হাটবাট কৰিব পৰা নাই, সেই কবিৰ সৃষ্টিত আধুনিকতাই গা কৰি উঠাৰ আশা ক্ষীণ। এনে কবি অতি সাম্প্ৰতিক হৈও আধুনিক নহ'ব পাৰে । আনহাতে মহৎ আওপুৰণি কবিৰ কবিতাতো সেই কালৰেই বাস্তৱবোধৰ অসাধাৰণ অভিব্যাপ্তি আৰু কল্পনাশক্তিৰ গভীৰতা হেতুকে সকলো স্থান আৰু সকলো কালৰ কাৰণে নিহিত হ'ব পাৰে সদায়েই সজীৱ হৈ থাকিব পৰা আধুনিকতাৰ সোৱাদ।

-ড° কবীন ফুকন

# স্মৃতি

নিতুল নাথ
স্নাতক ২য় বৰ্ষ (কলা)



বহুদিনৰ মূৰত মই খিৰিকীখন মেলি দিলো,
বাহিৰত বৰ ধুনীয়া জোনাক হৈছে !
.... তোমাৰ তাতো চাগৈ তুমি সুন্দৰ জোনাক দেখিছা! ...
মোৰ কোঠাৰ ভিতৰখন কিন্তু বৰ এন্ধাৰ ;
তুমি জ্বলাই দিয়া চাকিগছি নুমাই গ'ল নহয় !
মই আজিকালি দাপোনত নিজকে চোৱা বন্ধ কৰিছো,
দাপোনখন লেতেৰা হ'ল নহয়!
অলপ পৰিস্কাৰ কৰি দিওঁ ৰবা !
...... মনত আছেনে তোমাৰ, পূৰ্ণিমাৰ ৰাতি সেউজীয়া হৈ
পৰা আমাৰ ঘাঁহনিডৰা ! ... পিচে, তুমি কিয়
মনত পেলাবা? ... তুমি গুচি গ'লা আনৰ সৈতে,
আমাৰ সেউজীয়া ঘাঁহনিডৰা মহতিয়াই ! .....
উহঃ বাহিৰৰ বতাহজাকে খিৰিকীখন বৰকৈ কোবাইছে!
খিৰিকীখন বন্ধ কৰি দিওঁ নেকি?
এতিয়া জানা, বাহিৰৰ জোনাক মই চাব নোৱাৰো ;
জোনৰ পোহৰে মোক উপলুঙা কৰে !
এতিয়া, মই দাপোনখন চোৱা বন্ধ কৰিছো ;
তোমাৰ প্ৰতিচ্ছবিহে দেখা পাওঁ বাবে !
.. আমাৰ বাগিচাৰ ফুলবোৰ জানা সৰি গ'ল !
তুমি পদূলিমূখত ৰোৱা গোলাপজোপাও
মৰহি গ'ল! ..
সেইজোপা জী' উঠা মই দেখা নাই ;
মই দেখিছো, তুমি মাথো নিশব্দে শুই আছা
মোৰ পদূলিমুখত !
মাথো তুমি !

# নিৰ্জনতা

বিপুল চন্দ্ৰ ৰাভা
স্নাতক ১ম বৰ্ষ (কলা)

সন্তৰ্পণে আগবাঢ়ে
দিনৰ পিছত মাহ
আৰু মাহৰ পিছত বছৰ,
কি এক চেপা উত্তেজনাৰ আবেশ।
ৰিনি ৰিনি সংকেত .........
নিস্তব্ধতাৰ সহস্ৰ বান্ধোনে
কাণ পাতি ৰয়
ৰহস্যৰ সন্ধানত।
হে নিৰ্জনতা .......
মোক অলপ নিৰলে থাকিবলৈ দিয়া
তোমাৰ নিজান ছাঁত ।
হয়তোবা ....
প্ৰাচীনতাৰ গহ্বৰলৈ হেঁচুকি দিয়া
গভীৰৰ পৰা গভীৰতলৈ
অনন্তকালৰ বাবে .....



# স্তব্ধ অনুভূতি

ডিম্পল ন
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (বিজ্ঞা

গোলাপৰ কলিটি দেখি পাহৰি গৈছিলো,
এদিন যে কলিটি পাহি মেলি মৰহি যাব।
জীৱনৰ ৰঙীন স্বপ্নত ডুব গৈছিলো ওৰে ৰাতি,
পাহৰি গৈছিলো মোৰ সোণালী ভৱিষ্যত।
জীৱনৰ মধুৰতম সময় কণত
উপলব্ধি কৰিছিলো মাথো তোমাৰ স্থিতি।
তোমাৰ সুৰত সুৰ মিলাই,
উটি ভাঁহি ফুৰিছিলো বহু দূৰলৈ।
কিন্তু, আজি যে হঠাৎ ভাগৰি পৰিলো।
জীৱনৰ আধা বাটতে,
আশাৰ সমল ৰঙীন সপোনবোৰক,
কোনোবাই যেন ম্লান কৰি পেলালে ।
এতিয়া তুমিও মোৰ পৰা বহু দূৰৈত।
সেয়ে নীৰৱতাৰ নিৰ্জন সন্ধিয়াত
মোহাৰি থাকো মাথো গোলাপৰ
শুকান পাহিবোৰ।
কথা পাতো নীৰৱতাৰ স'তে॥








# শেৱালিৰ সুৱাস

মুকুন্দ ৰাভা
স্নাতক ৩য় বৰ্ষ (কলা)




মোৰ আগ চোতালৰ
শেৱালি জোপাই
শৰতৰ জোনাকত ফুলি
অহোৰাত্ৰি খিৰিকীৰ ফাঁকেদি
সুৱাস বোৰ আহি
কঁপাই তোলে মোৰ হৃদয়ৰ প্ৰতিটো কোঠা,
আৰু অনতিদূৰত হাঁৰ মানে
মোৰ অপৈণত জীৱনে
কাৰণ প্ৰভাতৰ নিয়ৰৰ ঘাঁহনি ডৰাত পৰিলেই
শেৱালিৰ মুল্য শেষ।

# যন্ত্ৰণা

আলী মহম্মদ আজীজ
স্নাতক ২য় বৰ্ষ (কলা)




কিয় জানো
অনুভৱবোৰ শব্দ হৈ নাযায়।
অনুভৱেই ৰৈ যায়।
গোপনে ভাবি থাকো,
তোমাৰো চাগে তেনেকুৱাই অনুভৱ হয়।
পিছে,
ফাগুনৰ এছাটি বিষাক্ত বতাহে
মোৰ হৃদয় চুই গ'ল ।
দুখৰ বাঁহীটো বুকুত গোঁজি দি
তুমি সুহৰিয়ালা ...
জানা,
হিয়াখন বৰকৈ বিষাই গ'ল তেতিয়া,
যেতিয়া তুমি এবাৰো ঘুৰি নাচালা।
যিবোৰ ভাষা নোকোৱাকৈ কোৱা হ'ল।
সুৰৰ বাগিচাত ছন্দবোৰ ওলমি ৰ'ল।
একেই কিছুমান ভাষাৰ বাবে তুমিও উচুপিবানে ?
শূন্যতাৰে পূৰ্ণ হৃদয়ৰ যন্ত্ৰণাৰ কথা
আৰু নুসুধিবা ।
যিদৰে নুবুজা কিহৰ তাড়নাত উচুপে
ৰাতিৰ আকাশত তৰাবোৰে।
এতিয়া,
হিয়াত নিহত সময়ৰ
সপোন আৰু আশাৰ অশ্ৰু।
সপোনবোৰে এতিয়া
নিশাৰ নিৰৱতাত
শুই পৰাৰ আখৰা কৰে
শেতেলিত এমুঠি যন্ত্ৰণা লৈ ।

# হঠাৎ সেইদিনা তেওঁ আহিছিল

উপমা কলিতা
স্নাতক ৩য় বৰ্ষ (কলা)

হঠাৎ সেইদিনা তেওঁ আহিছিল
বাহিৰত তেতিয়া
শাওনৰ প্ৰথমজাক বৰষুণ
আৰু
মোৰ হৃদয়ত
বতাহৰ উপ-পথত
স্মৃতিৰ বৰপেৰা খুলি
তেওঁ মোক
উলিয়াই আনিছিল
জিপ্ জিপ্ বাৰিষাৰ
বৰষুণত তিতি
মই
তেওঁৰ দুচকুত বিচাৰিছিলোঁ
মোৰ হেৰোৱা
নৈখনক
আৰু
এটা সময়ত অনুভৱী আলাপেৰে
মোৰ হৃদয়ৰ
উদং পৃষ্ঠা
পূৰণ কৰি তেওঁ
অহা বাটে উভতিছিল



# আশা

পুষ্কৰ দেৱনাথ
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)

মোৰ বিষাক্ত প্ৰেমৰ যন্ত্ৰণাত পৰি
তাই লাজতে
মূৰ দুপিয়াব বুলি,
মই ভবা নাছিলো।
সিদিনা হঠাৎ অন্ধকাৰৰ ৰাতি,
মোৰ ভৱিষ্যতেৰে ভৰি পৰা
আশাবোৰে
মোক আৰু তাইকো
আঁকোৱালি ল'লে ।
জীৱন নহয়,
এক ধুমুহাৰে ভৰা
পৃথিৱীলৈ আহি
অনুতপ্ত হৃদয়ত পুনৰ
ভৰি থকা আশাবোৰে
মোক মাতি সাৰতি ধৰিছিল।







# সপোন অনুভৱ

জানমনি দাস
স্নাতক ২য় বৰ্ষ (কলা)



এটি সন্ধিয়া,
শীতৰ সন্ধিয়া।
চৌদিশে আৱৰি আছে
কুৱঁলীৰ মায়াজাল ....
মাজে মাজে এছাটি
দেহা কঁপাই নিয়া বতাহ,
সাগৰ খনিৰ বুকুতো আজি
উত্তাল তৰংগ নাই।
যেন কাৰোবাৰ বাবে কৰি
থকা বহুদিনৰ
অপেক্ষাৰ অন্ত !
বতাহ ছাটিয়ে যেন আজি কাণে কাণে
সাগৰক দিলেহি জোনবাইৰ
হিয়াৰ বতৰা।
কুৱঁলীৰ জালখন আঁতৰি যাব খোজে ;
জোনবাই জনীয়ে ভুমুকি মৰাৰ পৰত ।
নিশাৰ গভীৰতাত,
জোনবাইৰ প্ৰতিচ্ছবি
সাগৰৰ বুকুত প্ৰতিফলিত হ'ল।
কিযে এক মায়াবী ৰাতি.....
যেন সাগৰখনিৰ বুকু উজাৰ কৰি দিয়া
এক সুন্দৰ সপোন
সৌ সুদূৰত চৰাই জনীৰ কিৰিলিয়ে
জাননী দিব বিচাৰে,
প্ৰভাত হ'বৰে হ'ল দেখোন
প্ৰভাত হ'বৰে হ'ল দেখোন...

# স্বপ্নভংগন বেদনা

নাজমিন চুলতানা আহমেদ
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)



বহুদিন হ'ল
সপোন ৰচিবলৈ এৰিলো
স্বপ্নভংগন বেদনাত।
বন্দুক বাৰুদৰ ধোঁৱাত
সপোন বোৰচোন কেনিবা হেৰাই গ'ল
কণ কণ আশাবোৰ
কোলাহলত বিলীন হ'ল।
মনবোৰ বিষাদেৰে ভৰিল
কলুষিত এই সমাজলৈ
আহিবনে বাৰু পুনৰ ঘূৰি
এটি সুন্দৰ পৰিৱেশ,
মধুৰ সপোন গঢ়াৰ।

# নৱপ্ৰজন্মলৈ

ছালমা চুলতানা
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

বিংশ শতিকাৰ শ্ৰেষ্ঠ অসমীয়া তুমি
নৱপ্ৰজন্মৰ প্ৰেৰণা।
অসমী আইৰ যুগান্তৰৰ সাধনা তুমি।
শিশু সকলৰ বাবে সৃষ্টিৰ ভৰাঁল।
তেতেলীমৰাৰ পৰা লণ্ডনলৈ বুলি
জয় যাত্ৰা তোমাৰ অপৰিসীম।
ক্ষন্তেকীয়া জীৱনৰ কৰ্মধাৰা তোমাৰ
কিন্ন প্ৰজন্মৰো যেন মিলিত অৱদান।
সময়ৰ প্ৰকৃত পূজাৰী তুমি
ৰজত কমলেৰে বিভূষিত।
প্ৰান্তিক, সঁফুৰাৰ আলোক তুমি, পদ্মশ্ৰীও তুমি
শিশু কল্যাণ ন্যাস তোমাৰেই অৱদান
অসমীয়া ন-পুৰুষৰ বাটকটীয়া তুমি .......
তুমি মহামানৱৰ কল্যাণ ..........!



# প্ৰতাৰণা

মইদুল ইছলাম
স্নাতক ২য় বৰ্ষ (কলা)



কেনেকৈ কওঁ তোমাক
কেনেকুৱা আছিল সেই চাৱনি
যি হৃদয় চুই নিছিল।
কেনেকুৱা আছিল সেই হাঁহি
যি জীৱন লৈ উজ্জ্বলতা আনিছিল,
কেনেকুৱা আছিল সেই নিৰৱতা
যি বহু কাহিনী শুনাইছিল
কিন্তু.........কিন্তু
সকলো শেষহৈ গল তাই
হেৰাই যোৱাৰ ক্ষণত
মোৰ মাজৰ পৰা
সিদিনা আছিল হিয়াৰ লগৰী
নুবুলিলো গলা আঁতৰি
চিঙি মোহাৰি মোৰ আকাশৰ পাপৰি
নালাগে আহিব এতিয়া উভতি
আনৰ মৰম নেউচি
ভুলতো নাচাবা তুমি
নামাৰিবা মিঠা হাঁহি
নালাগে তোমাৰ মৰমকে
নালাগে তোমাৰ প্ৰেৰণাক
থাকিম অকলে অকলে
পাৰিম জীৱন সজাবলৈ
ভুলতো নাচাবা উভতি তুমি মোলৈ।



গোৱালপাৰা মহাবিদ্যালয় আলোচনী

# বৰষুণৰ দুটামান স্তৱক

ঋষভ নাথ
স্নাতক ৩য় বৰ্ষ (কলা)

বৰষুণ কমালৈ অপেক্ষা কৰি গছবোৰ
নিৰবে গোঙা যন্ত্ৰণা সহি সহি
এটা সেন্দুৰ পুৱালৈ প্ৰতীক্ষা মোৰ

পাল পাতি কাপোৰ ফুকোৱা তাঁৰত
সৰি পৰোঁ সৰি পৰোঁ বৰষুণৰ পানী
সাকোঁ বগাই পাৰ হ'বলৈ যেন
বহু মানুহৰ লানি

পৰ্দা গুচাই দিয়া
খিলখিলাই বৈ যাওঁক
ঘৰৰ ভিতৰৰ সুখ বৰষুণত
ঘৰৰ বাহিৰলৈ

কেইযোৰ জুনুকা পিন্ধি জেঠৰ
এঘাৰ বছৰীয়া বৰষুণে সহৰিষে নাচে
দুৱাৰ মুখলৈ আহি যদি সোধে
ক'বা কবি ঘৰতে আছে

মোৰ বুকুৰ পানীপতাৰ শাৰী শাৰী সৰু সৰু গাত
বাৰিষাৰ বৰষুণে খৰাঙৰ চকুপানীৰে
উপচি থাকে। তাত জুবুৰিয়াই মোৰ
আঙুলিৰ মূৰ কবিতা লিখোঁ মই সুখৰ দুখৰ

টিনৰ পানীৰ সূঁতাৰে তাঁত বাতি কাঢ়ি
পাৰা যদি বৈ উলিওৱা
পানীৰ এডুখৰি কাপোৰ
সুখে দুখে সেয়ে হ'ব মোৰ মৰমৰ আবুৰ



# সপোন পখি

মহঃ মোস্তাফিজুৰ ৰহমান
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)



সপোনত কোনোবা এদিন আলিৰ দাঁতিতে গৈ
দেখিলো সোণৰ পখি
ধৰিলো মই সোণৰ পখিটোক
মৰমৰ মুখ খন দেখি।
বহুদিন ৰাখিছিলো পখিটোক মই সোণৰ সজাত থৈ
এদিন পুৱাতে দেখিলো পখিটোক
সজাৰ ওচৰলৈ গৈ।
আন এদিনাখন দেখিলো পখিটোক
কোনোবা ঘৰৰ মাজত
দীঘল পখিটোৰ কোঠাৰ অশান্তি
মোৰ অন্তৰৰ মাজত।
কৰিছিলো মৰম সোণৰ পখিটোক মই
মৰমৰ বুকুৰ মাজত পাই,
পিছদিনাখন দেখিলো পখিটোক
সজাৰ ভিতৰত নাই।
আশা এই মোৰ পুহিম পখিটোক
চিৰ জীৱন ধৰি,
ভাগ্যত নহল পুহিম পখিটোক মই
গ'ল জীৱনৰ আশা মৰি।
উৰি উৰি গ'ল সোণৰ পখিটো
নাহে আৰু কোনো দিন,
নাজানো মই কিবা কাৰণত মোৰ ওপৰত
পখিয়ে কৰিছে ঘিণ।
পখিয়ে পাহৰিব মোৰ কথা
জনা নাই কোনো দিন
মোৰ মনত থাকিব সদায়
সোণৰ পখিটোৰ চিন।



# নৱপ্ৰজন্মলৈ

ছালমা চুলতানা
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

বিংশ শতিকাৰ শ্ৰেষ্ঠ অসমীয়া তুমি
নৱপ্ৰজন্মৰ প্ৰেৰণা।
অসমী আইৰ যুগান্তৰৰ সাধনা তুমি।
শিশু সকলৰ বাবে সৃষ্টিৰ ভৰাঁল।
তেতেলীমবাৰ পৰা লণ্ডনলৈ বুলি
জয় যাত্ৰা তোমাৰ অপৰিসীম।
ক্ষন্তেকীয়া জীৱনৰ কৰ্মধাৰা তোমাৰ
কিন্বা প্ৰজন্মাৰো যেন মিলিত অৱদান।
সময়ৰ প্ৰকৃত পূজাৰী তুমি
ৰজত কমলেৰে বিভূষিত।
প্ৰান্তিক, সঁফুৰাৰ আলোক তুমি, পদ্মশ্ৰীও তুমি
শিশু কল্যাণ ন্যাস তোমাৰেই অৱদান
অসমীয়া ন-পুৰুষৰ বাটকটীয়া তুমি .......
তুমি মহামানৱৰ কল্যাণ ..........!



# প্ৰতাৰণা

মইদুল ইছলাম
স্নাতক ২য় বৰ্ষ (কলা)



কেনেকৈ কওঁ তোমাক
কেনেকুৱা আছিল সেই চাৱনি
যি হৃদয় চুই নিছিল।
কেনেকুৱা আছিল সেই হাঁহি
যি জীৱন লৈ উজ্জ্বলতা আনিছিল,
কেনেকুৱা আছিল সেই নিৰৱতা
যি বহু কাহিনী শুনাইছিল
কিন্তু........কিন্তু
সকলো শেষহৈ গল তাই
হেৰাই যোৱাৰ ক্ষণত
মোৰ মাজৰ পৰা
সিদিনা আছিল হিয়াৰ লগৰী
নুবুলিলো গলা আঁতৰি
চিঙি মোহাৰি মোৰ আকাশৰ পাপৰি
নালাগে আহিব এতিয়া উভতি
আনৰ মৰম নেউচি
ভুলতো নাচাবা তুমি
নামাৰিবা মিঠা হাঁহি
নালাগে তোমাৰ মৰমকে
নালাগে তোমাৰ প্ৰেৰণাক
থাকিম অকলে অকলে
পাৰিম জীৱন সজাবলৈ
ভুলতো নাচাবা উভতি তুমি মোলৈ।



গোৱালপাৰা মহাবিদ্যালয় আলোচনী

# বৰষুণৰ দুটামান স্তৱক

ঋষভ নাথ
স্নাতক ৩য় বৰ্ষ (কলা)

বৰষুণ কমালৈ অপেক্ষা কৰি গছবোৰ
নিৰবে গোণ্ডা যন্ত্ৰণা সহি সহি
এটা সেন্দুৰ পুৱালৈ প্ৰতীক্ষা মোৰ

পাল পাতি কাপোৰ ফুকোৰা তাঁৰত
সৰি পৰোঁ সৰি পৰোঁ বৰষুণৰ পানী
সাকোঁ বগাই পাৰ হ'বলৈ যেন
বহু মানুহৰ লানি

পৰ্দা গুচাই দিয়া
খিলখিলাই বৈ যাওঁক
ঘৰৰ ভিতৰৰ সুখ বৰষুণত
ঘৰৰ বাহিৰলৈ

কেইযোৰ জুনুকা পিন্ধি জেঠৰ
এঘাৰ বছৰীয়া বৰষুণে সহৰিষে নাচে
দুৱাৰ মুখলৈ আহি যদি সোধে
ক'বা কবি ঘৰতে আছে

মোৰ বুকুৰ পানীপতাৰ শাৰী শাৰী সৰু সৰু গাত
বাৰিষাৰ বৰষুণে খৰাঙৰ চকুপানীৰে
উপচি থাকে। তাত জুবুৰিয়াই মোৰ
আঙুলিৰ মূৰ কবিতা লিখোঁ মই সুখৰ দুখৰ

টিনৰ পানীৰ সূঁতাৰে তাঁত বাতি কাঢ়ি
পাৰা যদি বৈ উলিওৱা
পানীৰ এডুখৰি কাপোৰ
সুখে দুখে সেয়ে হ'ব মোৰ মৰমৰ আবুৰ



# সপোন পখি

মহঃ মোস্তাফিজুৰ ৰহমান
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)



সপোনত কোনোবা এদিন আলিৰ দাঁতিতে গৈ
দেখিলো সোণৰ পখি
ধৰিলো মই সোণৰ পখিটোক
মৰমৰ মুখ খন দেখি।
বহুদিন ৰাখিছিলো পখিটোক মই সোণৰ সজাত থৈ
এদিন পুৱাতে দেখিলো পখিটোক
সজাৰ ওচৰলৈ গৈ।
আন এদিনাখন দেখিলো পখিটোক
কোনোবা ঘৰৰ মাজত
দীঘল পখিটোৰ কোঠাৰ অশান্তি
মোৰ অন্তৰৰ মাজত।
কৰিছিলো মৰম সোণৰ পখিটোক মই
মৰমৰ বুকুৰ মাজত পাই,
পিছদিনাখন দেখিলো পখিটোক
সজাৰ ভিতৰত নাই।
আশা এই মোৰ পুহিম পখিটোক
চিৰ জীৱন ধৰি,
ভাগ্যত নহল পুহিম পখিটোক মই
গ'ল জীৱনৰ আশা মৰি।
উৰি উৰি গ'ল সোণৰ পখিটো
নাহে আৰু কোনো দিন,
নাজানো মই কিবা কাৰণত মোৰ ওপৰত
পখিয়ে কৰিছে ঘিণ।
পখিয়ে পাহৰিব মোৰ কথা
জনা নাই কোনো দিন
মোৰ মনত থাকিব সদায়
সোণৰ পখিটোৰ চিন।



# মৃত্যু

যদুমনি বৈশ
স্নাতক ১ম বৰ্ষ (বিজ্ঞা

মৃত্যু – তুমি যে
নহয় মাথোঁ
এটি জীৱনৰ
অন্তিম ক্ষণ।
তুমি শেষ সীমান্ত
প্ৰতিটো জীৱনৰ।
তুমি মুক্তিৰ দুৱাৰ
প্ৰতিটো প্ৰাণৰ
প্ৰতিটো আত্মাৰ ।
কিন্তু ......
নুবুজে কোনেও তোমাক.....
মৃত্যু – তুমি যে
নহয় ফাগুন,
জীৱনৰ চ'তত
অহা এটি পচোৱা।
তুমি বৰদৈচিলা
প্ৰতিটো জীৱনৰ
তুমি চন্দ্ৰ-প্ৰৱাল-মণি
প্ৰতিটো প্ৰাণৰ
প্ৰতিটো আত্মাৰ।
কিন্তু, .....
নুবুজে কোনেও তোমাক .....



মৃত্যু – তুমি কাৰোবাৰ
উদিত সূৰুয,
হেঙুলীয়া সাজেৰে
অহা নৱ বহাগ
নুবুজে, নেজানে
কোনেও ....
তুমি যে নহয়
এমুঠি এন্ধাৰ,
অস্তৰ বেলি।
মই জানো
কিন্তু আনে .........
মৃত্যু – তুমি কালজয়ী,
তুমি অপৰাজিত,
তুমি সেউজীয়া বসন্ত,
তুমি অন্তিমৰ সৃষ্টি
সৃষ্টিৰ উৎস
উৎসৰ পথ
পথৰ পোহৰ
পোহৰৰ জীৱন
জীৱনৰ মৃত্যু
আৰু মৃত্যুৰ মুক্তি...... ।



# অন্য ভাষাৰ মাণিক বুটলি



ৰাভা কবিতা :-

# ৰাভা চায়

ড° উপেন ৰাভা হাকাচাম
প্ৰৱক্তা, গুৱাহাটী বিশ্ববিদ্যালয়

হাক্‌কায় ছিনি ফোটা ছেতে
দোগোজো তে আং
চার্পাক দাওৱায়নান ;
আয়া আঙি আমাং আঙি
জিনং-জানং দুম'দাক কায়নি
বাদাং দোগোজো তে আং
চার্পাক দাওৱায়নান ।
হাছং ৰেঙা বাৰং ৰেঙা
ৰেঙা ৰেঙা তে দু'মদাকান ;
ৰেঙাকে ৰাখুচা চিং তোংবায়ান
খুতাকাঙি দোগোনো মিনি মিনিয়ান
ছিনানাকে ছোঙিনি বাদাং।
ফি'ছা তে আঙো বিদায়
ঝাঙানাকে দবঙে মান্দায়
ছেঙি ছেং কি'মাৰ খায়
নাৰংবা ৰিবা আগয়
চাপ চাপ ৰেঙা দু'মদাকায়ান
চার্পাক দাওৱায়নান।



(অসমীয়া সৰলাৰ্থঃ ৰক্তিম কোট পিন্ধি মই দেশ আৰু দহৰ বাবে, মাতৃ-ভগ্নীৰ মান ৰক্ষাৰ্থে জীৱন যুঁজত ওলালোঁ। দেশ আৰু আমাৰ অস্তিত্ব প্ৰতিষ্ঠা বিলীন হ'বৰ উপক্ৰম হৈছে। চাই থাকিবৰ সময় নাই। আহা, তোমালোকেও মোৰ সৈতে হাতত হাত ধৰি কৰোঁ সংগ্ৰাম, তবোঁ, দেশ, হ'ব উদ্ধাৰ স্বজাতি-স্বদেশ।)

# বায়খো

জ্যোতিষ চন্দ্ৰ ৰাভা
প্ৰাক্তন ছাত্ৰ



(১)
জেঠ ৰাংগ্ৰে কিজো
পান বা ৰছকে মুনছাজো
ৰাং ত্ৰেতে চিঙা বায়খো
ৰিবিকায় কাথা কানিজো।
(২)
ধৰায় তাঙি মন বিজান
ৰছকে মুনছাজো,
বায়খো হাদামি কায়নি
নুক্‌বাৰকায়ো ভঙো
আৰো মনিনি কাথা কানিনো।
(৩)
বায়খো ৰিবিকায় নাই
গাবুৰতাঙি মন বিজান
পুতুৱে মুনছাজো,
কায়নি নাছিকায়ো
ভঙানেকে ....।
(৪)
খাম্ দায়দিনি খুৰাং নাই
ধৰায়-গাবুৰ তাং
নোকি তঙা জাংছাজো
মুনাং মুনাং বায়খো হাদামিনা
ৰেঙে দোকজো।
(৫)
উছিয়ান্ কাকায় কাকায়'নি
নুকবাৰ পেকে ৰংমানে
ত্ৰকে ত্ৰকে নাছিৰাঙে ফুছাজো,
ফাৰবানায়জো ছাৰকায়ান
কাকায় কাকায়নি নুকিনা
জাৰে ৰেং জো।

# খুৰাং

বলোৰাম হাকাচাম
স্নাতক ৩য় বৰ্ষ (কলা)

অ আঙি লিগাতাং
ৰিবা তে দ'গোতে
দি'মদাক্ ৰাপ্ছাং
ৰাছামা চিং তে
কাকায়নি জাতিনি খুৰাং।
দংচা যুগ তে
নুকি গুৰি তংকায়
তংচা দিন একায়
নুকি নুই তংকায়
নাং-আং ৰাপ্ছাং দগোচায়
কাৰালনি ৰাম্পাৰি
প্ৰ'ঙে ৰেঙো চিঙি
ককায়নি জাতিনি খুৰাং।
ফু'ই ৰিবা—
অ আঙি লি'গাতাং
দদান মাৰুক্ষেত্ৰীনি বি'ল ৰায়
ৰাছামা চিং তে
ককায়নি জাতিনি খুৰাং॥



# ছ্যত্ৰাং

অহিন্দ্ৰ ব
স্নাতক ৩য় বৰ্ষ (ক



ফুঙিনি পিথাৰ প্ৰাম্চি
আঙো ৰাবাতা
পিদান ছিত্ৰাং ,
পাতে ৰেংকায় ৰাংছিনি কাথা
গি'তি হান্দাৰী ছান দিপৰী
আৰো ৰাংছিনি,
আঙি দি'ম্দাক কাথা বিজানো
থি'মাতামুন্ উনিবাদাং
চাৰ্পাকনি ছি ৰাখুই
অনাবা ৰিবাচা অ আঙি কাফায়।
আঙি ছিত্ৰাং আঙি চাৰ্পাক
বসুমতানি দি'ম্দাক্ কাথাঅ
নামা তেবে ৰিবি তংকায়
পিথাৰ দিননি পিদান নাছিকায়।



# কু'ৰ

মুবিন ৰাভা
স্নাতক ৩য় বৰ্ষ (কলা)



চু'খাম্কায় গু'জাৰনা তাক্জোনে আলাং
বাৰদামা
মু'নি কিজোনে উচি
কু'ৰ দুমা
খু'কদুৰ, চৰেং বানা
বাৰীনি চ'ক বিৰেংকায় হাঙ্গাৰ খানা
দোপি সোনা
ৰং তাকি ৰাছং
পিদান পিদান নোক,
বাৰী কনায় মাকাপবু'ৰ ..........
চঙিনি গিৰি,
দ'মাচিনি বেলানক্ তেলাংবা হামা
বাৰ ৰাখুনা বাৰ জোণ্ডা তাঙা
দু'মদাক দোগো উৰ্গিপাগি
চিপান চাবানিয়ান' বেলা নকো
বাৰ তুপাঙা ...........

বড়ো কবিতা :-

# সমনি জাৰিমিন

অমিয় কুমাৰ বড়ো
প্ৰৱক্তা, ভূগোল বিজ্ঞান বিভাগ।

ভুলুংবুথুৰ দৈমানি চেৰাও
যদীঙআঙ বেলাসে সমাও
নায়গিৰদীঙ সমনি জাৰিমিন
গীমী-গীজা সীনাব অখীৰাঙনি বিখায়াও।
আঙ মিথিআ বেচেবাং গীদী
বে সানখৌৰাঙ আৰী বুহমা
আঙ মিথিয়আ বেচেবাং গীদী
বে সুবুং মাহাৰি আৰী জিউ-জিৰাং
মিথিআ আঙ বেচেবাং গীথাৰ
সুবুংনি অন্নায়-গাবনায়-মিনিনায়আ।
হে 'সম' ! বেচেবাং গীদী নীঙ
বেচেবাং গুৱাৰ নীঙ
গীমালাঙদীং বৈবী নীংনি গীবীআও
সানসে সমাও,
মীজাঙ-গাজ্ৰি গাচৈবী গীমীৰলাঙদীং
নীংনিনী ফাখনাও
বাৰগ'নী হায়াখৈ ৰাওবী
নীংনি আখায়াও।
নাথায়, নায়গিৰদীঙ আঙ
'সীদীমশ্ৰী' মুঙনি শীদীবনি গেজেৰাও
নীংনি নেচীন-আগান আৰী জাৰিমিন
জিউনি বেলাচে সমাও !



অসমীয়া সৰলাৰ্থঃ

ব্ৰহ্মপুত্ৰ নৈৰ পাৰত আবেলি পৰত বহি মই ভাবিছো- 'সময়'ৰ ইতিহাসৰ কথা পশ্চিমৰ হেঙুলী আকাশলৈ চাই চাই। হে সময়! তুমি অনাদি অনন্ত ! তোমাৰ বুকুতে সকলো এদিন বিলীন হৈ গৈছে। আজি মই বিচাৰিছো তোমাৰ স্মৃতি-চিহ্ন - 'সভ্যতা' নামৰ এটি শব্দৰ মাজত।

বাংলা কবিতা :-

## তুমি আসিবে বলে

অনীমা রাণী শীল
উচ্চতৰ মাধ্যামিক ২য় বর্ষ (কলা)

তুমি আসিবে বলে
সাজিয়ে রেখেছি
হৃদয়ের আধার কোঠাটি
জোৎসনার স্বর্ণরেণু দিয়ে।
দুয়ার পানে বসে
স্থির চোখে পথ চেয়ে
মনেতে গুণে আছি
অফুরন্ত অপেক্ষার ক্ষণ
নিশিত প্রভাত থেকে।
কাল গুণে গুণে সূর্যটি
মাথার ওপর চলে এলো,
কিন্তু, তোমার সংবাদ নেই।
চোখদুটি ক্লান্ত হয়ে পরছে,
ধৈর্যও সীমানা পেরিয়ে যাচ্ছে;
আশার ভাণ্ডারে শূন্য গুলো নিয়ে
তবুও দাড়িয়ে আছি আমি।
কারণ, আমার দৃঢ় বিশ্বাস
তুমি আসিবে, আসিবেই,
এখন, নইলে সাজে
অন্যথা ........ 'রজনীতে'





## শুধু এক বার

মৌসুমী
স্নাতক ৩য় বর্ষ

শুধু এক বার
বোলে
হেসে হেসে মৃ
বরণ করে নে
কোনোদিনো উহঃ টুকুয়ো কর
শুধু যাবে না আমায়
যেভাবে রাখো
থাকবো আমি সেভ
শত কষ্টেও চোখের
ভেজাবোনা
শুধু ভালোবেসো এভ
সকল কিছু ভু
তোমার ছাড়া আর
চাইতেতো শিকিনি
আমার পূজা
আর প্রার্থনাও
যে হাসি আজ আমার
সেই হাসির কারণো
তুমি আমার আধার জীবন
শুধুমাত্র আলোকপ্রদ
তোমার দুটি হাত
জীবন দিব

গোৱালপাৰা মহাবিদ্যালয় আলোচনী
২০০২ - ২০০৩ শিক্ষাবর্ষ



মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° আবুল মাছুম



মহাবিদ্যালয়ৰ উপাধ্যক্ষ এ এচ আৰ আহমেদ

## সম্পাদনা সমিতি



বাওঁফালৰ পৰা ক্ৰমে (বহি) ঃ
ৰতন চন্দ্ৰ ভট্টাচাৰ্য্য (তত্বাৱধায়ক)
ড° আবুল মাছুম (অধ্যক্ষ)
সিদ্ধিনাথ শৰ্মা (সদস্য)

বাওঁফালৰ পৰা ক্ৰমে (থিয়হৈ) ঃ
ভানু বেজবৰা কলিতা (সদস্যা)
লনি বৰুৱা (সদস্যা)
ধৰ্মেন্দ্ৰ নাথ (সদস্য)
ৰঞ্জিত চৌধুৰী (সদস্য)
শিৱদাস ৰাভা (সম্পাদক)

## গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বিভাগীয় সম্পাদকসকল



বাওঁফালৰ পৰা ক্ৰমে (বহি) ঃ
শ্ৰী নৱদ্বীপ ভূঞা (সাধাৰণ সম্পাদক),
শ্ৰী উজ্বল চক্ৰৱৰ্তী (উপ-সভাপতি)

বাওঁফালৰ পৰা ক্ৰমে (থিয়হৈ) ঃ
জয়ন্ত নাথ (সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ)
ফজলুল ওৱাহিদ মণ্ডল (সম্পাদক, বহিঃদ্বাৰ ক্ৰীড়া)
মইদুল ইছলাম (সহকাৰী সাঃ সম্পাদক)
মেঘালী তালুকদাৰ মালো (সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা)
কিশোৰ দাস (সম্পাদক, সমাজসেৱা)
মুচতানুৰ আহমেদ (সম্পাদক, উৎসৱ বিভাগ)
মনোজ কুমাৰ ৰয় (সম্পাদক, ক্ৰিকেট বিভাগ)
অশোক শংকৰ ৰাভা (সম্পাদক, আন্তঃ দ্বাৰ ক্ৰীড়া)
শিৱদাস ৰাভা (সম্পাদক, আলোচনী)

উপস্থিত নথকা সদস্য সকল ঃ
দীপজ্যোতি কলিতা (সম্পাদক, ছাত্ৰ জিৰণি কোঠা)
অমৃত ৰায় (সম্পাদক, ফুটবল আৰু ভলিবল বিভাগ)



ভূৰেশ নাথ
মহাবিদ্যালয় সপ্তাহৰ
শ্ৰেষ্ঠ আন্তঃদ্বাৰ খেলুৱৈ



মীনাক্ষী শৰ্মা
মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা
বহিঃ দ্বাৰ খেলুৱৈ



তনপ দাস গুপ্তা
মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ
বহিঃ দ্বাৰ খেলুৱৈ




গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱৰ সমদলত
গোৱালপাৰা মহাবিদ্যালয় দলটো



শান্তনু চক্ৰৱৰ্ত্তী

২০০৩ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱৰ
তবলা বাদনত সোনৰ পদক বিজেতা।



মৃদুল শৰ্মা

মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ সাহিত্যিক



মেঘনা চৌধুৰী

মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা তাৰ্কিক



মিচ্ আলবেলা খানম

মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা গায়িকা

# ENGLISH SECTION



Authorship of any sort is a fantastic indulgence of the ego. It is well, no doubt, to reflect on how much one owes to others.

-J.K. Galbraith

# ORIGIN OF THE ELEMENTS

***Prasad Kumar Saha***
**Lecturer, Deptt. of Chemistry**

The fundamental reaction that produces the huge amounts of energy radiated by the sun and most other stars is the fusion of the lightest element, hydrogen, its nucleus having a single proton, into heliuem, with a nucleus consisting of two protons and two neutrons. In many stars the production of helium is followed by the fusion of helium into heavier elements, up to iron. The still heavier elements can not be made in energy - releasing fusion reaction ; an input of energy is required to produce them.

Energy can be released by either nuclear fusion or fission reactions and there will be a tendency for material to be gradually converted into elements with maximum binding energy. Atomic nuclei interact through two strong forces. Because they have positive electric charges, they repel one another, but there is also a very short-range strong nuclear interaction that is attractive.

This may cause fusion reactions to occur if the nuclei ever approach close enough for it to be operative. To overcome the electrical repulsion, the particles must be moving rapidly, as they will be if the material is at a high temperature. The over coming of the electrical repulsion leads to what are known as thermonuclear reactions. Heavy nuclei have higher electric charges than light nuclei, and a higher temperature is required for reactions between them. The rate of thermo nuclear reactions depends on density as well as temperature, but the temperature dependence is much more critical.

If one imagines a mixture of light elements gradually heated up, a succession of nuclear reactions occurs that is described below:

**Hydrogen burning** : Hydrogen is converted into helium by a succession of nuclear reactions that change four proton into a helium nucleus, two positrons, and two neutrinos. This reactions occur at temperature of about $10^7$ to $2 \times 10^7$ K.

